৬ষ্ঠ বৰ্ষ, সংখ্যা ১২

১৬-৩১ ডিচেম্বৰ, ২০২৫

বিনামূলীয়া বিতৰণৰ বাবে

# নিউ ইণ্ডিয়া সমাচাৰ

## ৰামৰ পৰা ৰাষ্ট্ৰলৈ

### ভাৰতৰ উত্থানৰ বাবে সজোৰ আহ্বান

শ্ৰীৰামৰ জন্মস্থানত থকা ভব্য, ঐশ্বৰিক আৰু নতুন মন্দিৰৰ শীৰ্ষত কৰা ধৰ্ম ধ্বজাৰোহণ, ভাৰতীয় সত্ত্বাৰ অগ্ৰদূত হৈ পৰিল, যিয়ে কঢ়িয়াইছে ভাৰতৰ একতা, বিকাশ আৰু ঐতিহ্যৰ বাৰ্তা।




ই-কপিৰ বাবে

মন কী বাত

# জনসাধাৰণৰ মাজলৈ সামূহিক প্ৰচেষ্টা আনিবলৈ এক শক্তিশালী মঞ্চ



"মন কী বাত" অনুষ্ঠান হৈছে এনে এক মঞ্চ যাৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু বিদেশত বসবাস কৰা লোকসকলৰ সৈতে পোনপটীয়াকৈ সংযোগ স্থাপন কৰে। এই কাৰ্যসূচীত তেওঁ জাতীয় বিষয়সমূহৰ ওপৰত নিজৰ চিন্তাধাৰা বিনিময় কৰে, সমাজলৈ ইতিবাচক পৰিৱৰ্তন আনি দিয়া লোকসকলৰ কাহিনীৰ ওপৰত আলোকপাত কৰে, উন্নয়ন আৰু সামাজিক পদক্ষেপত জনসাধাৰণৰ অংশগ্ৰহণক উৎসাহিত কৰে। "মন কী বাত" ৰাইজৰ সাফল্য আৰু সামূহিক প্ৰচেষ্টা প্ৰদৰ্শনৰ এক উৎকৃষ্ট মঞ্চ। 'মন কী বাত'ৰ ৩০ নৱেম্বৰৰ সংস্কৰণৰ সম্পাদিত উদ্ধৃতিসমূহ ইয়াত দিয়া হ'ল...

- **প্ৰেৰণাদায়ক মুহূৰ্তৰ সাক্ষী:** ২৬ নৱেম্বৰত 'সংবিধান দিৱস'ত কেন্দ্ৰীয় প্ৰেক্ষাগৃহত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। বন্দে মাতৰমৰ ১৫০ বছৰীয়া জয়ন্তী উদযাপনে দেশজোৰা বৃহৎ কাৰ্যসূচীৰ সূচনা কৰিলে। অযোধ্যাৰ ৰাম মন্দিৰত আয়োজন হ'ল পবিত্ৰ ধৰ্ম ধ্বজাৰ ঐতিহাসিক উত্তোলন। কুৰুক্ষেত্ৰৰ জ্যোতিসৰত পাঞ্চজন্য স্মাৰকৰ উদ্বোধন কৰা হয়। নৱেম্বৰ মাহটো হৈ পৰিল বিশ্বাস, সংস্কৃতি, সংবিধান, আৰু জাতীয় গৌৰৱৰ এক অনন্য সংগম।
- **ভাৰতৰ নতুন চিন্তাধাৰা:** হায়দৰাবাদত বিশ্বৰ সৰ্ববৃহৎ লিপ ইঞ্জিন এমআৰঅ' (MRO) সুবিধা উদ্বোধন হোৱাৰ লগে লগে ভাৰতে বিমানৰ ৰক্ষণাবেক্ষণ, মেৰামতি, আৰু পুনৰ্নিৰ্মাণ খণ্ডত এক বৃহৎ পদক্ষেপ আগবঢ়ালে। আইএনএছ "মাহে'ক ভাৰতীয় নৌসেনাত অন্তৰ্ভুক্ত কৰা হ'ল। এয়া ভাৰতৰ নতুন চিন্তাধাৰা, উদ্ভাৱন, আৰু যুৱ শক্তিৰ প্ৰতিফলন।"
- **ঐতিহাসিক অভিলেখঃ** কৃষি খণ্ডত দেশখনে উল্লেখযোগ্য সাফল্য লাভ কৰিছে। ভাৰতে ৩৫৭ নিযুত টন শস্য উৎপাদনেৰে এক ঐতিহাসিক অভিলেখ গঢ়িলে। ১০ বছৰৰ আগৰ তুলনাত ভাৰতৰ শস্য উৎপাদন ১০ কোটি টন বৃদ্ধি পাইছে।
- **বিশ্বাসৰ সফলতাঃ** চন্দ্ৰযান-২ৰ বিফলতাই বিজ্ঞানীসকলক বাধা দি ৰখাব পৰা নাছিল। সেইদিনাই তেওঁলোকে চন্দ্ৰযান-৩ৰ সফলতাৰ চিত্ৰনাট্য লিখিবলৈ আৰম্ভ কৰিছিল। সেইবাবেই চন্দ্ৰযান-৩য়ে যেতিয়া সফল অৱতৰণ কৰিছিল, তেতিয়া সেয়া কেৱল এটা অভিযানৰ সফলতাই নাছিল। সেয়া আছিল বিফলতাৰ পিছত গঢ় লৈ উঠা বিশ্বাসৰ সফলতা।
- **নতুন অভিলেখঃ** আজি ভাৰতে মৌ উৎপাদনত নতুন অভিলেখ গঢ়িছে। ১১ বছৰ পূৰ্বে দেশত মৌ উৎপাদন আছিল ৭৬,০০০ মেট্ৰিক টন। এই পৰিমাণ এতিয়া ১.৫ লাখ মেট্ৰিক টনতকৈও অধিক হৈছে। মৌ ৰপ্তানিও যোৱা কেইবছৰমানৰ পৰা তিনিগুণলৈ বৃদ্ধি পাইছে।
- **নৱনগৰৰ জাম চাহেবঃ** গুজৰাটৰ নৱনগৰৰ জাম চাহেবৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হয় দক্ষিণ ইজৰাইলৰ মোছাভ নেভাটিমত। এইয়া আছিল এক বিশেষ সন্মান। যোৱা বছৰ পোলেণ্ডৰ ৱাৰ্শ্বত জাম চাহেবৰ স্মৃতিসৌধত শ্ৰদ্ধাঞ্জলি জনোৱাৰ মোৰ সৌভাগ্য হৈছিল।
- **প্ৰাকৃতিক কৃষিঃ** শিক্ষিত যুৱ পেছাদাৰীসকলে এতিয়া প্ৰাকৃতিক কৃষি পদ্ধতি গ্ৰহণ কৰিছে, প্ৰাকৃতিক কৃষি ভাৰতৰ প্ৰাচীন পৰম্পৰাৰ এটা অংশ হৈ আহিছে, আৰু পৃথিৱী মাতৃক সুৰক্ষা প্ৰদানৰ বাবে ইয়াৰ নিৰন্তৰ প্ৰচাৰ কৰাটো আমাৰ কৰ্তব্য।
- **কাশী তামিল সংগমমঃ** কাশী তামিল সংগমম তামিল ভাষাৰ প্ৰতি আকৰ্ষিত সকলোৰে বাবে এক গুৰুত্বপূৰ্ণ মঞ্চত পৰিণত হৈছে। কাশীৰ মানুহে সদায় কাশী তামিল সংগমমৰ অংশ হৈ আনন্দ প্ৰকাশ কৰে। এইবাৰ কাশী তামিল সংগম ৪.০ৰ বিষয় হৈছে 'তামিল শিকক, তামিল কৰ্কলম'।
- **আত্মনিৰ্ভৰশীলতাঃ** ভাৰতৰ নিৰাপত্তা ব্যৱস্থা শক্তিশালী হ'লে প্ৰতিজন ভাৰতীয়ই গৌৰৱ অনুভৱ কৰে। আমাৰ নৌসেনাই আত্মনিৰ্ভৰশীলতাৰ দিশত দ্ৰুতগতিত আগবাঢ়িছে, সেয়া আমাৰ সকলোৰে বাবে গৌৰৱৰ বিষয়।
- **ভোকেল ফৰ লোকেল:** মই সুখী যে সমগ্ৰ দেশৰ লাখ লাখ লোকে ভোকেল ফৰ লোকেলৰ ভাৱনাক নিজৰ জীৱনৰ অংশ হিচাপে গ্ৰহণ কৰিছে। ভোকেল ফৰ লোকেল'ৰ মন্ত্ৰটো আৰু আগুৱাই নিবলৈ আপোনালোক সকলোকে মই সদায় আহ্বান জনাইছো।

*সম্পূৰ্ণ "মন কী বাত" শুনিবলৈ QR ক'ড স্কেন কৰক*

# নিউ ইণ্ডিয়া সমাচাৰ

ষষ্ঠ বৰ্ষ, সংখ্যা ১২, ডিচেম্বৰ ১৬-৩১, ২০২৫

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওজা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

জ্যষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**

সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**




https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক

https://newindiasamachar pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাসমূহত...




যেতিয়া ছয় দশকৰ পাছত জনসাধাৰণৰ অদম্য আস্থাৰে এখন চৰকাৰে একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতালৈ আহিবলৈ সমৰ্থ হৈছিল, ২০২৪ চনটো স্থায়ী সাফল্যৰ আধাৰ বৰ্ষ হৈ পৰিছিল। এই বিশ্বাসৰ এটা কালজয়ী অধ্যায় আৰম্ভ হৈছিল ২০২৫ চনত, যিটো মহাকুম্ভত আয়োজিত আধ্যাত্মিক সমাৰোহৰ দ্বাৰা প্ৰতিষ্ঠা লাভ কৰিছিল। বিগত ১১ বছৰত সাংস্কৃতিক ঐতিহ্যৰ পুনৰুজ্জীৱন সামগ্ৰিক উন্নয়নৰ মুখ্য কাম হৈ পৰিছে, আৰু ১৪০ কোটি নাগৰিক এই পৰিৱৰ্তনৰ সাক্ষী হৈছে। | ১০-৩৩

**সংবিধান দিৱস**

ভাৰতীয় সংবিধান: ৰাষ্ট্ৰৰ বৰ্তমান আৰু ভৱিষ্যতৰ পথ প্ৰদৰ্শক



সংবিধান দিৱস উপলক্ষে ২৬ নৱেম্বৰত সংবিধান গৃহৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত বৃহৎ উদযাপনৰ আয়োজন কৰা হয়। |৭-৯

G20 SOUTH AFRICA 2025

সংহতি, সমতা আৰু বহনক্ষমতা সন্মিলনৰ উল্লেখযোগ্য দিশ

প্ৰধানমন্ত্ৰী মোদীয়ে জি-২০ সন্মিলনৰ কেইবাখনো অধিবেশনত ভাষণ প্ৰদান কৰে। ৫২-৫৫




সংক্ষিপ্ত সংবাদ |৪-৫

ব্যক্তিত্ব: ৰামানন্দ সাগৰ
প্ৰতিখন ঘৰৰ দুৱাৰমুখলৈ ৰামায়ণ নিয়া মানুহজন |৬

ৰাষ্ট্ৰৰ চৰিত্ৰ, সংস্কৃতি আৰু মূল ভাৱনা
নৱম শিখ গুৰু শ্ৰী গুৰু তেগ বাহাদুৰ জীলৈ তেওঁৰ ৩৫০ সংখ্যক শ্বহীদ দিৱসত শ্ৰদ্ধাঞ্জলি |৩৪-৩৫

ভাৰতৰ উত্থানৰ আৰ্হি বিশ্বৰ বাবে এক প্ৰেৰণা
প্ৰধানমন্ত্ৰীয়ে ষষ্ঠ ৰামনাথ গোৱেংকা বক্তৃতা অনুষ্ঠানত ভাষণ প্ৰদান কৰে |৩৬-৩৭

শ্ৰম শাসনৰ ৰূপান্তৰ: সকলোৰে প্ৰতি সন্মান, সকলোৰে বাবে নিৰাপত্তা
চাৰিখন শ্ৰম সংহিতা কাৰ্যকৰী কৰা হৈছে |৩৮-৪১

ভাৰতত আৰম্ভ হ'ব থলুৱা সংহত আৰইপিএম কাৰখানা
ইউনিয়ন কেবিনেটে ২টা ৰেলৰে মাল্টি - ট্ৰেকিং প্ৰকল্পত অনুমোদন জনাইছে | ৪২-৪৩

বিকশিত ভাৰতৰ বাবে অত্যাধুনিক নিৰাপত্তা ব্যৱস্থাৰ দিশত...
ডিজিপি সন্মিলনে প্ৰযুক্তি-সজ্জিত আৰক্ষী ব্যৱস্থাৰ প্ৰতি গুৰুত্ব আগবঢ়াইছে |৪৪-৪৫

বিমান আৰু জাহাজ পৰিবহন খণ্ডই নতুন গতি লাভ কৰিব।
প্ৰধানমন্ত্ৰী মোদীয়ে ছফ্ৰাণ এয়াৰক্ৰাফ্ট ইঞ্জিন ছাৰ্ভিচেছ চেন্টাৰ উদ্বোধন কৰে |৪৬

প্ৰাকৃতিক কৃষি... বিশ্ব কেন্দ্ৰ হোৱাৰ পথত ভাৰত
প্ৰধানমন্ত্ৰী মোদীয়ে এক একৰ, এক ঋতুৰ মন্ত্ৰ আগবঢ়াইছে |৪৭-৪৯

পাৰমাণৱিক শক্তিঃ বিকশিত ভাৰতৰ নতুন সামৰ্থ্য
ভাৰতে বিশ্বব্যাপী বিশিষ্ট পাৰমাণৱিক শক্তিৰ অভিজাত গোটত প্ৰৱেশ কৰিছে |৫০-৫১

চিনেমাৰ যাদু চিৰস্থায়ী হৈ ৰ'ব
ভাৰতৰ ৫৬ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ সামৰণি | ৫৬-৫৭

ভাৰতৰ জেন জী... উদ্ভাৱনীমূলক সমাধান প্ৰদান কৰিবলৈ দক্ষতা আয়ত্ত কৰা
প্ৰধানমন্ত্ৰী মোদীয়ে স্কাইৰুট ইনফিনিটি কেম্পাছ উদ্বোধন কৰে | ৫৮

ক্ৰীড়াক্ষেত্ৰত ভাৰতৰ বাবে গৌৰৱ
প্ৰধানমন্ত্ৰীয়ে বিজয়ী ভাৰতীয় মহিলা ক্ৰিকেট দলৰ সৈতে মত বিনিময় কৰে | ৫৯

শ্ৰদ্ধাঞ্জলি: ভাৰতত চিনেমাৰ এটা যুগৰ অন্ত
অভিনেতা ধৰ্মেন্দ্ৰৰ বিয়োগত বিনম্ৰ শ্ৰদ্ধাঞ্জলি | ৬০



**Published & Printed by : Kanchan Prasad,** Director General, on behalf of Central Bureau of Communication
**Printed at :** Chandu Press, 469, Patparganj Industrial Estate, Delhi 110 092.
**Communication Address :** Room No-1077, Soochna Bhawan, CGO Complex, New Delhi-110003.
**E-Mail :** response-nis@pib.gov.in, **RNI No. :** DELASS/2020/78827

# সম্পাদকৰ মেজৰ পৰা...

## ২০২৫ বৰ্ষটোৱে সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি গৌৰৱ বঢ়াই তোলাৰ ক্ষেত্ৰত এটা পৰিৱৰ্তনৰ সূচনা কৰিছে

নমস্কাৰ,

নতুন বছৰৰ আগমন মানেই নতুন সংকল্প গ্ৰহণৰ সুযোগ। ২০২৫ বৰ্ষটোৱে বিদায় লোৱাৰ সময় সমাগত হোৱাৰ লগে লগে বছৰৰ আৰম্ভণিতে লোৱা সংকল্পসমূহলৈ উভতি চোৱাটো অতি গুৰুত্বপূৰ্ণ। সংকল্পসমূহৰ বাস্তৱায়নে পৰৱৰ্তী বছৰত আনন্দৰে প্ৰৱেশ কৰিবলৈ নতুন শক্তিক পুনৰ সজীৱ কৰি তোলে। ২০২৫ চনৰ আৰম্ভণি হৈছিল মহা কুম্ভৰ আয়োজনৰ দ্বাৰা, যিটো বিশ্বৰ সৰ্ববৃহৎ আধ্যাত্মিক সমাৱেশ আছিল। বৰ্ষটো শেষ হোৱাৰ লগে লগে, অযোধ্যাৰ শ্ৰী ৰাম জন্মভূমি মন্দিৰ সম্পূৰ্ণ হৈছে, যিয়ে প্ৰতিশ্ৰুতি আৰু অবিৰত প্ৰচেষ্টাই ফল প্ৰদান কৰে বুলি প্ৰমাণ কৰিছে। ভাৰতৰ গৌৰৱময় সাংস্কৃতিক ঐতিহ্যক সজীৱ কৰি তোলাৰ বাবে এই বছৰটো সহস্ৰাব্দৰ বাবে স্মৰণীয় হৈ থাকিব। ২৫ নৱেম্বৰত অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি মন্দিৰৰ শিখৰত ধৰ্ম ধ্বজা উত্তোলন কৰা অনুষ্ঠানটোৱে ভাৰতৰ ঐক্যৰ বাৰ্তা প্ৰেৰণ কৰিছে, "বিকাশ ভি ঔৰ বিৰাসত ভি" যুগৰ সূচনা কৰিছে। এই ধ্বজা ভাৰতীয় সভ্যতাৰ নৱজাগৰণৰ প্ৰতীক হৈ পৰিছে, আৰু ১৪ কোটি নাগৰিকেও ৰাম ৰাজ্যৰ নীতি-নিয়মৰ অনুকৰণেৰে এখন নতুন ভাৰত গঢ়িবলৈ সাজু হৈছে।

এই আজাদী কা অমৃত কালত ভগৱান শ্ৰীৰামে প্ৰদৰ্শন কৰা সংকল্পক গ্ৰহণ কৰিলে দেশখনৰ নতুন উচ্চতালৈ উত্থান ঘটিব। ভগৱান ৰামৰ কথা আৰু চিন্তাই হৈছে "সবকা সাথ, সবকা বিকাশ"ৰ আঁৰৰ প্ৰেৰণা আৰু "সবকা বিশ্বাস, সবকা প্ৰয়াস"ৰ এক সুদৃঢ় ভেটি। সঁচা অৰ্থত এই একেটা সংকল্পই বিগত কেইবছৰমানৰ পৰা এক বিকশিত ভাৰতৰ মূল শিলাস্তম্ভ হৈ পৰিছে। জাতীয় ঐক্যই হওক বা নাগৰিকৰ কৰ্তব্যবোধেই হওক, সাংস্কৃতিক ঐতিহ্যই নিঃসন্দেহে এটা জাতিক বিশ্বৰ সৈতে সংযোগ কৰে। এই দৃষ্টিভংগীৰে নিজৰ সাংস্কৃতিক ঐতিহ্যক লৈ গৌৰৱান্বিত ভাৰতে নিজৰ উল্লেখযোগ্য ইতিহাসক আঁকোৱালি লোৱাৰ সমান্তৰালভাৱে বৰ্তমানৰ লগত নতুন মাত্ৰা সংযোজন কৰিছে। একে সময়তে বিকাশ আৰু ঐতিহ্যক সাৰোগত কৰি ই এক উজ্জ্বল ভৱিষ্যতৰ চিত্ৰনাট্য লিখিছে। ২০২৫ চনৰ আমাৰ অন্তিম সংখ্যাটোৱে এক অমৰ মনোভাৱৰ বিজয়ক পুনৰ দৃঢ় কৰি তুলিছে, যাৰ শিখৰত উপনীত হৈছে সাংস্কৃতিক নৱজাগৰণৰ নতুন যুগ।

ব্যক্তিত্ব শিতানত এইবাৰ পঢ়ক ৰামানন্দ সাগৰৰ বিষয়ে, তেওঁ টিভি ধাৰাবাহিক ৰামায়ণৰ জৰিয়তে অপৰিসীম প্ৰশংসা লাভ কৰিছিল। এই সংখ্যাত সংবিধান দিৱস, চাৰিখন শ্ৰম সংহিতাৰ ৰূপায়ণ, জি-২০, আইএফএফআই, পাৰমাণৱিক শক্তি সম্পৰ্কে বিশেষ বিষয়বস্তু, কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত, আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পযেকীয়া কাৰ্যসূচী আদি আন উল্লেখযোগ্য বিষয়বোৰো সন্নিৱিষ্ট হৈ আছে।

ভিতৰৰ পৃষ্ঠাত মন কী বাত আৰু পিছফালৰ প্ৰচ্ছদত সুশাসন দিৱসো এই সংখ্যাৰ অংশ হৈ পৰিছে।

আপোনাসৱৰ পৰামৰ্শ আমালৈ প্ৰেৰণ কৰি থাকিব।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https: //newindiasamachar.pib.gov.in/

# মেইল বক্স




### নতুন আঁচনিৰ সৈতে আমাক পৰিচয় কৰাই দিয়ে

নিউ ইণ্ডিয়া সমাচাৰ পঢ়ি থকা মোৰ প্ৰায় এবছৰ হ'ল। মোৰ কলেজত মই এই আলোচনীখন পঢ়িবলৈ পাইছিলো আৰু তেতিয়াৰ পৰাই নিয়মিতভাৱে পঢ়ি আহিছো। এই আলোচনীখনৰ সন্দৰ্ভত মই ক'ব বিচাৰিছো যে ই জ্ঞানৰ ভাল উৎস নাইবা নতুন আঁচনি আৰু আনুষংগিক তথ্যৰ বিষয়ে জানিবলৈ ই মোৰ বাবে এক ভাল উৎস হৈছে। ইয়াৰ ভাষা অতি সহজ, আৰু তথ্য বিশ্লেষণ যথেষ্ট সঠিক। চৰকাৰীভাৱে অনুমোদিত এই আলোচনীখনত তথ্যসমৃদ্ধ লেখা প্ৰকাশ কৰাৰ বাবে ধন্যবাদ জনাইছো।

bidyanand1101@gmail.com

### ৰাষ্ট্ৰীয় উন্নয়ন আৰু সাম্প্ৰতিক ঘটনা সম্পৰ্কীয় তথ্যৰ এক বিশ্বাসযোগ্য মাধ্যম

মই তামিলনাডুৰ নিদামংগলমৰ শক্তিদাসন এম। ৰাষ্ট্ৰীয় উন্নয়ন আৰু সাম্প্ৰতিক পৰিস্থিতিৰ তথ্য আহৰণৰ বাবে অতি উপযোগী এই আলোচনীখনক লৈ মই অতিশয় সুখী হৈছো। প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা ছাত্ৰ-ছাত্ৰী আৰু চাকৰি প্ৰত্যাশীসকলৰ বাবে এই আলোচনীখন এক পথপ্ৰদৰ্শক।

salcthidasan87@gmail.com

### আকৰ্ষণীয় উপস্থাপন...

মই নিয়মিতভাৱে নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন পাওঁ। মই ইয়াক অতি তথ্যসমৃদ্ধ আৰু ভালদৰে উপস্থাপন কৰা বুলি বিবেচনা কৰোঁ। উদীয়মান আৰু প্ৰভাৱশালী খণ্ড হিচাপে কমিউনিটি ৰেডিঅ'ৰ ওপৰত এখন বিশেষ প্ৰতিবেদন প্ৰস্তুত কৰাৰ বিষয়ে বিবেচনা কৰিব বুলি মই বিনীত অনুৰোধ জনাইছোঁ। ই সমগ্ৰ দেশজুৰি স্থানীয় যোগাযোগ শক্তিশালী কৰি তুলিছে। এনে প্ৰতিবেদনে সংবাদ মাধ্যমৰ ভূমিকা আৰু সামাজিক উন্নয়নত ইয়াৰ অৱদানক উজ্জ্বল কৰি তোলাত বহুখিনি সহায় কৰিব।

এন এ শ্বাহ আনছাৰী

ansari.youngindiaût.gmail.com

### দেশৰ বিভিন্ন স্থানৰ পৰা সংগৃহীত তথ্যৰ এখন সমৃদ্ধ সংকলন

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীয়ে সমগ্ৰ দেশৰ উন্নয়নৰ কাহিনীৰে আমাৰ জ্ঞান সমৃদ্ধ কৰে। তেলুগু ভাষাৰ কপিটো উন্নত। কেন্দ্ৰীয় চৰকাৰে সামাজিক সুৰক্ষা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰি আদিবাসী উন্নয়নৰ ক্ষেত্ৰত উৎকৃষ্ট কাম কৰি আহিছে। অৱহেলিত সমাজৰ অৱস্থা উন্নত কৰিবলৈ প্ৰচলন কৰা বিভিন্ন আঁচনি আৰু নীতিসমূহ সঁচাই আকৰ্ষণীয়। এই আলোচনীখনে দেশৰ অগ্ৰগতিৰ অতি সুন্দৰ আভাস আগবঢ়াইছে।

exwarao.rayavarapu@gmail.com

যোগাযোগৰ ঠিকনা: কোঠা নং-১০৭৭, সুশান্ত ভৱন, চিজিঅ' কমপ্লেক্স, নতুন দিল্লী-১১০০০৩।
ই-মেইল: response-nis@pib.gov.in

আকাশবাণী সমাচাৰ
Akashvani

প্ৰতি শনিবাৰে-দেওবাৰে আবেলি ৩ বাজি ১০ মিনিটত আৰু ৩ বাজি ২৫ মিনিটত অল ইণ্ডিয়া ৰেডিঅ' এফএম গোল্ড যোগে নিউ ইণ্ডিয়া সমাচাৰ শুনিবলৈ কিউআৰ কোড স্কেন কৰক।

# সংক্ষিপ্ত সংবাদ

**ভাৰত চৰকাৰে আৰম্ভ কৰিছে ‘সকলোৰে বাবে যুৱ এআই’**

## সকলো নাগৰিকৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা (AI) অনাৰ বাবে সাজু হৈছে ভাৰত

ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে সকলো ভাৰতীয় বিশেষকৈ যুৱক-যুৱতীসকলৰ বাবে কৃত্ৰিম বুদ্ধি-মত্তাৰ জগতখন মুকলি কৰিবলৈ “Yuva Al for All“ আৰম্ভ কৰিছে। এইটোৱে হৈছে ইণ্ডিয়া এম মিছনৰ অধীনত আৰম্ভ কৰা এই ধৰণৰ প্ৰথমটো বিনামূলীয়া পাঠ্যক্ৰম। এই প্লেটফৰ্মে যিকোনো ঠাইত, যিকোনো সময়তে ৪.৫ ঘণ্টাৰ শিক্ষণৰ সুবিধা প্ৰদান কৰে আৰু সম্পূৰ্ণ হোৱাৰ পিছত চৰকাৰী প্ৰমাণ পত্ৰ প্ৰদান কৰে। এই পদক্ষেপৰ লক্ষ্য হৈছে এক কোটি নাগৰিকক এআই দক্ষতাৰে সৰলীকৰণ কৰা। এই পাঠ্যক্ৰমে বিশ্বব্যাপী জ্ঞানক ভাৰতীয় প্ৰেক্ষাপটৰ সৈতে একত্ৰিত কৰে আৰু নৈতিক, দায়িত্বশীল, আৰু অন্তৰ্ভুক্ত এআই ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে।






## কৃষি:
## আন এক কৃতিত্বৰ সংযোগ

দেশত খাদ্য শস্যৰ উৎপাদন ২০২৩-২৪ শস্য বৰ্ষৰ (জুলাই-জুন) ৩৩২.৩ মিলিয়ন টনৰ পৰা ২০২৪-২৫ শস্য বৰ্ষত অভিলেখ সৃষ্টিকাৰী ৩৫৭.৭ মিলিয়ন টনলৈ বৃদ্ধি পাইছে আৰু নতুন মাইলৰ খুঁটি অৰ্জন কৰিছে। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে বিশ্বাস কৰে যে এই অভিলেখ খাদ্য শস্য উৎপাদন কৃষকৰ প্ৰচেষ্টা, ন্যূনতম সমৰ্থন মূল্য (MSP) বৃদ্ধি, আৰু চৰকাৰী নীতিৰ ফল। যোৱা ১০ বছৰত খাদ্য শস্যৰ উৎপাদন ১০৬ মিলিয়ন টন বৃদ্ধি পাই ২০১৫-১৬ বিত্তীয় বৰ্ষৰ ২৫১.৫৪ মিলিয়ন টনৰ তুলনাত ২০২৪-২৫ বিত্তীয় বৰ্ষত ৩৫.৭.৭৩ মিলিয়ন টন হৈছেগৈ। চৰকাৰৰ তৈলবীজ অভিযানেও উৎসাহজনক ফলাফল লাভ কৰিছে, ২০২৩-২৪ শস্য বৰ্ষৰ ৩৯.৬৭ মিলিয়ন টনৰ তুলনাত ৮%তকৈ অধিক বৃদ্ধি পোৱা দেখা গৈছে।



## ই-জাগৃতিয়ে গ্ৰাহকক শক্তিশালী কৰিছে: ১.২৭ লাখ গোচৰৰ দ্ৰুত সমাধান কৰা হৈছে

গ্ৰাহকৰ অধিকাৰ সুৰক্ষা শক্তিশালী কৰাৰ বাবে ই-জাগৃতি মঞ্চই দ্ৰুতগতিত এক ফলপ্ৰসূ ডিজিটেল অভিযোগ নিৰাময় ব্যৱস্থা হিচাপে আত্মপ্ৰকাশ কৰিছে। গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয়ৰ তথ্য অনুসৰি, ২০২৫ চনৰ ১ জানুৱাৰীত আৰম্ভ হোৱাৰ পিছৰে পৰা এই প্লেটফৰ্মত ১৩৮৮জন প্ৰবাসী ভাৰতীয়কে ধৰি ২.৭৫ লাখৰো অধিক গ্ৰাহকে পঞ্জীয়ন কৰিছে। ১৩ নৱেম্বৰ পৰ্যন্ত এই প্লে টফৰ্মত ১.৩০ লাখৰো অধিক অভিযোগ দাখিল কৰা হৈছিল, ইয়াৰে ১.২৭ লাখৰো অধিক গোচৰৰ সমাধান কৰা হৈছে। এই প্লেটফৰ্মে বিদেশৰ পৰা অভিযোগ দাখিল কৰা, ভাৰ্চুৱেল শুনানি, আৰু বাস্তৱ সময়ৰ অনুসৰণৰ সুবিধা প্ৰদান কৰে, যাৰ ফলত সকলোৰে বাবে সুলভ ন্যায় নিশ্চিত হয়। কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ দ্বাৰা পৰিচালিত, বহুভাষিক আৰু সহজলভ্য ইণ্টাৰফেছে উপভোক্তাসকলৰ বাবে বাস্তৱ-সময়ৰ অনুসৰণ সুবিধাও প্ৰদান কৰিছে।



## ৰাষ্ট্ৰীয় পৰিচয় ডেটাবেছৰ সৰ্ববৃহৎ পৰিষ্কাৰ অভিযান...

### ২ কোটি মৃত ব্যক্তিৰ আধাৰ পৰিচয়পত্ৰ নিষ্ক্ৰিয় কৰা হৈছে

সঠিক আৰু নিৰ্ভৰযোগ্য তথ্যই উন্নত সিদ্ধান্ত গ্ৰহণ, দক্ষতা বৃদ্ধি, আৰু সমস্যা সমাধানত সহায় কৰে। সেইবাবেই ভাৰতীয় একক চিনাক্তকৰণ কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় তথ্যকোষৰ এতিয়ালৈকে সৰ্ববৃহৎ পৰিষ্কাৰ অভিযানৰ অংশ হিচাপে ২ কোটিৰো অধিক মৃত ব্যক্তিৰ আধাৰ সংখ্যা নিষ্ক্ৰিয় কৰিছে। ইয়াৰ উদ্দেশ্য হৈছে পৰিচয়ৰ সুৰক্ষা বৃদ্ধি কৰা, প্ৰৱঞ্চনা ৰোধ কৰা, আৰু ৰাজসাহায্যৰ অপব্যৱহাৰ দূৰ কৰা। ভাৰতৰ মহাপঞ্জীয়ক, ৰাজ্য, আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা পোৱা তথ্যৰ ভিত্তিত ইউআইডিএআইয়ে এই সিদ্ধান্ত গ্ৰহণ কৰে। কোনো ব্যক্তিলৈ আধাৰ নম্বৰ কেতিয়াও ডুপ্লিকেট কৰা নহয় বুলিও ইউআইডিএআইয়ে স্পষ্ট কৰি দিছে। ইউআইডিএআইয়ে মাইআধাৰ পৰ্টেলত মৃত ব্যক্তিৰ বিষয়ে অৱগত কৰাৰ পদক্ষেপো আৰম্ভ কৰিছে। পৰিয়ালৰ কোনো সদস্যই প্ৰয়োজনীয় প্ৰমাণ দি, নিজকে আৰু মৃত ব্যক্তিৰ আধাৰ নম্বৰ প্ৰমাণিত কৰি, মৃত ব্যক্তিৰ পঞ্জীয়ন নম্বৰ প্ৰদান কৰি আধাৰ নম্বৰ বন্ধ কৰাৰ বাবে জনাব পাৰে।




*মাইআধাৰ পৰ্টেলত প্ৰৱেশ কৰিবলৈ স্কেন কৰক*




## ভাৰতীয় নৌসেনাৰ যুদ্ধ জাহাজ মাহে উৎক্ষেপণ, ল'গ' উন্মোচন

থলুৱা জাহাজ নিৰ্মাণ যাত্ৰাৰ আন এক মাইলৰ খুঁটি চিহ্নিত কৰি ভাৰতীয় নৌসেনাই মুম্বাইৰ নৌ ডকয়াৰ্ডত মাহে শ্ৰেণীৰ প্ৰথমখন ছাবমেৰিন-বিৰোধী অগভীৰ পানীৰ জাহাজ (ASW-SWC) মাহে উৎক্ষেপণ কৰে। ইয়াৰ পূৰ্বে ইয়াৰ ল'গ' উন্মোচন কৰা হৈছিল। জাহাজখনৰ শিখৰত "উৰুমি" নামৰ কলাৰিপায়াটুৰ নমনীয় তৰোৱালখন অংকিত আছে। ই প্ৰাণচঞ্চল, নিখুঁত আৰু মাৰাত্মক শক্তিৰ প্ৰতীক। কোচিৰ কোচিন শ্বিপয়াৰ্ড লিমিটেড (চিএছআই)ত নিৰ্মাণ কৰা হৈছিল মাহেক। ই আত্মনিৰ্ভৰ ভাৰত পদক্ষেপৰ এক অত্যাধুনিক উদাহৰণ। জাহাজখনৰ মূলমন্ত্ৰ "নীৰৱ চিকাৰী" (ছাইলেণ্ট হাণ্টাৰ্ছ')য়ে ইয়াৰ নীৰৱতা, সতৰ্কতা আৰু অটল সংকল্পৰ প্ৰতীক বহন কৰে। জাহাজখন সৰু যদিও শক্তিশালী। ছাবমেৰিন ধৰা পেলোৱা, উপকূলীয় অঞ্চলত টহল চলোৱা আৰু দেশৰ গুৰুত্বপূৰ্ণ সাগৰীয় পথসমূহ সুৰক্ষিত কৰাৰ বাবে ডিজাইন কৰা এইখন জাহাজ ৮০ শতাংশতকৈ অধিক থলুৱা সামগ্ৰীৰে নিৰ্মাণ কৰা হৈছে।




## "নয়ী চেতনা - পৰিৱৰ্তনৰ বাবে পদক্ষেপ" -অভিযানৰ চতুৰ্থ সংস্কৰণৰ শুভাৰম্ভ

লিংগ সমতা আৰু মহিলা সৱলীকৰণৰ প্ৰসাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে "নয়ী চেতনা-পৰিৱৰ্তনৰ বাবে পদক্ষেপ" অভিযানৰ চতুৰ্থ সংস্কৰণ আৰম্ভ কৰিছে। এই জাতীয় অভিযান ভাৰতৰ গ্ৰাম্য অঞ্চলৰ মহিলাসকলৰ সুৰক্ষা, মৰ্যাদা, আৰু অৰ্থনৈতিক অংশগ্ৰহণ শক্তিশালী কৰাৰ বাবে এক গণ আন্দোলনত পৰিণত হৈছে। নয়ী চেতনা অভিযানে নাৰীৰ মৰ্যাদা, নিৰাপত্তা, আৰু আত্মনিৰ্ভৰশীলতাক প্ৰসাৰিত কৰিছে। ই মহিলাসকলৰ সম্পত্তি, ঋণ, দক্ষতা, আৰু বজাৰৰ সুবিধা বৃদ্ধিৰ বাবে চেষ্টা কৰে, যাৰ ফলত তেওঁলোকৰ বাবে উদ্যোগীকৰণৰ লগতে জীৱিকাৰ সুযোগ সম্প্ৰসাৰিত হয়। গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ অধীনস্থ দীনদয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ উদ্যোগত ই হৈছে দেশজোৰা অভিযান। ২০২৫ চনৰ ২৩ ডিচেম্বৰলৈকে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত চলিব এই অভিযান।



# প্ৰতিখন ঘৰৰ দুৱাৰমুখলৈ ৰামায়ণ নিয়া মানুহজন

গুৰুত্বপূৰ্ণ মহাকাব্য আৰু পবিত্ৰ গ্ৰন্থ ৰামায়ণৰ ভাৰত আৰু হিন্দু ধৰ্ম সংস্কৃতিৰ বাবে অপৰিসীম তাৎপৰ্য আছে। ৰামায়ণ নামটো যেতিয়াই লোৱা হয় তেতিয়াই একে উশাহতে মনলৈ আহে ৰামানন্দ সাগৰৰ নামটো। ১৯৮০ চনত দূৰদৰ্শনত প্ৰথমবাৰৰ বাবে প্ৰচাৰিত ধাৰাবাহিক ৰামায়ণৰ বাবে তেওঁ প্ৰশংসা লভিছে। অভিনেতাসকলে অভিনয় কৰা চৰিত্ৰবোৰ ইমানেই বাস্তৱিক আছিল যে সেইবোৰ অমৰ হৈ ৰ'ল।



জন্ম ঃ ২৯ ডিচেম্বৰ, ১৯১৭, মৃত্যু ঃ ১২ ডিচেম্বৰ, ২০০৫

১৯৮৭ চনত প্ৰথম খণ্ড সম্প্ৰচাৰিত হোৱাৰ পৰাই ই জনসাধাৰণৰ আৱেগ জগাই তুলিছিল। প্ৰতি দেওবাৰে পুৰা মানুহবোৰ টেলিভিছন চেটৰ সন্মুখত ৰামায়ণ চাবলৈ আঠা লাগি পৰিছিল বাবে ৰাস্তাবোৰ খালী হৈ থাকিছিল। চৰিত্ৰবোৰ ইমানেই জনপ্ৰিয় আছিল যে ৰাম আৰু সীতা পৰ্দাত দেখা দিয়াৰ লগে লগে, মানুহে শ্ৰদ্ধাৰে হাতযোৰ কৰি সেৱা কৰিছিল। এই ধাৰাবাহিকখনৰ আঁৰৰ মানুহজন আন কোনো নহয়, নিজৰ প্ৰডাকচন কোম্পানী সাগৰ আৰ্টছৰ জৰিয়তে প্ৰযোজনা আৰু পৰিচালনা কৰা ৰামানন্দ সাগৰ নামৰ এই মানুহজন। ৰামায়ণৰ জনপ্ৰিয়তা এইখিনিৰ পৰাই অনুমান কৰিব পাৰি যে ইয়াৰ ৭৮টা খণ্ড সম্পূৰ্ণ হোৱাৰ পিছত দৰ্শকে লৱ আৰু কুশৰ কাহিনী নিৰ্মাণৰ বাবে দাবী জনাইছিল।

১৯১৭ চনৰ ২৯ ডিচেম্বৰত লাহোৰত জন্ম হোৱা ৰামানন্দক মাকে নাম ৰাখিছিল চন্দ্ৰমৌলি। কিন্তু তেওঁ শৈশৱতে মাতৃক হেৰুৱালে। মাকৰ মৃত্যুৰ পিছত আইতাকে তেওঁক তুলি লৈ নাম সলনি কৰি ৰামানন্দ কৰি লয়। এইদৰে চন্দ্ৰমৌলি চোপ্ৰাক ৰামানন্দ সাগৰ নাম দিয়া হ'ল। শৈশৱত তেওঁ বহুতো কষ্টৰ মুখামুখি হৈছিল; অধ্যয়নৰ প্ৰতি গভীৰ আগ্ৰহ থকাৰ পিছতো তেওঁ পঢ়া-শুনা কৰাত বহু বাধা পাইছিল। অৱশেষত তেওঁ চলচ্চিত্ৰ জগতত ভৰি থৈ সফলতাৰ নতুন উচ্চতা লাভ কৰিব সক্ষম হৈছিল। পৰৱৰ্তী সময়ত তেওঁ ইলেকট্ৰনিক মাধ্যমৰ জৰিয়তে ভগৱান শ্ৰীৰামৰ মৰ্যাদা, আদৰ্শ, শিক্ষাক প্ৰতিপালন কৰি সৰু পৰ্দাত ৰামায়ণক সজীৱ কৰি তুলিছিল। ইয়াৰ উপৰিও তেওঁ কেইবাখনো ৰোমাণ্টিক চিনেমাৰ লগতে 'চৰছ' আৰু 'জল্‌তে বদন'ৰ দৰে বহু প্ৰশংসিত চিনেমা নিৰ্মাণ কৰিছিল আৰু ধাৰাবাহিক নিৰ্মাণৰ ক্ষেত্ৰতো সাহস কৰিছিল। তেওঁৰ বিখ্যাত টিভি ধাৰাবাহিকসমূহৰ ভিতৰত হৈছে বিক্ৰম ঔৰ বেতাল, দাদা-দাদী কি কহানিয়া, ৰামায়ণ, কৃষ্ণ, আলিফ লাইলা, জয় গংগা মাইয়া আদি।

২০২০ চনত যেতিয়া দেশত কোভিড প্ৰৱেশ কৰিছিল, ২১ দিনীয়া লকডাউনৰ সময়ত জনসাধাৰণৰ স্বাৰ্থত, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় আৰু প্ৰসাৰ ভাৰতীয়ে ৰামানন্দ সাগৰৰ ৰামায়ণক ২৮ মাৰ্চ, ২০২০ৰ পৰা দূৰদৰ্শনত পুনৰ টেলিকাষ্ট কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ পুনৰ সম্প্ৰচাৰৰ বাবে ৰাজহুৱা দাবী উত্থাপন হোৱাৰ পিছত এই সিদ্ধান্ত লোৱা হৈছিল। পুনৰ টেলিকাষ্টৰ জৰিয়তে ৰামায়ণে পুনৰবাৰ নিজৰ জনপ্ৰিয়তা প্ৰমাণ কৰিলে, সৰু পৰ্দাত পুনৰ প্ৰচাৰ হোৱাৰ লগে লগে ৰামায়ণে সকলো টিআৰপিৰ অভিলেখ ভংগ কৰিলে।

শিল্পক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে ৰামানন্দ সাগৰক ২০০০ চনত ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰিছিল। ভাৰতীয় সংস্কৃতি আৰু ধৰ্মীয় মূল্যবোধৰ সংৰক্ষণ আৰু প্ৰসাৰৰ প্ৰতীক ৰামানন্দ সাগৰৰ ২০০৫ চনৰ ১২ ডিচেম্বৰত মৃত্যু হয়।

# ভাৰতীয় সংবিধান: দেশৰ বৰ্তমান আৰু ভৱিষ্যতৰ পথ প্ৰদৰ্শক

**ভাৰতৰ সংবিধানেই দেশখনৰ বৰ্তমান আৰু ভৱিষ্যতৰ পথ প্ৰদৰ্শক। বিগত ৭৬ বছৰত দেশখনে যিয়েই প্ৰত্যাহ্বানৰ মুখামুখি নহওক কিয়, আমাৰ সংবিধানে সেইবোৰৰ প্ৰতিটোৰে সমাধানৰ সঠিক পথ দেখুৱাইছে। আজি ভাৰতবৰ্ষ এক বৃহৎ পৰিৱৰ্তনৰ সময়ৰ মাজেৰে গতি কৰিছে। ই এক স্বাৱলম্বী আৰু উন্নত ৰাষ্ট্ৰ হোৱাৰ পথত আগবাঢ়িছে। এনে এক গুৰুত্বপূৰ্ণ সময়ত ভাৰতৰ সংবিধানে আমাক পথ প্ৰদৰ্শন কৰি আছে। সংবিধান দিৱস উপলক্ষে ২৬ নৱেম্বৰত সংবিধান সদনৰ কেন্দ্ৰীয় হলত বৃহৎ উদযাপনৰ আয়োজন কৰা হয়, লগতে দেশজোৰা সংবিধান দিৱসৰ অনুষ্ঠানসমূহৰ আয়োজন কৰা হয়...**

যিসকলে স্বাধীনতাৰ বাবে জীয়াই আছিল আৰু মৃত্যুক আঁকোৱালি লৈছিল সেইসকলৰ বহু সপোন আছিল। সেই সপোন আৰু হাজাৰ হাজাৰ বছৰ ধৰি বিস্তৃত ভাৰতৰ মহান পৰম্পৰাক লালন-পালন কৰি আমাৰ সংবিধান নিৰ্মাতাসকলে আমাক সংবিধানখন দিলে। ভাৰতক "গণতন্ত্ৰৰ মাতৃ" বুলি কোৱা হয়। আমাৰ সংবিধানে "গণতন্ত্ৰৰ মাতৃ" হিচাপে ভাৰতৰ স্থিতি শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আজি আমি গৌৰৱ অনুভৱ কৰা ভাৰতৰ সংবিধানত বাবা চাহেব আম্বেদকাৰৰ সৱল নেতৃত্বৰ অমলিন ছাপ আছে। তেওঁ সমাজৰ প্ৰতিটো শ্ৰেণীৰ কল্যাণ নিশ্চিত কৰিছিল। সকলোৰে বাবে সমতা আৰু সকলোৰে প্ৰতি সংবেদনশীলতা আমাৰ সংবিধানৰ চিহ্ন। ই দৰিদ্ৰ, দলিত, পিছপৰা, বঞ্চিত, জনজাতীয়, আৰু মহিলাৰ সুৰক্ষাৰ লগতে প্ৰতিজন নাগৰিকৰ মৌলিক অধিকাৰ আৰু তেওঁলোকৰ স্বাৰ্থ ৰক্ষা কৰে। সংবিধানৰ গুৰুত্বক স্বীকাৰ কৰি নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে ২০১০ চনত সংবিধান গৌৰৱ যাত্ৰাৰ উদ্যম লৈছিল। ২০১৫ চনত প্ৰধানমন্ত্ৰী হোৱাৰ পিছত তেওঁ ২৬ নৱেম্বৰ দিনটো সংবিধান দিৱস হিচাপে উদযাপন কৰাৰ কথা ঘোষণা কৰে। সংবিধান দিৱসৰ স্থাপনা কৰি, তেওঁ দেশবাসীক গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি অধিক সচেতন কৰি তোলাৰ কাম কৰিছিল।

একাদশ সংবিধান দিৱস উপলক্ষে সমগ্ৰ ৰাষ্ট্ৰই অতি উৎসাহ আৰু উদ্যমেৰে এই দিৱস পালন কৰে। সংবিধান দিৱস উপলক্ষে ভাৰতৰ ৰাষ্ট্ৰপতিগৰাকীয়ে সংসদৰ দুয়োখন সদনৰ সদস্যসকলক সম্বোধন





## সংবিধান দিৱসত প্ৰধানমন্ত্ৰী মোদীয়ে নাগৰিকৰ সৈতে এখন চিঠি শ্বেয়াৰ কৰে। এইখন হ'ল...

মোৰ সতীৰ্থ ভাৰতীয়সকল,
নমস্কাৰ...

২৬ নৱেম্বৰ তাৰিখটো প্ৰতিজন ভাৰতীয়ৰ বাবে অতি গৌৰৱৰ দিন। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই ভাৰতৰ সংবিধান গ্ৰহণ কৰে। এইখন এখন পবিত্ৰ নথি, যি স্পষ্টতা আৰু দৃঢ়তাৰে ৰাষ্ট্ৰৰ প্ৰগতিৰ পথ প্ৰদৰ্শন কৰি আহিছে। সেইবাবেই প্ৰায় এক দশক পূৰ্বে ২০১৫ চনত এনডিএ চৰকাৰে ২৬ নৱেম্বৰৰ দিনটো সংবিধান দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত লৈছিল। আমাৰ সংবিধানৰ শক্তিৰ বাবেই মোৰ দৰে এজন সাধাৰণ আৰু আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ লোকে ২৪ বছৰৰো অধিক সময় ধৰি নীৰৱচ্ছিন্নভাৱে চৰকাৰৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব পাৰিছো। মই এতিয়াও ২০১৪ চনৰ সেই মুহূৰ্তবোৰ মনত ৰাখিছো, যেতিয়া মই প্ৰথমবাৰৰ বাবে সংসদলৈ আহি গণতন্ত্ৰৰ মহত্তম মন্দিৰৰ পদূলিত সেৱা জনাইছিলো। পুনৰবাৰ ২০১৯ চনত নিৰ্বাচনৰ ফলাফলৰ পাছত যেতিয়া মই সংবিধান সদনৰ চেণ্ট্ৰেল হলত প্ৰৱেশ কৰিছিলো আৰু সন্মানৰ চিন স্বৰূপে মই সংবিধানখন শিৰত ৰাখি মুৰ দোৱাইছিলোঁ। এই সংবিধানখনে মোৰ দৰে বহুজনক সপোন দেখাৰ আৰু সেই সপোন পূৰণ কৰাৰ বাবে কাম কৰিবলৈ শক্তি প্ৰদান কৰিছে।

সংবিধান দিৱসৰ দিনা আমি ড০ ৰাজেন্দ্ৰ প্ৰসাদৰ অধ্যক্ষতাত অনুষ্ঠিত সংবিধান সভাৰ সকলো অনুপ্ৰেৰণাদায়ক সদস্যক স্মৰণ কৰিছো, যিসকলে সংবিধান ৰচনাত বৰঙনি আগবঢ়াইছিল। আমি ড০ বাবাচাহেব আম্বেদকাৰৰ প্ৰচেষ্টাক স্মৰণ কৰিছো, যিয়ে অসাধাৰণ দূৰদৃষ্টিৰে খচৰা কমিটিৰ অধ্যক্ষতা কৰিছিল। সংবিধান সভাৰ কেইবাগৰাকীও বিশিষ্ট মহিলা সদস্যই তেওঁলোকৰ চিন্তাশীল অৱদান আৰু দূৰদৰ্শী দৃষ্টিভংগীৰে সংবিধানখনক সমৃদ্ধ কৰিছিল।

মোৰ মনটো ২০১০ চনলৈ উভতি গৈছে। সেইদিনা ভাৰতৰ সংবিধানৰ ৬০ বছৰ সম্পূৰ্ণ হৈছিল। কিন্তু দুখৰ কথা যে সেই দিনটোৱে ৰাষ্ট্ৰীয় পৰ্যায়ত যথোচিত গুৰুত্ব লাভ কৰা নাছিল। কিন্তু আমি সংবিধানৰ প্ৰতি আমাৰ কৃতজ্ঞতা আৰু প্ৰতিশ্ৰুতি প্ৰকাশ কৰিবলৈ গুজৰাটত 'সংবিধান গৌৰৱ যাত্ৰা'ৰ আয়োজন কৰিছিলো। আমাৰ সংবিধানখন এটা হাতীৰ ওপৰত স্থাপন কৰা হৈছিল আৰু বিভিন্ন শ্ৰেণীৰ লোকসকলৰ সৈতে মই

এই শোভাযাত্ৰাৰ অংশ হ'বলৈ পাই ধন্য মানিছিলো। যেতিয়া সংবিধানৰ ৭৫ বছৰ সম্পূৰ্ণ হ'ল, আমি সিদ্ধান্ত ল'লো যে এয়া ভাৰতৰ জনসাধাৰণৰ বাবে এক অসাধাৰণ মাইলৰ খুঁটি হ'ব। এই ঐতিহাসিক ক্ষণত আমি সংসদৰ এখন বিশেষ অধিৱেশন আয়োজন কৰাৰ লগতে দেশজুৰি বিভিন্ন কাৰ্যসূচীও আৰম্ভ কৰিলো। এই কাৰ্যসূচীত অভিলেখসংখ্যক লোকে অংশগ্ৰহণ কৰিছিল।

এই বছৰৰ সংবিধান দিৱস বিভিন্ন কাৰণত বিশেষ গুৰুত্বপূৰ্ণ। দুগৰাকী অসাধাৰণ ব্যক্তি চৰ্দাৰ বল্লভভাই পেটেল আৰু ভগৱান বীৰছা মুণ্ডাৰ ১৫০ সংখ্যক জন্ম জয়ন্তী। দুয়োজনে আমাৰ দেশলৈ অপৰিসীম অৱদান আগবঢ়াইছিল। চৰ্দাৰ পেটেলৰ দূৰদৰ্শী নেতৃত্বই ভাৰতৰ ৰাজনৈতিক একত্ৰীকৰণ সুনিশ্চিত কৰিছিল। তেওঁৰ অনুপ্ৰেৰণা আৰু দৃঢ় বিশ্বাসৰ সাহসে আমাক অনুচ্ছেদ ৩৭০ আৰু অনুচ্ছেদ ৩৫(ক)ৰ বিৰুদ্ধে কাম কৰিবলৈ প্ৰেৰণা যোগাইছিল। ভাৰতৰ সংবিধান এতিয়া সম্পূৰ্ণৰূপে জম্মু আৰু কাশ্মীৰত কাৰ্যকৰী হৈছে, য'ত জনসাধাৰণ, বিশেষকৈ মহিলাসকল আৰু অনগ্ৰসৰ সম্প্ৰদায়ৰ বাবে সকলো সাংবিধানিক অধিকাৰ নিশ্চিত কৰা হৈছে। ভগৱান বীৰছা মুণ্ডাৰ জীৱনযাত্ৰাই জনজাতিসকলৰ ন্যায়, মৰ্যাদা আৰু সবলীকৰণৰ বাবে ভাৰতৰ সংকল্পক অনুপ্ৰাণিত কৰি আহিছে।

এই বছৰত আমি 'বন্দে মাতৰম'ৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তিও উদযাপন কৰিছো, যিটো গীতৰ কথাবোৰে যুগ যুগ ধৰি ভাৰতীয়সকলৰ সামূহিক সংকল্পক প্ৰতিধ্বনিত কৰি আহিছে। একে সময়তে, আমি শ্ৰী গুৰু টেগ বাহাদুৰ জীৰ ৩৫০ সংখ্যক শ্বহীদ দিৱস পালন কৰিছো, যাৰ জীৱন আৰু ত্যাগে আমাক সাহস, কৰুণা আৰু শক্তিৰে আলোকিত কৰি আহিছে।

এই সকলো ব্যক্তিত্ব আৰু মাইলৰ খুঁটিয়ে আমাক আমাৰ কৰ্তব্যৰ প্ৰাধান্যৰ কথা সোঁৱৰাই দিয়ে, যিটো সংবিধানৰ ৫১-ক অনুচ্ছেদত মৌলিক কৰ্তব্যৰ বিষয়ে এক বিশেষ অধ্যায়ৰ জৰিয়তে জোৰ দিয়া হৈছে। এই কৰ্তব্যবোৰে আমাক সামাজিক আৰু অৰ্থনৈতিক প্ৰগতি সাধন কৰাৰ পথ প্ৰদৰ্শন কৰে। মহাত্মা গান্ধীয়ে সদায় নাগৰিকৰ কৰ্তব্যৰ ওপৰত জোৰ দিছিল। তেওঁ বিশ্বাস কৰিছিল যে এটা কৰ্তব্য ভালদৰে পালন কৰিলেই ইয়াৰ সৈতে সম্পৰ্কিত এটা অধিকাৰ সৃষ্টি হয় আৰু কৰ্তব্য পালন কৰিলেই প্ৰকৃত অধিকাৰ পোৱা যায়।

এই শতিকাৰ আৰম্ভণিৰ পৰা ২৫ বছৰ ইতিমধ্যে পাৰ হৈ গ'ল। আজিৰ পৰা মাত্ৰ দুটা দশকৰ ভিতৰতে আমি ঔপনিবেশিক শাসনৰ পৰা মুক্ত হোৱাৰ এশ

কৰে। ৰাষ্ট্ৰপতিয়ে সংবিধান দিৱস উপলক্ষে সংসদৰ উভয় সদনৰ সদস্যসকলক সম্বোধন কৰে। এই অনুষ্ঠানত ভাৰতৰ উপ-ৰাষ্ট্ৰপতি, ৰাজ্যসভাৰ অধ্যক্ষ, প্ৰধানমন্ত্ৰী, লোকসভাৰ অধ্যক্ষ, উভয় সদনৰ বিৰোধী দলৰ নেতা আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। সংবিধান দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ ঐতিহাসিক চেণ্ট্ৰেল হলত অনুষ্ঠিত সংবিধান দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে তেওঁ ভাৰতীয় সংবিধানৰ নিৰ্মাতাসকলৰ দৃষ্টিভংগীৰ কথা স্মৰণ কৰে আৰু সাংবিধানিক

বছৰ সম্পূৰ্ণ হ'ব। ২০৪৯ চনত সংবিধান গৃহীত হোৱাৰ এশ বছৰ হ'ব। আমি যি নীতি প্ৰস্তুত কৰো, যি সিদ্ধান্ত গ্ৰহণ কৰো আৰু আমাৰ সামূহিক পদক্ষেপেই ভৱিষ্যৎ প্ৰজন্মৰ জীৱনক আকাৰ প্ৰদান কৰিব। ইয়াৰ দ্বাৰা অনুপ্ৰাণিত হৈ আমি বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে আগবাঢ়ি যাওঁতে আমি সদায় নিজৰ ৰাষ্ট্ৰৰ প্ৰতি কৰ্তব্যক আমাৰ মনত প্ৰাধান্য দিয়া উচিত।

আমাৰ দেশে আমাক বহুত দিছে আৰু ইয়াৰ বাবে আমাৰ অন্তৰৰ পৰা কৃতজ্ঞতাৰ গভীৰ অনুভূতি জাগি উঠে। আৰু যেতিয়া আমি এই অনুভূতিৰ সৈতে জীয়াই থাকো, তেতিয়া আমাৰ কৰ্তব্য পালন কৰাটো আমাৰ স্বভাৱৰ এক অবিচ্ছেদ্য অংগ হৈ পৰে। আমাৰ কৰ্তব্য পালন কৰিবলৈ হ'লে প্ৰতিটো কামতে আমাৰ সম্পূৰ্ণ সামৰ্থ্য আৰু নিষ্ঠা প্ৰদৰ্শন কৰাটো জৰুৰী হৈ পৰে। আমাৰ প্ৰত্যেকটো কাৰ্যই সংবিধানক শক্তিশালী কৰি ৰাষ্ট্ৰীয় লক্ষ্য আৰু স্বাৰ্থক আগুৱাই নিব লাগিব। আমাৰ সংবিধানৰ প্ৰণেতাসকলৰ সপোন পূৰণ কৰাটো আমাৰ সকলোৰে দায়িত্ব। যেতিয়া আমি দায়িত্ববোধেৰে কাম কৰিম, তেতিয়া আমাৰ দেশৰ সামাজিক আৰু অৰ্থনৈতিক প্ৰগতি বহুগুণে বৃদ্ধি পাব। আমাৰ সংবিধানে আমাক ভোটদানৰ অধিকাৰ দিছে। নাগৰিক হিচাপে আমাৰ কৰ্তব্য হ'ল আমি পঞ্জীয়নভুক্ত ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু স্থানীয় নিৰ্বাচনত ভোটদান কৰাৰ সুযোগ কেতিয়াও হেৰুৱাব নালাগে। আনক অনুপ্ৰাণিত কৰাৰ বাবে আমি প্ৰতি বছৰে ২৬ নৱেম্বৰত বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ১৮ বছৰ সম্পূৰ্ণ কৰা যুৱক-যুৱতীসকলক সম্বৰ্ধনা জনোৱাৰ বাবে বিশেষ অনুষ্ঠানৰ আয়োজন কৰাৰ কথা ভাবিব পাৰো। ইয়াৰ জৰিয়তে আমাৰ প্ৰথমবাৰৰ ভোটদাতাসকলে অনুভৱ কৰিব যে তেওঁলোক কেৱল ছাত্ৰ নহয়, তেওঁলোক ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াৰ সক্ৰিয় অংশীদাৰ।

যেতিয়া আমি আমাৰ যুৱ প্ৰজন্মক দায়িত্ববোধ আৰু গৌৰৱৰ সৈতে অনুপ্ৰাণিত কৰো, তেতিয়া তেওঁলোকে তেওঁলোকৰ গোটেই জীৱন গণতন্ত্ৰৰ মূল্যবোধৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হৈ থাকিব। প্ৰতিশ্ৰুতিবদ্ধতাৰ এই অনুভূতি হৈছে এখন শক্তিশালী ৰাষ্ট্ৰৰ ভেটি।

আহক, এই সংবিধান দিৱসৰ দিনা আমি এই মহান ৰাষ্ট্ৰৰ নাগৰিক হিচাপে আমাৰ কৰ্তব্য পালন কৰাৰ প্ৰতিশ্ৰুতি দোহাৰো। ইয়াৰ জৰিয়তে আমি সকলোৰে বিকশিত আৰু সবল ভাৰত গঢ়াত সাৰ্থক অৱদান আগবঢ়াব পাৰো।

আপোনালোকৰ
নৰেন্দ্ৰ মোদী



## পেৰিছৰ ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত আম্বেদকাৰৰ প্ৰতিমূৰ্তি

সংবিধান দিৱস উপলক্ষে পেৰিছৰ ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত ড০ বি আৰ আম্বেদকাৰৰ প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিমূৰ্তি উন্মোচনক লৈ গৌৰৱ প্ৰকাশ কৰে। তেওঁ কয় যে সংবিধান দিৱসৰ দিনা পেৰিছৰ ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত ড০ বাবাসাহেব আম্বেদকাৰৰ প্ৰতিমূৰ্তি উন্মোচন কৰাটো এক সন্মানৰ বিষয়। এয়া ড০ আম্বেদকাৰ আৰু আমাৰ সংবিধান ৰচনাৰ ক্ষেত্ৰত তেওঁৰ ভূমিকাৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি। তেওঁৰ চিন্তাধাৰা আৰু আদৰ্শই অগণন লোকক শক্তি আৰু আশা প্ৰদান কৰে।

## প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত সংবিধানৰ প্ৰস্তাৱনা পাঠ

সংবিধান দিৱস উপলক্ষে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হয়। প্ৰস্তাৱনা পাঠৰ সময়ত উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। তেওঁলোকৰ ভিতৰত প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব ড০ পি.কে. মিশ্ৰ, প্ৰধানমন্ত্ৰীৰ দ্বিতীয় প্ৰধান সচিব শক্তিকান্ত দাস, প্ৰধানমন্ত্ৰীৰ বিশেষ সচিব তৰুণ কাপুৰ আৰু আতিশ চন্দ্ৰৰ লগতে আন একাংশ বিষয়া উপস্থিত থাকে।

আদৰ্শসমূহ শক্তিশালী কৰাৰ বাবে ৰাষ্ট্ৰৰ সামূহিক দায়িত্বৰ কথা দোহাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতৰ সংবিধানত মানৱীয় মৰ্যাদা, সমতা আৰু স্বাধীনতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয় যে সংবিধানে নাগৰিকসকলক অধিকাৰ প্ৰদান কৰাৰ সমান্তৰালভাৱে তেওঁলোকৰ কৰ্তব্যৰ কথাও সোঁৱৰাই দিয়ে, যিবোৰ অতি আন্তৰিকতাৰে আৰু দায়বদ্ধতাৰে পালন কৰিব লাগিব। তেওঁ গুৰুত্ব আৰোপ কৰি কয় যে এই কৰ্তব্যসমূহ শক্তিশালী আৰু সজীৱ গণতন্ত্ৰৰ আধাৰ। ৰাষ্ট্ৰৰ সংকল্পক পুনৰ দোহাৰি প্ৰধানমন্ত্ৰী মোদীয়ে নাগৰিকসকলক তেওঁলোকৰ কাৰ্যৰ জৰিয়তে সাংবিধানিক মূল্যবোধক শক্তিশালী কৰিবলৈ আহ্বান জনায়, যাৰ জৰিয়তে দেশৰ প্ৰগতি আৰু একতাৰ প্ৰতি অৱদান আগবঢ়াব।

এই অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ভাৰতৰ ৯টা ভাষা ক্ৰমে- মালায়ালম, মাৰাঠী, নেপালী, পাঞ্জাৱী, বড়ো, কাশ্মীৰী, তেলুগু, ওড়িয়া আৰু অসমীয়া ভাষাত ভাৰতীয় সংবিধানৰ অনুবাদ সংস্কৰণ ডিজিটেল মাধ্যমত মুকলি কৰে। তেওঁ লগতে গণ্য-মান্য ব্যক্তিসকলৰ দ্বাৰা সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰে, যিয়ে দেশৰ সাংবিধানিক নীতিৰ ওপৰত গভীৰ বিশ্বাস আৰু গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি দায়বদ্ধতা প্ৰতিফলিত কৰে।



*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ QR ক'ড স্কেন কৰক।*

প্ৰচ্ছদ নিবন্ধ

সাংস্কৃতিক নৱজাগৰণ

ধৰ্ম ধ্বজাৰোহণে শ্ৰীৰাম মন্দিৰৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাটো বুজায়

# শতাব্দী প্ৰাচীন বিশ্বাসৰ সপোন পূৰণ





২০২৪ চনটো স্থায়ী সাফল্যৰ নতুন যুগৰ আধাৰ বৰ্ষত পৰিণত হ'ল, কিয়নো ছয় দশকৰ পাছত জনসাধাৰণৰ অদম্য আস্থাৰে এখন চৰকাৰে একেৰাহে তৃতীয়বাৰৰ বাবে পুনৰ ক্ষমতাত অধিষ্ঠিত হ'ল। মহাকুম্ভৰ আধ্যাত্মিক মণ্ডলীৰে আৰম্ভ হোৱা ২০২৫ বৰ্ষটো এই আস্থাৰ এক কালজয়ী অধ্যায়। সাংস্কৃতিক দিশৰ পৰা গৌৰৱোজ্জ্বল এই বৰ্ষটোৰ অন্তিম ক্ষণত অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি মন্দিৰৰ শীৰ্ষত পবিত্ৰ ধৰ্মধ্বজা উত্তোলন কৰা হয়। এই কাৰ্যসূচী শ শ বছৰৰ প্ৰতীক্ষিত মন্দিৰ নিৰ্মাণৰ সমাপ্তিৰ প্ৰতীক। বিগত ১১ বছৰত সাংস্কৃতিক ঐতিহ্যৰ পুনৰুজ্জীৱিতকৰণে সামগ্ৰিক বিকাশৰ বাবে এক অনুঘটক হিচাপে কাম কৰিছে আৰু ১৪০ কোটি নাগৰিকে এই পৰিৱৰ্তনৰ সাক্ষী হৈছে।

আহক, এই বৰ্ষৰ শেষ ভাগত আমি অন্বেষণ কৰো, কিদৰে অমৃত কালৰ যুগত দেশখনে ইয়াৰ সাংস্কৃতিক ঐতিহ্য আৰু গৌৰৱক নতুন মহিমা প্ৰদান কৰিছে, কিয়নো ই এখন বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে কাম কৰি আছে...

এই ধ্বজা হৈছে সংগ্ৰামৰ জৰিয়তে সৃষ্টিৰ কাহিনী, এই ধ্বজা হৈছে শতিকাজুৰি লালিত-পালিত হৈ অহা সপোনৰ প্ৰতীক। এই ধ্বজা হ'ল সাধুসকলৰ তপস্যা আৰু সমাজৰ অংশগ্ৰহণৰ এক অৰ্থপূৰ্ণ ফল। ই আমাৰ স্মৃতিৰ পুনৰুত্থান। ই আমাৰ পৰিচয়ৰ এক নৱজাগৰণ। ই আমাৰ গৌৰৱোজ্জ্বল সভ্যতাৰ প্ৰতিশ্ৰুতি। এই ধ্বজাৰোহণ মানৱতাৰ আত্মা, সত্যৰ অজেয়তা, বিশ্বাসৰ অমৰত্ব আৰু সংস্কৃতিৰ পুনৰুজ্জীৱনৰ এক ঘোষণা। সঁচাকৈয়ে বিগত কেইবছৰমানৰ অক্লান্ত প্ৰচেষ্টাৰ জৰিয়তে শ শ বছৰ পুৰণি অপেক্ষা পূৰণ হোৱা দেখি ভাৰতৰ অমৃত প্ৰজন্ম ধন্য। ভাৰতৰ ১৪০ কোটি নাগৰিকে অযোধ্যাৰ শ্ৰীৰাম জন্মভূমিত ৰাম মন্দিৰৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা প্ৰত্যক্ষ কৰিছে।

সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰই হওক বা বহু যুগ পুৰণি স্মৃতিচিহ্নই হওক, এই সকলোবোৰে সাংস্কৃতিক নৱজাগৰণৰ এক নতুন ঢৌৰ সাক্ষী হৈ পৰিছে। এটা সময় আছিল, যেতিয়া দেশৰ এটা প্ৰজন্মই আমাৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে জড়িত ধৰ্মীয় স্থানসমূহ বিদেশী আক্ৰমণকাৰীৰ দ্বাৰা ধ্বংস হোৱা দেখিছিল। আৰু স্বাধীনতাৰ পিছতো তেওঁলোকে তেওঁলোকৰ চকুৰ আগতে অৱহেলা প্ৰত্যক্ষ কৰিছিল। এনে এক পৰিস্থিতিৰ সৃষ্টি হৈছিল যেতিয়া কোনো দেশৰ সফলতা তাৰ সাংস্কৃতিক সৌন্দৰ্য্যৰ ওপৰত নিৰ্ভৰশীল বুলি বিশ্বাস কৰা হৈছিল।

কিন্তু ২০২৪ চনৰ ২২ জানুৱাৰীত অযোধ্যাত ভগৱান শ্ৰীৰামৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানে সকলোকে গৌৰৱান্বিত কৰিছে। এতিয়া, মাত্ৰ ২২ মাহৰ পিছত, ২৫ নৱেম্বৰ, ২০২৫ তাৰিখে, ধৰ্মধ্বজা (ধৰ্ম পতাকা) উত্তোলনে অযোধ্যাত শ্ৰীৰামৰ জন্মভূমি নিৰ্মাণ কাৰ্যৰ সমাপ্তিৰ প্ৰতীক হৈ পৰিছে। ধ্বজাৰোহণৰ জৰিয়তে শতিকাৰ পিছত পুনৰবাৰ সময়ৰ চকা ঘূৰিছে। এইদৰেই অযোধ্যাত শ্ৰীৰাম মন্দিৰৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'ল, যাৰ জৰিয়তে




## ১৬১ ফুট উচ্চতাত উত্তোলন কৰা হয় পবিত্ৰ ধ্বজা

| আকাৰ | ২২ x ১১ ফুট |
|---|---|
| কাপোৰ | সম্পূৰ্ণ স্বদেশী. পেৰাচুট গ্ৰেড কাপোৰ |
| ধ্বজাৰ প্ৰতীক | শ্ৰীৰামৰ সূৰ্যবংশৰ প্ৰতীক-সূৰ্য, ওঁম আৰু ৰক্ত কাঞ্চন (কোভিডাৰ) গছ |
| ধ্বজাৰ ৰং | গেৰুৱা বৰণ |

# ২০২৫ চনৰ ২৫ নৱেম্বৰত শ্ৰীৰাম জন্মভূমি মন্দিৰৰ শীৰ্ষত ধৰ্ম ধ্বজাৰ ধ্বজাৰোহণেৰে মন্দিৰ নিৰ্মাণ কাৰ্যৰ সমাপ্ত হয়

## শ্ৰীৰাম জন্মভূমি মন্দিৰত ৩৯২টা স্তম্ভ আৰু ৪৪খন প্ৰৱেশদ্বাৰ আছে



**৫৭,৪০০**
বৰ্গফুট এলেকাজুৰি মুঠ ২.৭ একৰ ভূমিত শ্ৰীৰাম জন্মভূমি মন্দিৰ নিৰ্মাণ কৰা হৈছে।

- মন্দিৰ নিৰ্মাণত কোনো লো বা তীখা ব্যৱহাৰ কৰা হোৱা নাই। ভূমিৰ আৰ্দ্ৰতাৰ পৰা এই গাঁথনিক সুৰক্ষিত কৰিবলৈ গ্ৰেনাইট ব্যৱহাৰ কৰি ২১ ফুট ওখ এখন প্লেটফৰ্ম নিৰ্মাণ কৰা হৈছিল।
- মন্দিৰত ৩৯২টা স্তম্ভ আৰু ৪৪খন প্ৰৱেশদ্বাৰ আছে। স্তম্ভ আৰু দেৱালত হিন্দু দেৱতাৰ মূৰ্তি অংকন কৰা আছে।
- শ্ৰী ৰাম জন্মভূমি মন্দিৰটো পৰম্পৰাগত নগৰীয়া স্থাপত্য শৈলীত নিৰ্মাণ কৰা হৈছে, যাক আহমেদাবাদৰ চন্দ্ৰকান্ত সোমপুৰাই ডিজাইন কৰিছে।
- এই মন্দিৰৰ উচ্চতা ১৬১ ফুট আৰু ১২খন দুৱাৰ আছে।
- তলৰ মহলাত থকা মুখ্য মন্দিৰত ৰামলালাৰ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। সিংহদ্বাৰৰ পৰা ৩২টা চিৰি বগাই ইয়াত প্ৰৱেশ কৰিব পাৰি।
- এই চৌহদত পাঁচটা পেভিলিয়ন আছে: নৃত্য মণ্ডপ, ৰং মণ্ডপ, সভা মণ্ডপ, প্ৰাৰ্থনা মণ্ডপ, কীৰ্তন মণ্ডপ, পুৰণি শিৰ মন্দিৰ আৰু কুবেৰ তিলাৰ ওপৰত থকা সীতা কূপ।

## অযোধ্যাৰ শ্ৰী ৰাম মন্দিৰ এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ প্ৰতীক

*বাহ্যিক সম্পদৰ ওপৰত নিৰ্ভৰশীলতা দূৰ কৰিবলৈ আত্মনিৰ্ভৰশীল ৰাম মন্দিৰ নিৰ্মাণ কৰা হৈছে। একেদৰে, মন্দিৰ নিৰ্মাণত ব্যৱহাৰ কৰা শিল, কাঠ আৰু পিতলৰ সকলো সামগ্ৰী বিভিন্ন ৰাজ্যৰ পৰা অনা হৈছিল, যাৰ বাবে শ্ৰী ৰাম জন্মভূমি মন্দিৰ 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত'ৰ প্ৰতীক হৈ পৰিছে।*

- ৰাজস্থানৰ পৰা গোলাপী শিল আৰু তেলেংগানা আৰু কৰ্ণাটকৰ পৰা গ্ৰেনাইট শিল অনা হৈছিল।
- এই ভাস্কৰ্যসমূহ দেশৰ বিভিন্ন প্ৰান্তৰ দক্ষ শিল্পীয়ে নিৰ্মাণ কৰিছে।
- উচ্চ মানৰ চেগুন কাঠ মহাৰাষ্ট্ৰৰ আৰু হস্তনিৰ্মিত কাঠৰ দুৱাৰবোৰ হায়দৰাবাদৰ।
- পিতলৰ সামগ্ৰীসমূহ উত্তৰপ্ৰদেশৰ। তামিলনাডুৰ পৰা অনা হৈছে ৪২টা ঘণ্টা।

## সম্পূৰ্ণৰূপে ভাৰতীয় পৰম্পৰা আৰু স্থানীয় প্ৰযুক্তিৰ ব্যৱহাৰ কৰি মন্দিৰটো নিৰ্মাণ কৰা হৈছে

ভাৰতীয় সংস্কৃতিৰ ঐতিহ্য হিচাপে নিৰ্মিত শ্ৰী ৰাম মন্দিৰ আৰু অযোধ্যাৰ উন্নয়ন পৰিকল্পনাত জনসাধাৰণৰ অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে, যাতে শ শ বছৰৰ অপেক্ষাৰ অন্তত অযোধ্যাৰ ৰাম জন্মভূমিৰ মন্দিৰ নিৰ্মাণ কাৰ্যই বৰ্তমান আৰু ভৱিষ্যতে মানৱতাক পথ প্ৰদৰ্শন কৰি থাকে। ইয়াৰ বাৰ্তা স্পষ্টঃ ৰাম মন্দিৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু কেৱল দেশৰ নাগৰিকসকলেই নহয়, যিসকল বিদেশী ভাৰতলৈ আহে তেওঁলোকেও অযোধ্যা ভ্ৰমণ কৰাৰ ইচ্ছা প্ৰকাশ কৰা উচিত।

## প্ৰায় ৫০০ বছৰ পুৰণি সংগ্ৰাম: স্বাধীন ভাৰতৰ সৰ্ববৃহৎ আন্দোলন

- ১৮৫৩ চনত ৰাম জন্মভূমিৰ প্ৰথমটো গোচৰ ৰুজু হৈছিল।
- ১৯৪৯ চনৰ ২২-২৩ ডিচেম্বৰৰ নিশা বিবাদিত চৌহদত ৰামলালাৰ এটা মূৰ্তি উদ্ধাৰ হৈছিল।
- ১৯৫০ চনত ফৈজাবাদ অসামৰিক আদালতত ২খন আৱেদন দাখিল কৰা হয়।
- ১৯৮৬ চনৰ ১ ফেব্ৰুৱাৰীত আদালতৰ নিৰ্দেশত বিবাদিত চৌহদৰ তলা খোলা হয়।
- ১৯৯২ চনৰ ৬ ডিচেম্বৰত কৰ সেৱকসকলে বিতৰ্কিত চৌহদটো ভাঙি পেলায়।
- ২০১০ চনৰ ৩০ ছেপ্টেম্বৰত এলাহাবাদ উচ্চ ন্যায়ালয়ে ছুন্নী ৱাকফ বোৰ্ড, নিৰ্মোহী আখাৰা আৰু 'ৰামলালা বিৰাজমান'ক প্ৰতিনিধিত্ব কৰা দলসমূহৰ মাজত বিবাদিত ভূমি তিনিটা ভাগত বিভক্ত কৰাৰ নিৰ্দেশ দিয়ে। দলসমূহে এই সিদ্ধান্ত মানি নল'লে আৰু সেয়েহে তেওঁলোকে উচ্চতম ন্যায়ালয়ৰ কাষ চাপে।
- ২০১৯ৰ ৯ নৱেম্বৰ তাৰিখে উচ্চতম ন্যায়ালয়ে বিতৰ্কিত ভূমি হিন্দুসকলক প্ৰদান কৰে আৰু মছজিদৰ বাবে ৫ একৰ ভূমি আবণ্টন কৰে।
- ২০২০ৰ ৫ ফেব্ৰুৱাৰীত শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ট্ৰাষ্টৰ ঘোষণা আৰু প্ৰতিষ্ঠা কৰা হয়।
- ২০২০ৰ ৫ আগষ্টত প্ৰধানমন্ত্ৰী মোদীয়ে শ্ৰী ৰাম জন্মভূমি নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে।
- ২০২৪ৰ ২২ জানুৱাৰীত নৱনিৰ্মিত মন্দিৰত শ্ৰী ৰামলালাৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠিত কৰা হয়।
- ২০২৫ চনৰ ২৫ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধৰ্ম ধ্বজা উত্তোলন কৰি শ্ৰী ৰাম জন্মভূমি মন্দিৰৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰে।

# ৰাম মানে আদৰ্শ, ৰাম মানে সন্মান, ৰাম মানে জীৱনৰ সৰ্বোচ্চ চৰিত্ৰ

*আজি সমগ্ৰ ভাৰত, সমগ্ৰ বিশ্ব, ৰাম নামেৰে প্ৰতিধ্বনিত হৈছে। প্ৰতিজন ৰাম ভক্তৰ হৃদয়ত অতুলনীয় সন্তুষ্টি, অসীম কৃতজ্ঞতা আৰু অপাৰ আনন্দ থাকে। আহক, আমি ২৫ নৱেম্বৰত অযোধ্যাত শ্ৰী ৰাম জন্মভূমি মন্দিৰৰ আধাৰশিলা স্থাপন অনুষ্ঠানত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰদান কৰা ভাষণৰ মুল দিশবোৰ পঢ়োঁ...*







বিকশিত ভাৰত গঢ়াৰ সংকল্প পূৰণৰ বাৰ্তা প্ৰেৰণ কৰা হৈছে। - “ৰাম কেৱল এজন ব্যক্তি নহয়, তেওঁ হৈছে এক মূল্যবোধ, এক অনুশাসন আৰু এক মাৰ্গদৰ্শক।” “যদিহে ২০৪৭ চনৰ ভিতৰত ভাৰতৰ বিকাশ আৰু সমাজৰ সৱলীকৰণ হোৱাটো বিচাৰে, তেন্তে আমাৰ প্ৰত্যেকৰে অন্তৰত ৰাম জাগ্ৰত হ'ব লাগিব।”

প্ৰকৃতাৰ্থত, সাংস্কৃতিক ঐতিহ্য হৈছে ভাৰতৰ এক উন্নত ৰাষ্ট্ৰ হোৱাৰ সংকল্পৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। সাংস্কৃতিক ঐতিহ্য হৈছে ৰাষ্ট্ৰীয় একতা আৰু নাগৰিকৰ কৰ্তব্যৰ মাজত এক শক্তিশালী সংযোগ, যি কেৱল দেশকে নহয় সমগ্ৰ বিশ্বকো সংযুক্ত কৰে। এই দৃষ্টিভংগীৰে, ভাৰতে নিজৰ সাংস্কৃতিক ঐতিহ্যক লৈ গৌৰৱ কৰে আৰু বিগত ৰৰ বছৰত নিজৰ উল্লেখযোগ্য আৰু গৌৰৱময় ইতিহাসত নতুন মাত্ৰা যোগ দিছে। বিকাশ আৰু ঐতিহ্যক আঁকোৱালি লৈ ই এক উজ্জ্বল ভৱিষ্যতৰ বাবে চিত্ৰনাট্য ৰচনা কৰিছে। নতুন ভাৰতে ভাৰতৰ তীৰ্থযাত্ৰা আৰু সাংস্কৃতিক ঐতিহ্যৰ বিকাশৰ বাবে এক সামগ্ৰিক দৃষ্টিভংগী বাস্তৱত পৰিণত কৰিছে। শ্ৰী ৰাম মন্দিৰৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ লগে লগে অযোধ্যাত ধ্বজাৰোহন অনুষ্ঠান এই প্ৰচেষ্টাৰ এক গুৰুত্বপূৰ্ণ অধ্যায় হিচাপে পৰিগণিত হৈছে। কাশী বিশ্বনাথ ধামৰ পৰা শ্ৰী কেদাৰনাথ ধামলৈ, মহাকাল-মহালোকলৈ, আস্থা-বিশ্বাসৰ অৱহেলিত স্থানসমূহৰ মহিমাও পুনৰুজ্জীৱিত

- শতাব্দী প্ৰাচীন সংকল্পৰ পূৰ্ণতাঃ ভাৰতৰ সাংস্কৃতিক চেতনাত অযোধ্যাৰ নগৰীখনে আন এক পৰিৱৰ্তনৰ সাক্ষী হৈছে। শ শ বছৰ পুৰণি ঘাঁবোৰ শুকাইছে, শ শ বছৰ পুৰণি বেদনাৰ অন্ত পৰিছে আৰু শ শ বছৰ পুৰণি সংকল্পসমূহ আজি পূৰণ হৈছে। এয়া যজ্ঞৰ সমাপ্তি, য'ৰ জুই ৫০০ বছৰ ধৰি জ্বলি আছিল, যজ্ঞ য'ত আস্থা কেতিয়াও ভংগ হোৱা নাছিল, এক মুহূৰ্তৰ বাবেও বিশ্বাস ভংগ হোৱা নাছিল।
- এই মন্দিৰটো সংগ্ৰামৰ স্মৃতিসৌধঃ আজি এই ধৰ্মধ্বজাৰ ৰূপত ভগৱান শ্ৰীৰামৰ গৰ্ভগৃহৰ অসীম শক্তি, শ্ৰী ৰাম পৰিয়ালৰ ঐশ্বৰিক উজ্জ্বলতা এই অতি ঐশ্বৰিক আৰু ভব্য মন্দিৰত নিহিত হৈ আছে। এই ধ্বজা এটা সংকল্প, এই ধ্বজা এক সফলতা। এই ধ্বজা সংগ্ৰামৰ জৰিয়তে সৃষ্টিৰ কাহিনী; এই ধ্বজা হৈছে যুগ যুগ ধৰি ব্ৰতী থকা সপোনৰ প্ৰতীক। এই ধ্বজা হৈছে সন্তসকলৰ আধ্যাত্মিক অনুশীলন আৰু সমাজৰ অংশগ্ৰহণৰ এক অৰ্থপূৰ্ণ পৰিসমাপ্তি।
- য'ত আদৰ্শগত ৰূপান্তৰ আদৰ্শগত আচৰণত পৰিণত হয়ঃ অযোধ্যাই হৈছে সেই ঠাই য'ত আদৰ্শগত ৰূপান্তৰ আদৰ্শগত আচৰণত পৰিণত হয়। এইখন চহৰতেই শ্ৰী ৰামে তেওঁৰ জীৱন যাত্ৰা আৰম্ভ কৰিছিল। এই অযোধ্যাই বিশ্বক দেখুৱাইছে যে সমাজ আৰু ইয়াৰ মূল্যবোধৰ শক্তিৰ দ্বাৰা এজন ব্যক্তি কেনেকৈ 'পুৰুষোত্তম' হয়। যেতিয়া শ্ৰী ৰাম অযোধ্যাৰ পৰা দেশান্তৰিত হৈছিল, তেওঁ আছিল ৰাজকুমাৰ ৰাম, কিন্তু যেতিয়া তেওঁ ঘূৰি আহিছিল তেওঁ আছিল আটাইতকৈ গুণী পুৰুষ। মহৰ্ষি বশিষ্ঠৰ জ্ঞান, মহৰ্ষি বিশ্বমিত্ৰৰ মন্ত্ৰনা, মহৰ্ষি অগষ্ঠৰ নিৰ্দেশনা, নিশাদৰাজৰ বন্ধুত্ব, মা শ্বাবৰীৰ প্ৰেম, ভক্ত হনুমানৰ নিষ্ঠা ইত্যাদি এনে অসংখ্য ব্যক্তি আছিল, যিসকলে তেওঁৰ জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।
- ভগৱান ৰামৰ সৈতে ৰাষ্ট্ৰৰ সংকল্পৰ সম্পৰ্ক স্থাপনঃ ৰামলালাৰ প্ৰাণপ্ৰতিষ্ঠাৰ ঐতিহাসিক উপলক্ষে মই ৰামৰ সৈতে দেশৰ সংকল্পৰ সম্পৰ্ক সন্দৰ্ভত আলোচনা কৰিছিলো। মই কৈছিলো যে ভাৰতৰ ভেটি আগন্তুক হাজাৰ বছৰলৈ শক্তিশালী হ'ব লাগিব। মনত ৰাখিব, যিসকলে কেৱল বৰ্তমানৰ কথাহে চিন্তা কৰে, তেওঁলোকে ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি অন্যায় কৰে। আমি বৰ্তমানৰ লগতে ভৱিষ্যতৰ প্ৰজন্মৰ কথাও চিন্তা কৰিব লাগিব। কাৰণ এই দেশ আমাৰ আগতেও আছিল আৰু আমাৰ পিছতো থাকিব আৰু আমি যোৱাৰ পিছতো থাকিব।
- শ্ৰী ৰামৰ আচৰণক অনুকৰণ কৰিব লাগিব: আমি এক প্ৰাণৱন্ত সমাজ আৰু আমি দুৰদৃষ্টিসম্পন্ন পৰিকল্পনাৰে কাম কৰিব লাগিব। আমি আগন্তুক দশক আৰু শতিকাসমূহ মনত ৰাখিব লাগিব। ইয়াৰ বাবে আমি ভগৱান ৰামৰ পৰা শিকিব লাগিব। আমি তেওঁৰ ব্যক্তিত্বক বুজিব লাগিব, তেওঁৰ আচৰণ অনুকৰণ কৰিব লাগিব আৰু মনত ৰাখিব লাগিব যে ৰাম মানে আদৰ্শ, ৰাম মানে সন্মান, ৰাম মানে জীৱনৰ সৰ্বোচ্চ চৰিত্ৰ।
- দাসত্বৰ মানসিকতাৰ পৰা মুক্তিঃ আমাৰ ঐতিহ্যৰ গৌৰৱৰ লগতে আন এক গুৰুত্বপূৰ্ণ বিষয় হ'ল দাসত্বৰ মানসিকতাৰ পৰা সম্পূৰ্ণ মুক্তি। ১৯০ বছৰ পূৰ্বে ১৮৩৫ চনত মেকলে নামৰ এজন ইংৰাজে ভাৰতক ইয়াৰ মূলৰ পৰা উভালি পেলোৱাৰ বীজ সিঁচিছিল। মেকলেই ভাৰতত মানসিক দাসত্বৰ আধাৰশিলা স্থাপন কৰিছিল। দহ বছৰৰ পিছত, ২০৩৫ চনত এই অশুভ ঘটনাৰ ২০০ বছৰ পূৰ্ণ হ'ব। কেইদিনমান পূৰ্বে মই এটা কাৰ্যসূচীত আহ্বান জনাইছিলো যে আগন্তুক ১০ বছৰত আমি ভাৰতক দাসত্বৰ মানসিকতাৰ পৰা মুক্ত কৰাৰ লক্ষ্যৰে আগবাঢ়িব লাগিব।
- বিকশিত ভাৰতৰ সপোন: যদি আমি অহা ১০ বছৰত মানসিক দাসত্বৰ পৰা সম্পূৰ্ণ মুক্তি লাভ কৰাৰ সংকল্প লওঁ, তেন্তে এনে এক শিখা প্ৰজ্বলিত হ'ব, এনে এক আত্মবিশ্বাস বৃদ্ধি পাব যে ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ভাৰতৰ সপোন পূৰণ কৰাৰ পৰা কোনেও বাধা দিব নোৱাৰিব। ভাৰতৰ ভেটি আগন্তুক সহস্ৰ বছৰলৈ শক্তিশালী হ'ব, যদিহে আমি আগন্তুক ১০ বছৰত দেশক দাসত্ব কৰাৰ মেক'লৰ প্ৰচেষ্টাসমূহৰ বিৰোধিতা কৰো।

জয় শ্ৰীৰাম



প্ৰচ্ছদ নিবন্ধ

সাংস্কৃতিক নৱজাগৰণ

“

এয়া ৰামৰ ৰূপত ৰাষ্ট্ৰীয় চেতনাৰ মন্দিৰ। ভগৱান ৰাম হৈছে ভাৰতৰ বিশ্বাস, ভেটি, চিন্তা, আইন, চেতনা, সন্মান আৰু গৌৰৱ।

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী (অযোধ্যাত ৰামলালাৰ প্ৰাণপ্ৰতিষ্ঠা অনুষ্ঠান উপলক্ষে, ২২ জানুৱাৰী, ২০২৪)

কৰা হৈছে। আজি দেশখনে প্ৰত্যক্ষভাৱে অনুভৱ কৰিছে যে এক সামগ্ৰিক প্ৰচেষ্টাই কেনেদৰে সামগ্ৰিক বিকাশৰ বাহন হ'ব পাৰে।

**ধ্বজাৰোহনঃ এক নতুন যুগৰ আৰম্ভণিৰ প্ৰতীক**

শ্ৰী ৰাম জন্মভূমি মন্দিৰৰ শীৰ্ষত থকা ধ্বজাৰোহনেৰে ২০২৫ চনৰ ২৫ নৱেম্বৰ তাৰিখটো ইতিহাসৰ পাতত সোণালী আখৰেৰে লিপিবদ্ধ কৰা হৈছে। ধৰ্ম ধ্বজা পুনৰ স্থাপনৰ ফলত অযোধ্যাক এক বিশ্বজনীন আধ্যাত্মিক কেন্দ্ৰলৈ ৰূপান্তৰিত কৰা হৈছে। ২০২৪ চনৰ ২২ জানুৱাৰীত শ্ৰী ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ পিছত ২০২৫ চনৰ ২৫ নৱেম্বৰ তাৰিখে এই ৰীতিয়ে কেৱল যজ্ঞ (ত্যাগ)ৰ সমাপ্তিক চিহ্নিত কৰাই নহয়, এক নতুন যুগৰ আৰম্ভণি হিচাপেও চিহ্নিত কৰে। ধ্বজাৰোহনে মন্দিৰ নিৰ্মাণৰ সমাপ্তি, সাংস্কৃতিক উদযাপন আৰু ৰাষ্ট্ৰীয় একতাৰ এক নতুন অধ্যায়ৰ আৰম্ভণিৰ প্ৰতীক। এয়া কেৱল কেলেণ্ডাৰৰ এটা তাৰিখ নহয়, বৰং এক নতুন যুগৰ সূচনা। শ্ৰী ৰাম জন্মভূমি মন্দিৰৰ ধৰ্মধ্বজা হৈছে প্ৰাচীন পৰম্পৰা আৰু আধুনিক প্ৰযুক্তিৰ সংমিশ্ৰণ। ধৰ্ম ধ্বজাত প্ৰভুৰ শ্ৰী ৰামৰ উজ্জ্বলতা আৰু বীৰত্বৰ প্ৰতীকস্বৰূপ এক উজ্জ্বল সূৰ্য আছে। ইয়াৰ ওপৰত 'ঔম' বুলি লিখা আছে আৰু লগতে ৰক্ত কাঞ্চন (কোভিডাৰ) গছৰ ছবিও আছে। ৰামৰাজ্যৰ আদৰ্শক



## শ্ৰী কেদাৰনাথ ধামৰ পুনৰ উন্নয়ন

শ্ৰী কেদাৰনাথ উত্তৰাখণ্ডৰ ৰুদ্ৰপ্ৰয়াগ জিলাৰ ১১,৯৬৮ ফুট উচ্চতাত অৱস্থিত ১২টা পৱিত্ৰ জ্যোতিৰ্লিঙ্গৰ অন্যতম। মন্দিৰটো বছৰত প্ৰায় ৬-৭ মাহ অৰ্থাৎ অক্ষয় তৃতীয়া (এপ্ৰিল-মে) পৰা দীপাৱলী (অক্টোবৰ-নৱেম্বৰ) পৰ্যন্ত তীৰ্থযাত্ৰীসকলৰ বাবে মুকলি থাকে।

- ২০১৩ চনৰ দুৰ্যোগৰ ফলত তীৰ্থ নগৰীখন ভয়ংকৰভাৱে ধ্বংস হয়। মন্দিৰ চৌহদৰ বহুতো ভৱন ক্ষতিগ্ৰস্ত হয়।

**১,৩০০** কোটি টকাৰে ঐশ্বৰিক চাৰ ধাম যাত্ৰাৰ বাবে কেদাৰনাথ-বদ্ৰীনাথ ধাম পুনৰ নিৰ্মাণ কৰা হয়।

- ২০১৭ চনত প্ৰধানমন্ত্ৰী মোদীয়ে কেদাৰনাথ ধামৰ আধ্যাত্মিক গৌৰৱ আৰু ঐশ্বৰিক ৰূপ পুনৰুদ্ধাৰ কৰাৰ বাবে শ্ৰী কেদাৰনাথ ধাম পুনৰ নিৰ্মাণ পৰিকল্পনাৰ কল্পনা কৰিছিল।
- প্ৰায় ৩০,০০০ টন আৱৰ্জনা আঁতৰ কৰা হয় আৰু চিৰিসহ ৮৪০ ফুট দৈৰ্ঘ্যৰ এটা মন্দিৰ প্ৰাংগণ নিৰ্মাণ কৰা হয়।
- দুখন নদীৰ সংগমস্থলীত এখন আগমন মঞ্চ নিৰ্মাণ কৰা হয়। মন্দিৰৰ মঞ্চ নিৰ্মাণৰ বাবে স্থানীয় শিল ব্যৱহাৰ কৰা হয়।
- ১২ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি স্থাপনেৰে দুৰ্যোগৰ সময়ত ক্ষতিগ্ৰস্ত শ্ৰী আদী গুৰু শংকৰাচাৰ্য সমাধিৰ পুনৰ নিৰ্মাণ কৰা হয়, যিটো প্ৰধানমন্ত্ৰী মোদীয়ে উন্মোচন কৰিছিল।
- কেদাৰনাথ ধামত এটা ধ্যান কৰা গুহা আছে। ২০২১ চনৰ



নৱেম্বৰ মাহত প্ৰধানমন্ত্ৰী মোদীয়ে তাত ১৭ ঘণ্টা সময় কটায়, যিটো ভক্তসকলৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে।

- মন্দাকিনী আৰু সৰস্বতী নদীৰ পাৰত স্নান আৰু ধৰ্মীয় ৰীতি-নীতিৰ সুবিধাৰ্থে এক বৃহৎ সংগম ঘাট নিৰ্মাণ কৰা হয়।
- গংগোত্ৰীত চাৰধাম ফাইবাৰ সংযোগৰ বাবে উৎসৰ্গিত ভাৰতৰ ২,০০,০০০ সংখ্যক ৫জি ছাইট কাৰ্যকৰী কৰা হৈছে।
- চৰকাৰে কেদাৰনাথ-মানসখণ্ডৰ মাজত যোগাযোগৰ কাম কৰি আছে। কেদাৰনাথ আৰু বদ্ৰীনাথ ধামৰ দৰ্শনাৰ্থীসকলে যাতে সহজেই যগেশ্বৰ ধাম, আদি কৈলাস আৰু ওম পৰ্বত দৰ্শন কৰিব পাৰে তাৰ বাবে প্ৰচেষ্টা চলাই থকা হৈছে।
- গৌৰীকুণ্ড-কেদাৰনাথ আৰু গোবিন্দঘাট-হেমকুণ্ড চাহিব ৰ'পৱে'ৰ আধাৰশিলা স্থাপন কৰা হৈছে। এই প্ৰকল্পসমূহে উত্তৰাখণ্ডৰ উন্নয়নত নতুন গতি প্ৰদান কৰিছে।
- ৩৫৭ কোটি টকা ব্যয়েৰে ৰুদ্ৰপ্ৰয়াগৰ পৰা গৌৰীকুণ্ডলৈ ১০৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ১৭টা স্থানত ভূমিস্খলন আৰু ক্ষতিগ্ৰস্ত ভূমি ব্যৱস্থাপনাৰ কাম চলি আছে।
- ১২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ঋষিকেশ-কৰ্ণপ্ৰয়াগ নতুন ৰে'ল লাইন প্ৰকল্পৰ জৰিয়তে দেৱপ্ৰয়াগ আৰু কৰ্ণপ্ৰয়াগৰ দৰে ধৰ্মীয় আৰু পৰ্যটনস্থলীসমূহ ভাৰতৰ ৰাষ্ট্ৰীয় ৰাজধানীৰ সৈতে সংযোগ স্থাপন হ'ব।
- ২০২৫ চনত দেৱ দৰ্শন উপলক্ষে শ্ৰী কেদাৰনাথ ধামলৈ প্ৰায় ১৭ লাখ ভক্তৰ আগমন ঘটিছে।
- ২০১৪ চনৰ পূৰ্বে চাৰ ধামলৈ অহা তীৰ্থযাত্ৰীৰ সংখ্যা আছিল ২৪ লাখ, যিটো ২০২৪-২৫ত প্ৰায় ৫৫ লাখ হৈছে।



## কৰতাৰপুৰ চাহিব কৰিড'ৰে শিখ ধৰ্মৰ চহকী সংস্কৃতিক সমৃদ্ধ কৰিছে

*বিগত ১১ বছৰত আমাৰ ঐতিহ্য আৰু সংস্কৃতিৰ পৰা গৌৰৱ আৰু শিক্ষা গ্ৰহণৰ বাবে বহু উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই সময়ছোৱাত গুৰু টেগ বাহাদুৰ জীৰ ৪০০তম প্ৰকাশ পৰ্ব, গুৰু নানক দেৱ জীৰ ৫৫০তম প্ৰকাশ পৰ্ব আৰু গুৰু গোবিন্দ সিং জীৰ ৩৫০তম প্ৰকাশ পৰ্ব, লংগৰৰ পৰা জিএছটি প্ৰত্যাহাৰ, কৰতাৰপুৰ চাহিব কৰিডৰ নিৰ্মাণ, ছুলতানপুৰ লোধীক ঐতিহ্যমণ্ডিত চহৰ হিচাপে ঘোষণা কৰা, ব্ৰিটিছ বিশ্ববিদ্যালয়ত গুৰু নানক আসন স্থাপন কৰা, আফগানিস্তানৰ পৰা গুৰু গ্ৰন্থ চাহিব গ্ৰন্থ ভাৰতলৈ ঘূৰাই অনা, শিখ তীৰ্থযাত্ৰীসকলক পাকিস্তান ভ্ৰমণৰ সুবিধা প্ৰদান কৰা আদি কাৰ্যসূচী গ্ৰহণ কৰা হয়। চাহিবজাদাসকলৰ বলিদানৰ স্মৃতিত ২৬ ডিচেম্বৰত বীৰ বাল দিৱস উদযাপন আৰম্ভ কৰা হয়।*

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৯ৰ ৯ নৱেম্বৰত গুৰুদাসপুৰৰ ডেৰা বাবা নানকৰ কৰতাৰপুৰ কৰিডৰৰ চেকপোষ্টৰ পৰা প্ৰথমটো তীৰ্থযাত্ৰীৰ দলক পতাকা জোকাৰি যাত্ৰা শুভাৰম্ভ কৰে।
- ২০১৯ৰ ২৪ অক্টোবৰত ভাৰতে পাকিস্তানৰ সৈতে কৰতাৰপুৰ চাহিব কৰিডৰৰ জৰিয়তে ভাৰতৰ পৰা পাকিস্তানৰ নৰোৱালস্থিত কৰতাৰপুৰ গুৰুদ্বাৰ চাহিবলৈ তীৰ্থযাত্ৰীসকলৰ যাতায়াতৰ সুবিধা প্ৰদানৰ বাবে এক চুক্তি স্বাক্ষৰ কৰে।
- কৰতাৰপুৰ সাহিব কৰিডৰ মুকলি হোৱাৰ পিছত ২০২৩ চনৰ ডিচেম্বৰলৈকে ২,৩০,০০০গৰাকী তীৰ্থযাত্ৰীয়ে কৰতাৰপুৰ চাহিব কৰিডৰেৰে গুৰুদ্বাৰ শ্ৰী দৰবাৰ চাহিব দৰ্শন কৰিছে।

**১২০** কোটি টকা ৪.২ কিলোমিটাৰ দৈৰ্ঘ্যৰ ফ'ৰলেন ঘাইপথ নিৰ্মাণৰ বাবে ব্যয় কৰা হৈছে। এই ঘাইপথটোৱে ডেৰা বাবা নানকক অমৃতসৰ-গুৰদাসপুৰ ঘাইপথৰ সৈতে সংযোগ কৰিব।



প্ৰচ্ছদ নিবন্ধ

সাংস্কৃতিক নৱজাগৰণ

"

অৰ্ছাৰ ৰজা ৰামৰ পৰা আৰম্ভ কৰি, ৰামেশ্বৰমৰ ভক্ত ৰামলৈকে, আৰু শবৰীৰ প্ৰভু ৰামৰ পৰা মিথিলাৰ পহুনা ৰাম জীলৈকে, ভাৰতৰ প্ৰতিখন ঘৰতে, প্ৰতিজন ভাৰতীয়ৰ হৃদয়ত, আৰু ভাৰত বৰ্ষৰ প্ৰতিটো কণিকাতে ৰাম আছে।

-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

সাৰোগত কৰি এই পৱিত্ৰ পতাকাখনে সন্মান, ঐক্য আৰু সাংস্কৃতিক ধাৰাবাহিকতাৰ বাৰ্তা প্ৰদান কৰিব। ৰক্ত কাঞ্চন গছ ভগৱান ৰামৰ বংশৰ প্ৰতীক। ইয়াক সম্পূৰ্ণৰূপে থলুৱা সামগ্ৰীৰে তৈয়াৰ কৰা হৈছে। ইয়াৰ কাপোৰৰ তিনিটা স্তৰ আছে যাতে ই সূৰ্যৰ পোহৰ, বৰষুণ আৰু প্ৰচণ্ড বতাহতো শক্তিশালী হৈ থাকে। ইয়াৰ কাষে কাষে সোণালী কাপোৰৰ পাৰী লগোৱা হৈছে। ধ্বজাৰ প্ৰতিটো ৰেখা আৰু ৰং উজ্জ্বল কৰিবলৈ পৰম্পৰাগত পদ্ধতি ব্যৱহাৰ কৰা হৈছে। ধ্বজাস্তম্ভৰ ভিত্তিত এটা বিশেষ বল-বিয়াৰিং চেম্বাৰ ডিজাইন কৰা হৈছে, যিটো ৩৬০ ডিগ্ৰী ঘূৰাব পাৰি আৰু প্ৰচণ্ড বতাহতো পতাকাখন মসৃণভাৱে উৰি থাকে। ধ্বজাৰ গুণগত মান নিৰূপণৰ বাবে সেনাৰ সহায় লোৱা হৈছিল। পতাকাৰ মান উন্নীত কৰাৰ ক্ষেত্ৰত সেনাৰ সহযোগিতাও বিচৰা হয়। সেনাবাহিনীত এই পতাকাখনে সদায় বিশেষ তাৎপৰ্য ৰাখি আহিছে আৰু ইতিহাসে সাক্ষ্য দিছে যে পতাকাখন কেৱল পৰিচয়েই নহয়, প্ৰেৰণা, সাহস আৰু সমৰ্পণৰ প্ৰতীক। এয়া কেৱল এটা ৰীতি-নীতি নহয়, বৰঞ্চ ৫০০ বছৰ আগতে শ্ৰী ৰাম মন্দিৰ নিৰ্মাণৰ বাবে আৰম্ভ হোৱা যাত্ৰাৰ সমাপনো। সনাতন পৰম্পৰাত মন্দিৰক তেতিয়াহে পূৰ্ণ বুলি গণ্য কৰা হয়, যেতিয়া তাৰ শিখৰত ধ্বজাৰোহণ

## সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ব্যয় বৃদ্ধি

- কলা আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সংস্কৃতি মন্ত্ৰালয়ে শতবাৰ্ষিকী আৰু বাৰ্ষিকী আঁচনি- কলা সাংস্কৃতিক বিকাশ যোজনা, সংগ্ৰহালয়ৰ উন্নয়ন, পুথিভঁৰাল আৰু আৰ্কাইভৰ উন্নয়ন, বিশ্বজনীন অংশগ্ৰহণ আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা, আৰু পাণ্ডুলিপিৰ ৰাষ্ট্ৰীয় মিছন ৰূপায়ণ কৰি আছে।
- সংস্কৃতি মন্ত্ৰালয়ৰ বাজেট ২০১৩-১৪ চনত ২,১৬৪ কোটি টকা আছিল, সেয়া ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰায় ৩,৩৬১ কোটি টকালৈ বৃদ্ধি পায়।
- নেচনেল মিছন ফৰ মনুমেণ্টছ এণ্ড এণ্টিকিউটিজ আৰম্ভ হোৱাৰ পিছৰে পৰা ২০২৫ চনৰ জুলাই মাহলৈকে ১২,৪১,৩৪৯টা প্ৰাচীন সামগ্ৰী আৰু ১১,৪০৬খন নিৰ্মিত ঐতিহ্য ক্ষেত্ৰ নথিভুক্ত আৰু প্ৰকাশ কৰা হৈছে।



**৬৫৫**

টা প্ৰাচীন সামগ্ৰী ১৯৭৬ চনৰ পৰা ২০২৫ চনৰ জুলাইলৈকে দেশলৈ ঘূৰাই অনা হৈছে, ইয়াৰে ২০১৩ চনৰ পূৰ্বে মাত্ৰ ১৩টাহে ঘূৰাই অনা হৈছিল।

**৩,৬৯৭**

টা প্ৰাচীন কীৰ্তিচিহ্ন, প্ৰত্নতাত্ত্বিক স্থান, আৰু অৱশিষ্ট দেশত ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বুলি ঘোষণা কৰা হৈছে।

## শ্ৰী উজ্জয়িন মহাকাল মন্দিৰ কৰিডৰৰ পুনৰুদ্ধাৰ

- উজ্জয়িনৰ মহাকাল মন্দিৰ পৃথিৱীৰ একমাত্ৰ এনে মন্দিৰ, য'ত দক্ষিণমুখী শিৱলিংগ আছে। এই কাৰণেই ভাৰতৰ ১২টা জ্যোতিৰ্লিংগৰ ভিতৰত 'মহাকালেশ্বৰ জ্যোতিৰ্লিংগ'ৰ বিশেষ তাৎপৰ্য আছে।
- কৰিডৰ প্ৰকল্পৰ জৰিয়তে মন্দিৰ চৌহদটো প্ৰায় সাতগুণ সম্প্ৰসাৰিত হ'ব।





- লক্ষ্য হৈছে বৰ্তমানৰ বাৰ্ষিক ১ কোটি ৫০ লাখ পৰ্যটকৰ সংখ্যা দুগুণ কৰা।
- 'মহাকাল লোক'ত এখন ভব্য প্ৰৱেশদ্বাৰ আছে আৰু শিৱৰ ২৫টা কাহিনী অংকন কৰা ৩৮৪ মিটাৰ দীঘল মিউৰেল দেৱাল আছে।
- আধ্যাত্মিকতাৰ এই মহান কেন্দ্ৰটোক ভব্যতম ৰূপ মহাকাল লোক প্ৰকল্পটোৰ জৰিয়তে দিয়া হৈছে, যাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনৰ ১১ অক্টোবৰত শুভাৰম্ভ কৰে।
- প্লাজাটোৰ মাটিকালি ২.৫ হেক্টৰ বিস্তৃত আৰু এফালে পদুমৰ পুখুৰীৰে আগুৰি আছে, য'ত এটা ফোৰাৰা আৰু শিৱৰ মূৰ্তি আছে।
- মহাকাল পথত ১০৮টা স্তম্ভ আছে, য'ত ভগৱান শিৱৰ আনন্দ তাণ্ডৱ ৰূপ (নৃত্য ৰূপ) চিত্ৰিত কৰা হৈছে। মহাকাল পথৰ কাষত ভগৱান শিৱৰ জীৱন চিত্ৰিত ধৰ্মীয় ভাস্কৰ্য স্থাপন কৰা হৈছে।
- মহালোক প্ৰকল্পত সুবিধাসমূহৰ উন্নয়ন আৰু অঞ্চলটোৰ সম্প্ৰসাৰণ অন্তৰ্ভুক্ত কৰা হৈছে, আৰু কৃত্ৰিম বুদ্ধিমত্তা আৰু ছাৰ্ভিলেঞ্চ কেমেৰা ব্যৱহাৰ কৰি সংহত কামাণ্ড আৰু নিয়ন্ত্ৰণ কেন্দ্ৰৰ দ্বাৰা এই সমগ্ৰ কমপ্লেক্সটো ২৪/৭ নিৰীক্ষণ কৰা হয়।

## কামাখ্যা মন্দিৰ কৰিডৰ



অসমৰ গুৱাহাটীৰ কামাখ্যা মন্দিৰৰ চাৰিওফালৰ এলেকা ৩০০০ বৰ্গফুটৰ পৰা প্ৰায় এক লাখ বৰ্গফুটলৈ সম্প্ৰসাৰণ কৰা হৈছে। ছটা মন্দিৰৰ সংস্কাৰৰ কাম এই প্ৰকল্পত অন্তৰ্ভুক্ত।

*২০২০ চনৰ ৫ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সংসদত শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ট্ৰাষ্ট গঠনৰ কথা ঘোষণা কৰে। শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ট্ৰাষ্টত ১৫জন ট্ৰাষ্টী নিযুক্তি দিয়া হয়, য'ত এজন ট্ৰাষ্টী সদায় দলিত সম্প্ৰদায়ৰ হোৱাৰ ব্যৱস্থা কৰা হয়।*

কৰা হয়। সেয়ে শ্ৰীৰাম জন্মভূমি মন্দিৰৰ ওপৰত উৰি থকা কেশৰ পতাকাখনে যুগ যুগ ধৰি অপেক্ষা কৰি থকা বৈপ্লৱিক পৰিৱৰ্তনৰ বাৰ্তা দিছে আৰু এতিয়া আগন্তুক বহু শতিকালৈ ভাৰতীয়ত্বৰ গৌৰৱ বৃদ্ধি কৰিব।

**ভব্য-দিব্য-নব্য স্বৰূপত অযোধ্যা**

একবিংশ শতিকাৰ বিকশিত ভাৰত গঢ়াৰ দুটা মূল স্তম্ভ আছে। প্ৰথমতে, আমাৰ ঐতিহ্যৰ ওপৰত গৌৰৱ, আৰু দ্বিতীয়তে, বিকাশৰ বাবে সম্ভৱপৰ সকলো প্ৰচেষ্টা। এই দৃষ্টিভংগীৰে অযোধ্যাৰ ৰূপান্তৰৰ বাবে হাজাৰ হাজাৰ কোটি টকাৰ নতুন প্ৰকল্প বাস্তৱায়িত হৈছে। বাট-পথৰ উন্নতি কৰা হৈছে, পাৰ আৰু ঘাটবোৰৰ সৌন্দৰ্য্যবৰ্ধন কৰা হৈছে। নতুন আন্তঃগাঁথনি নিৰ্মাণ কৰি থকা হৈছে। অৰ্থাৎ অযোধ্যাৰ বিকাশে নতুন উচ্চতা স্পৰ্শ কৰিছে। মন্দিৰ নিৰ্মাণ সম্পৰ্কীয় সকলো কাম সম্পূৰ্ণ হৈছে, অৰ্থাৎ- মূল মন্দিৰ, চৌহদৰ ছটা মন্দিৰকে ধৰি- ভগৱান শিৱ, ভগৱান গণেশ, ভগৱান হনুমান, সূৰ্য দেৱ, দেৱী ভগৱতী, দেৱী অন্নপূৰ্ণা তথা শীৰ্ষাৱতাৰ মন্দিৰো সম্পূৰ্ণ হৈছে।

ইয়াৰ ওপৰত ধ্বজদণ্ড আৰু কলহ স্থাপন কৰা হৈছে। দৰ্শনাৰ্থীৰ সুবিধা বা ব্যৱস্থাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত সকলো কামো সম্পূৰ্ণৰূপে কৰা হৈছে। উন্নয়ন আৰু ঐতিহ্যৰ সৈতে জড়িত

প্ৰচ্ছদ নিবন্ধ

সাংস্কৃতিক নৱজাগৰণ

“

ত্ৰেতাযুগৰ অযোধ্যাই মানৱতাক নৈতিকতা প্ৰদান কৰিছিল, আনহাতে একবিংশ শতিকাৰ অযোধ্যাই মানৱতাক বিকাশৰ এক নতুন আৰ্হি আগবঢ়াইছে। তেতিয়া অযোধ্যা আছিল মৰ্যাদাৰ কেন্দ্ৰ, আৰু এতিয়া ই এক বিকশিত ভাৰতৰ সাধনাৰ মেৰুদণ্ড হিচাপে আত্মপ্ৰকাশ কৰিছে। ভৱিষ্যতৰ অযোধ্যা হ'ব ঐশ্বৰিক ভৱিষ্যৎ আৰু নতুনত্বৰ সংগম।

-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

অযোধ্যাত চলি থকা প্ৰতিটো কামেই ভগৱান শ্ৰীৰামৰ জীৱন মূল্যবোধৰ পৰা অনুপ্ৰাণিত। অযোধ্যাৰ মহিমা পুনৰুদ্ধাৰৰ বাবে শতিকাজুৰি ধৈৰ্য্য, অগণন বলিদান, ত্যাগ আৰু তপস্যা জড়িত হৈ আছে। ২০২৪ চনৰ ২২ জানুৱাৰীত সমাপ্ত হোৱা প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানৰ পিছৰ প্ৰায় ডেৰ বছৰত ৪৫ কোটিৰো অধিক ভক্তই অযোধ্যা ভ্ৰমণ কৰিছে। ইয়াৰ উপৰিও, প্ৰায় ৫০,০০০ কোটি টকাৰ প্ৰকল্পই অযোধ্যাক নতুন ৰূপ দিছে। শ্ৰী ৰাম জন্মভূমি মন্দিৰ নিৰ্মাণ প্ৰকল্পইও ইতিহাসৰ সৃষ্টি কৰিছে। ব্ৰিটিছ ছেফটি কাউন্সিলৰ ছোৱৰ্ড অফ অনাৰ তথা ভাৰতৰ ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ সৰ্বোচ্চ সুৰক্ষা বঁটা লাভ কৰা বিশ্বৰ প্ৰথমটো ধৰ্মীয় প্ৰকল্প। ইয়াৰ পৰা দেখা যায় যে এই নিৰ্মাণ কেৱল বিশ্বাসেৰেই নহয়, বিশ্বব্যাপী অভিযান্ত্ৰিক আৰু সুৰক্ষাৰ মান অনুসৰিও কৰা হৈছিল। অযোধ্যা নগৰ এতিয়া কেৱল মন্দিৰ আৰু ভক্তিৰ নগৰ হৈ থকা নাই; বৰং সামগ্ৰিক বিকাশৰ লগে লগে ই জীৱনৰ পথৰ এক আলোক স্তম্ভ হৈ পৰিছে, যিয়ে ভৱিষ্যৎ প্ৰজন্মক সোঁৱৰাই থাকিব যে ধৰ্ম কেৱল পূজাৰ আচাৰ নহয়,

## পাম্বন দলং, তামিলনাডু



- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫ চনৰ ৬ এপ্ৰিলত পাম্বন দলং উদ্বোধন কৰে। এইখন ভাৰতৰ প্ৰথমখন উলম্ব উত্তোলক দলং, যিয়ে ৰামেশ্বৰ দ্বীপক ভাৰতৰ মণ্ডপাম চহৰৰ সৈতে সংযোগ কৰে।
- দলংখনে গভীৰ সাংস্কৃতিক তাৎপৰ্য্য বহন কৰিছে। ৰামায়ণৰ মতে, ৰামেশ্বৰমৰ সমীপৰ ধনুষকোডীত ৰামসেতু নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। ৰামেশ্বৰমক মূল ভূখণ্ডৰ সৈতে সংযোগ কৰা এই দলংখনে বিশ্বৰ মঞ্চত ভাৰতীয় অভিযান্ত্ৰিকতাৰ এক উল্লেখযোগ্য কৃতিত্ব হিচাপে থিয় দিছে।
- ইয়াক ৭০০ কোটি টকাতকৈ অধিক ব্যয়ৰে নিৰ্মাণ কৰা হৈছে। ইয়াৰ দৈৰ্ঘ্য ২.০৮ কিলোমিটাৰ, ৯৯টা স্পেন আৰু ৭২.৫ মিটাৰ উলম্ব লিফ্ট স্পেন যি ১৭ মিটাৰ উচ্চতালৈ উঠি যায়, যাৰ ফলত জাহাজৰ মসৃণ আহযাহৰ সুবিধা হয় আৰু নীৰৱচ্ছিন্নভাৱে ৰে'ল পৰিচালনা নিশ্চিত হয়।
- ষ্টেইনলেছ ষ্টীলৰ শক্তিবৰ্ধক, উচ্চ গ্ৰেডৰ সুৰক্ষামূলক ৰং, আৰু সম্পূৰ্ণৰূপে ৱেল্ডিং কৰা সংযোগৰ সৈতে নিৰ্মিত এই দলংখনে অধিক স্থায়িত্ব প্ৰদান কৰে আৰু কম ৰক্ষণাবেক্ষণৰ প্ৰয়োজন হয়। ভৱিষ্যতৰ চাহিদা পূৰণৰ বাবে ইয়াক দ্বৈত ৰে'লপথৰ বাবে ডিজাইন কৰা হৈছে। বিশেষ পলিচিল'ক্সেন আৱৰণে ইয়াক জাৰণৰ পৰা ৰক্ষা কৰে, যাৰ ফলত কঠোৰ সাগৰীয় পৰিৱেশত দীৰ্ঘায়ু নিশ্চিত হয়।








## কাশ্মীৰৰ ধৰ্মীয় স্থানসমূহৰ পুনৰ গৌৰৱ লাভ

*২০১৯ চনৰ আগষ্ট মাহত কাশ্মীৰৰ পৰা ৩৭০ অনুচ্ছেদ বাতিল কৰা হৈছিল। সন্ত্ৰাসবাদৰ ক্ষেত্ৰত শূন্য সহনশীলতা নীতিও গ্ৰহণ কৰা হয়। ইয়াৰ ফলত সন্ত্ৰাসবাদৰ ভাবুকি বিফল হ'ল, ধ্বংসপ্ৰাপ্ত আৰু পৰিত্যক্ত ধৰ্মীয় স্থানসমূহ পুনৰুদ্ধাৰ কৰিব পৰা গ'ল।*

- স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত ৩০০ বছৰীয়া ৰঘুনাথ মন্দিৰ, দলগেটৰ এটা গীৰ্জা আৰু শ্ৰীনগৰৰ এটা মছজিদ পুনৰুদ্ধাৰৰ বাবে প্ৰথম স্থান হিচাপে নিৰ্বাচিত কৰা হয়।
- পুনৰ গৌৰৱ লাভ কৰিছে ৰঘুনাথ মন্দিৰে। এতিয়া ই কেৱল পূজাস্থলী নহয়, বৰং যুৱক-যুৱতীসকলক ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে প্ৰদৰ্শনীৰো আয়োজন কৰে।
- ২০২১ চনৰ জুন মাহত সেনাবাহিনীয়ে এক ভব্য উদ্বোধনী অনুষ্ঠানৰ অন্তত গুলমাৰ্গৰ পুনৰুজ্জীৱিত শিৱ মন্দিৰ পুনৰ মুকলি কৰে।
- ২০২২ চনৰ মে' মাহত অনন্তনাগ জিলাৰ মাৰ্টাণ্ড সূৰ্য্য মন্দিৰতো প্ৰাৰ্থনা কৰা হয়। ইয়াৰ পূৰ্বে ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত বসন্ত পঞ্চমীৰ পৰা শীতলনাথ মন্দিৰতো প্ৰাৰ্থনা আৰম্ভ কৰা হৈছিল।
- প্ৰতি বছৰে ভক্তসকলে শ্ৰীনগৰৰ পৰা প্ৰায় ২৭ কিলোমিটাৰ নিলগৰ মধ্য কাশ্মীৰৰ ক্ষীৰ ভৱানী মন্দিৰলৈ গৈ প্ৰাৰ্থনা কৰে।
- কাশ্মীৰী পণ্ডিতসকলৰ আধ্যাত্মিক জীৱনত এই মন্দিৰে এক পৱিত্ৰ স্থান দখল কৰিছে। ২০২২ চনত জ্যেষ্ঠ অষ্টমীৰ শুভ উপলক্ষত ১৮ হাজাৰ কাশ্মীৰী পণ্ডিত আৰু ভক্তই মা ক্ষীৰ ভৱানী দৰ্শন কৰে।

## বৌদ্ধ চাৰ্কিটে আকাশী যানৰ সংযোগ লাভ কৰে

*২০২১ চনৰ ২০ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুশীনগৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ উদ্বোধন কৰে, যাৰ ফলত পৰ্যটকৰ আগমন বৃদ্ধি পোৱাৰ লগতে স্থানীয় বাসিন্দাসকলৰ বাবে অধিক কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে।*

- কুশীনগৰ হৈছে আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ তীৰ্থ কেন্দ্ৰ, য'ত ভগৱান গৌতম বুদ্ধই মহাপৰিনিৰ্বাণ লাভ কৰিছিল। ইয়াৰ উপৰিও ই বৌদ্ধ চাৰ্কিটৰ কেন্দ্ৰবিন্দু, য'ত লুম্বিনী, সাৰনাথ, গয়াজী তীৰ্থস্থানসমূহ অন্তৰ্ভুক্ত কৰা হৈছে।
- কেন্দ্ৰীয় চৰকাৰে ভগৱান বুদ্ধৰ সৈতে জড়িত বৌদ্ধ স্থানসমূহৰ বাবে বৌদ্ধ চাৰ্কিট গঢ়ি তুলিছে। বৌদ্ধ চাৰ্কিটৰ অধীনত মূল উন্নয়নমূলক পদক্ষেপসমূহৰ ভিতৰত আছে সংযোগ, আন্তঃগাঁথনি আৰু লজিষ্টিক, সাংস্কৃতিক গৱেষণা, ঐতিহ্য আৰু শিক্ষা, জনসচেতনতা, যোগাযোগ, আৰু প্ৰচাৰ।
- বিমানবন্দৰটোৱে ভাৰত আৰু বিদেশৰ পৰা অধিক বৌদ্ধ অনুগামীক কুশীনগৰলৈ আকৰ্ষণ কৰিছে। বৌদ্ধ চাৰ্কিটত লুম্বিনী, বোধগয়া, সাৰনাথ, কুশীনগৰ, শ্ৰাৱস্তী, ৰাজগীৰ, শংকিছা, বৈশালীলৈ যাত্ৰা কৰিবলৈ এতিয়া কম সময় লাগে।
- ভগৱান বুদ্ধৰ জন্মস্থান লুম্বিনী ভ্ৰমণ কৰা প্ৰথম প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী।

## পন্ধৰপুৰঃ ভ্ৰমণ সহজ কৰি তুলিবলৈ পালখি মাৰ্গ

- ২০২১ চনৰ ৮ নৱেম্বৰত প্ৰধানমন্ত্ৰী মোদীয়ে পন্ধৰপুৰলৈ ঘাইপথ সংযোগ উন্নত কৰাৰ বাবে ২২৩ কিলোমিটাৰতকৈ অধিক পথ প্ৰকল্প দেশৰ বাবে উৎসৰ্গা কৰে।
- ইয়াৰ ভিতৰত ৫৬১এ নং ৰাষ্ট্ৰীয় ঘাইপথৰ টেম্ভুৰ্ণী-পন্ধৰপুৰ অংশ, ৫৬১এ ৰাষ্ট্ৰীয় ঘাইপথৰ পন্ধৰপুৰ-মংগলবেধা-উমাদি অংশ আদি অন্তৰ্ভুক্ত।
- তীৰ্থযাত্ৰীসকলৰ পন্ধৰপুৰ ভ্ৰমণৰ সুবিধাৰ প্ৰয়াসত প্ৰধানমন্ত্ৰী মোদীয়ে শ্ৰী সন্ত জ্ঞানেশ্বৰ মহাৰাজ পালখি মাৰ্গৰ পাঁচটা খণ্ড আৰু শ্ৰী সন্ত টুকাৰাম মহাৰাজ পালখি মাৰ্গৰ তিনিটা খণ্ডৰ চাৰিলেনিঙৰ আধাৰশিলা স্থাপন কৰে।
- এয়া ভাৰতৰ যুৱক-যুৱতীসকলৰ মাজত ৰাৰকাৰী পৰম্পৰাক অধিক জনপ্ৰিয় কৰি তোলাৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰচেষ্টাৰ এটা অংশ।

প্ৰচ্ছদ নিবন্ধ

সাংস্কৃতিক নৱজাগৰণ

“

সাংস্কৃতিক ঐতিহ্য কেৱল ইতিহাস নহয়; ই হৈছে মানৱতাৰ উমৈহতীয়া চেতনা। আমি যেতিয়াই ঐতিহাসিক স্থানলৈ যাওঁ, তেতিয়াই আমাৰ চিন্তাধাৰাই বৰ্তমানৰ ভূ-ৰাজনৈতিক কাৰকক অতিক্ৰম কৰে।

-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

বৰঞ্চ আচৰণৰ দৃষ্টিভংগী আৰু সমাজৰ ভেটি। অযোধ্যাত ৰে'ল ষ্টেচনৰ সমান্তৰালকৈ বিশ্বমানৰ বিমানবন্দৰো নিৰ্মাণ কৰা হৈছে। সংযোগ আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যটনৰ দ্বাৰা সমগ্ৰ অঞ্চলটো উপকৃত হৈছে। অযোধ্যাৰ উন্নয়নৰ সমান্তৰালকৈ ৰামায়ণ চাৰ্কিটৰ বিকাশৰ কামো চলি আছে। অযোধ্যাৰ পৰা আৰম্ভ হোৱা উন্নয়নৰ পদক্ষেপ আশে-পাশে থকা সমগ্ৰ অঞ্চললৈ সম্প্ৰসাৰিত হৈছে। এই সাংস্কৃতিক বিকাশৰ বহুতো সামাজিক আৰু আন্তঃৰাষ্ট্ৰীয় মাত্ৰাও আছে। ৫১ ফুট উচ্চতাৰ ব্ৰঞ্জৰ ভগৱান ৰাম আৰু নিশাদৰাজৰ প্ৰতিমূৰ্তিৰে শৃংগাৰেৰপুৰ ধামত নিশাদৰাজ উদ্যান নিৰ্মাণে সমতা আৰু সমন্বয়ৰ প্ৰতি দায়বদ্ধ এক সৰ্বাংগীণ বাৰ্তা প্ৰদান কৰিব। একেদৰে অযোধ্যাত কুইন-হো মেম'ৰিয়েল পাৰ্ক নিৰ্মাণে ভাৰত-দক্ষিণ কোৰিয়াৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক শক্তিশালী কৰাৰ লগতে দুয়োখন দেশৰ মাজত সাংস্কৃতিক সম্পৰ্ক শক্তিশালী কৰাৰ মাধ্যম হিচাপে কাম কৰিব। চৰকাৰে মুকলি কৰা ৰামায়ণ এক্সপ্ৰেছ ৰে'লখন আধ্যাত্মিক পৰ্যটনৰ দিশত এক ডাঙৰ পদক্ষেপ। অযোধ্যা ভিজন ২০৪৭ৰ দৃষ্টিভংগী এতিয়া দ্ৰুতগতিত গঢ় লৈ উঠিছে। নতুন সংযোগ, অত্যাধুনিক আন্তঃগাঁথনি, দ্ৰুত পৰ্যটন উন্নয়ন, আৰু স্মাৰ্ট চিটি আৰু ছ'লাৰ চিটিৰ দৰে



## সূৰ্য্য মন্দিৰ সম্পূৰ্ণ সৌৰশক্তিচালিত

- কোনাৰ্ক সূৰ্য্য মন্দিৰৰ পিছতে দ্বিতীয় স্থানত থকা মধেৰা সূৰ্য্য মন্দিৰ গুজৰাটৰ মন্দিৰ স্থাপত্যৰ এক সুন্দৰ উদাহৰণ। একাদশ শতিকাত নিৰ্মিত মেহছানা জিলাৰ বেচৰাজী তালুকৰ পাটন চহৰৰ পৰা ৩০ কিলোমিটাৰ নিলগত ই ৰূপেন নদীৰ উপনৈ পুষ্পৱতী নদীৰ বাওঁপাৰত অৱস্থিত।
- ২০২২ চনৰ ৯ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সম্পূৰ্ণ সৌৰশক্তিচালিত ভাৰতৰ প্ৰথমটো ঐতিহ্য ক্ষেত্ৰ গুজৰাটৰ মধেৰা সূৰ্য্য মন্দিৰত ঐতিহ্য পোহৰৰ শুভাৰম্ভ কৰে। থ্ৰীডি প্ৰজেকচন মেপিঙো আৰম্ভ হ'ল।
- ২০২০ চনৰ মে' মাহত ভাৰত চৰকাৰে ওড়িশাৰ ঐতিহাসিক কোনাৰ্ক সূৰ্য্য মন্দিৰ আৰু কোনাৰ্ক চহৰ ১০০% সৌৰশক্তিকৰণৰ পৰিকল্পনা আৰম্ভ কৰে। ইয়াৰ দ্বাৰা মহানগৰীৰ শক্তিৰ প্ৰয়োজনীয়তা পূৰণ হ'ব।
- এই পৰিকল্পনা প্ৰধানমন্ত্ৰী মোদীৰ কোনাৰ্ক সূৰ্য্য মন্দিৰক “সূৰ্য্য চহৰ” হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ বাবে আৰম্ভ কৰা হৈছিল।
- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-২০ সন্মিলনৰ সময়ত কোনাৰ্ক সূৰ্য্য মন্দিৰ আৰু নালন্দা বিশ্ববিদ্যালয় প্ৰদৰ্শন কৰি ভাৰতৰ ঐতিহ্য আৰু শক্তিশালী ইতিহাস বিশ্ববাসীৰ আগত প্ৰদৰ্শন কৰে।

## স্বদেশ দৰ্শন-প্ৰসাদ আঁচনিৰ অধীনত গন্তব্যস্থান

*স্বদেশ দৰ্শন কেন্দ্ৰীয় পুঁজিৰে চলি থকা আঁচনি। এই আঁচনিৰ অধীনত পৰ্যটন মন্ত্ৰালয়ে এতিয়ালৈকে ৭৬টা প্ৰকল্পত অনুমোদন জনাইছে। এই আঁচনিৰ অধীনত পৰ্যটনস্থলীসমূহ অত্যাধুনিক সা-সুবিধাৰে সজ্জিত কৰা হৈছে। প্ৰসাদ আঁচনিৰ অধীনত ১৫৯৪.৪০ কোটি টকাৰ আনুমানিক ব্যয়ৰ ৪৭টা প্ৰকল্প অনুমোদন কৰা হৈছে, আৰু ২৬টা নতুন গন্তব্যস্থান চিনাক্ত কৰা হৈছে। ইয়াৰ উদ্দেশ্য দেশৰ নিৰ্বাচিত তীৰ্থস্থানসমূহৰ সামগ্ৰিক উন্নয়ন কৰা।*

- পৰ্যটন মন্ত্ৰালয়ে এতিয়া স্বদেশ দৰ্শন আঁচনিখনক স্বদেশ দৰ্শন ২.০ (SD ২.০) হিচাপে নতুন ৰূপ দিছে। ইয়াৰ উদ্দেশ্য হৈছে পৰ্যটন আৰু গন্তব্যস্থানকেন্দ্ৰিক পদ্ধতিৰে বহনক্ষম পৰ্যটন স্থলী গঢ়ি তোলা।





## ভাৰতৰ আটাইতকৈ পুৰণি জ্যোতিৰ্লিংগ মন্দিৰৰ পুনৰ উন্নয়ন

### শ্ৰী সোমনাথ মন্দিৰ

*সোমনাথ মন্দিৰ যি পৰিস্থিতিত ধ্বংস হৈছিল, আৰু পৰৱৰ্তী সময়ত চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰচেষ্টাত ইয়াৰ পুনৰ্নিৰ্মাণে ৰাষ্ট্ৰৰ বাবে এক গভীৰ বাৰ্তা বহন কৰিছে। সোমনাথৰ দৰে বিশ্বাস আৰু সংস্কৃতিৰ স্থানসমূহ জাতিটোৰ অতীতৰ পৰা শিকাৰ বাবে গুৰুত্বপূৰ্ণ কেন্দ্ৰ...*

- প্ৰতি বছৰে দেশৰ বিভিন্ন ৰাজ্য আৰু বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় এক কোটি ভক্ত সোমনাথ মন্দিৰলৈ আহে।
- **চাৰ্কিট হাউছ:** ২০২২ চনৰ ২১ জানুৱাৰীত গুজৰাটৰ সোমনাথত এটা নতুন চাৰ্কিট হাউছ উদ্বোধন কৰা হয়। চাৰ্কিট হাউছৰ প্ৰতিটো কোঠাৰ পৰা দৰ্শকে সাগৰ আৰু সোমনাথৰ শৃংগ চাব পাৰে।
- **সমুদ্ৰ দৰ্শন পথ:** সোমনাথৰ প্ৰাকৃতিক সৌন্দৰ্য্যক মনত ৰাখি কেন্দ্ৰীয় চৰকাৰৰ 'প্ৰসাদ' আঁচনিৰ অধীনত সমুদ্ৰ দৰ্শন পথ নিৰ্মাণ কৰা হয়। ১.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই সমুদ্ৰ দৰ্শন পথ সাগৰৰ পাৰত নিৰ্মাণ কৰা হৈছে।
- **সোমনাথ প্ৰদৰ্শনী গেলেৰী:** এই গেলেৰী মন্দিৰ স্থাপত্যৰ বিষয়বস্তুৰ ওপৰত নিৰ্মাণ কৰা হৈছে। সোমনাথ মন্দিৰৰ খণ্ডিত অৱশিষ্ট ইয়াত সংৰক্ষিত হৈ আছে। মন্দিৰৰ স্থাপত্য, তাৎপৰ্য্য আৰু অন্যান্য তথ্য হিন্দী আৰু ইংৰাজীৰ লগতে ব্ৰেইল লিপিতো দিয়া হৈছে।
- **প্ৰাচীন সোমনাথ মন্দিৰ:** ইন্দোৰৰ মাৰাঠা ৰাণী মাটো শ্ৰী অহিল্যাবাই হোলকাৰে ১৭৮৩ চনত প্ৰাচীন সোমনাথ মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। এই মন্দিৰতে সোমনাথৰ ওপৰত হৈ থকা আক্ৰমণৰ সময়ত সোমনাথ মহাদেৱৰ পূজা কৰা হৈছিল। পৱিত্ৰ উপাসনা ক্ষেত্ৰ আৰু দুৰ্গম প্ৰৱেশদ্বাৰৰ সৈতে পুৰণি মন্দিৰ কমপ্লেক্সটো সংস্কাৰ কৰি মুঠ ১৮০০ বৰ্গমিটাৰ মাটিকালি অন্তৰ্ভুক্ত কৰা হৈছে। মন্দিৰৰ প্ৰৱেশদ্বাৰ সুশৃংখলিত কৰা হৈছে।
- **শ্ৰী পাৰ্বতী মন্দিৰ:** ২০২১ চনৰ আগষ্ট মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই মন্দিৰৰ আধাৰশিলা স্থাপন কৰিছিল। প্ৰায় ৩০ কোটি টকা ব্যয় সাপেক্ষে এই মন্দিৰটো সোমপুৰা চালাত শৈলীত মন্দিৰ নিৰ্মাণ, গৰ্ভগৃহ আৰু নৃত্য মণ্ডপ বিকাশৰ সংকল্পক ট্ৰাষ্টে সিদ্ধিৰ পথত আগবঢ়াই লৈ গৈছে।
- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত ২০২৩ চনৰ ৩০ অক্টোবৰত সোমনাথ ট্ৰাষ্টৰ এখন বৈঠক অনুষ্ঠিত হয়। ট্ৰাষ্টৰ পৰিৱেশ অনুকূল ব্যৱস্থা আৰু মন্দিৰ কমপ্লেক্সে কেনেকৈ শেহতীয়া প্ৰযুক্তিৰ সহায় লৈ তীৰ্থযাত্ৰাৰ অভিজ্ঞতাক আৰু অধিক স্মৰণীয় কৰি তুলিব পাৰে তাৰ পৰ্যালোচনা কৰা হয়।

### দেওঘৰে (বাবা বৈদ্যনাথ ধাম) লাভ কৰে বিমান সংযোগ

- প্ৰধানমন্ত্ৰী মোদীয়ে ২০২২ চনৰ জুলাই মাহত দেওঘৰত ১৬,৮০০ কোটি টকাতকৈ অধিক মূল্যৰ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।
- প্ৰসাদ আঁচনিৰ অধীনত ঝাৰখণ্ডৰ দেওঘৰৰ বাবা বৈদ্যনাথ ধামত আধুনিক সা-সুবিধা সম্প্ৰসাৰণ কৰা হৈছে।
- ৪০০ কোটি টকা ব্যয়েৰে বাবা বৈদ্যনাথ ধামলৈ বিমান সংযোগ প্ৰদানৰ বাবে দেওঘৰ বিমানবন্দৰৰ উদ্বোধন।
- দুটা বৃহৎ তীৰ্থ মণ্ডলী ভৱন আৰু শিৱগংগা পুখুৰী নিৰ্মাণ, প্ৰত্যেকতে ২০০০ তীৰ্থযাত্ৰীৰ ক্ষমতা।
- দেওঘৰ আৰু সমগ্ৰ ঝাৰখণ্ডৰ ৰোগীসকলক উন্নত আৰু আধুনিক চিকিৎসা প্ৰদানৰ বাবে ২০১৮ চনৰ মাৰ্চ মাহত দেওঘৰ এইমছৰ আধাৰশিলা স্থাপন কৰা হয়।
- এইমছত ইন-পেচেন্ট ডিপাৰ্টমেণ্ট (আইপিডি) আৰু অপাৰেচন থিয়েটাৰৰ সুবিধা উদ্বোধন কৰে প্ৰধানমন্ত্ৰী মোদীয়ে।

প্ৰচ্ছদ নিবন্ধ

সাংস্কৃতিক নৱজাগৰণ

"

ভাৰতে এক উল্লেখযোগ্য সাংস্কৃতিক নৱজাগৰণৰ সাক্ষী হৈ আছে। অযোধ্যাৰ ৰাম মন্দিৰৰ পুনৰুদ্ধাৰ, কাশী বিশ্বনাথ ধামৰ ভব্য পুনৰুদ্ধাৰ, উজ্জয়িনৰ মহালোকৰ সম্প্ৰসাৰণ আদি সকলোবোৰেই আমাৰ ৰাষ্ট্ৰৰ জাগৰণক প্ৰতিফলিত কৰিছে, যিয়ে ইয়াৰ আধ্যাত্মিক ঐতিহ্যক নৱীকৃত শক্তিৰে পুনৰ সজীৱ কৰি তুলিছে।

-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

পদক্ষেপে অযোধ্যাক বিশ্বজুৰি এখন বহনক্ষম, অন্তৰ্ভুক্ত, আৰু সাংস্কৃতিক চহৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। লাখ লাখ ভক্তৰ বাবে শ্ৰী অযোধ্যা ধামৰ প্ৰৱেশ পূৰ্বতকৈ সহজ, সুৰক্ষিত, আৰু অধিক সুলভ হৈ পৰিছে। ভগৱান শ্ৰীৰামৰ এই চহৰখন বিশ্বৰ মানচিত্ৰত সাংস্কৃতিক ৰাজধানী হিচাপে আত্মপ্ৰকাশ কৰিছে, য'ত ঐতিহ্যক সন্মান জনোৱা হৈছে আৰু অভূতপূৰ্ব উন্নয়নো হৈছে।

**উন্নয়ন আৰু ঐতিহ্যৰ একেলগে অগ্ৰগতি**

পৃথিৱীৰ যিকোনো দেশেই উন্নয়নৰ নতুন উচ্চতাত উপনীত হ'ব বিচাৰিলে নিজৰ ঐতিহ্য সংৰক্ষণ কৰিব লাগিব। আমাৰ ঐতিহ্যই আমাক অনুপ্ৰাণিত কৰে আৰু সঠিক পথ দেখুৱায়। গতিকে আজিৰ ভাৰতবৰ্ষই প্ৰাচীন আৰু নতুন দুয়োটাকে সাৱোগত কৰি আগবাঢ়িছে। সাংস্কৃতিক ঐতিহ্য হৈছে ভাৰতৰ বিকশিত ৰাষ্ট্ৰ হোৱাৰ সংকল্পৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। অতীজৰে পৰা ভাৰতক বিশ্বৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ সৈতে জড়িত জ্ঞানৰ কেন্দ্ৰ হিচাপে গণ্য কৰা হয়। বিদেশী শাসক আৰু ঔপনিৱেশিক যুগে বহু গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানৰ ইমান ক্ষতিসাধন কৰিছিল যে আজিলৈকে সেইবোৰ পুনৰুজ্জীৱিত হোৱা

*প্ৰধানমন্ত্ৰী মোদীৰ ৯টা প্ৰস্তাৱৰ ভিতৰত আছে আমাৰ ঐতিহ্যৰ সৈতে জড়িত দেশৰ কমেও ২৫খন স্থান ভ্ৰমণ কৰিবলৈ নাগৰিকসকলক আহ্বান জনোৱা।*

## হেমকুণ্ড চাহিব ৰ'পৱে

- ২০২২ চনৰ অক্টোবৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোবিন্দঘাটক হেমকুণ্ড চাহিবৰ সৈতে সংযোগ কৰা হেমকুণ্ড চাহিব ৰ'পৱে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।
- ইয়াৰ দৈৰ্ঘ্য প্ৰায় ১২.৪ কিলোমিটাৰ হ'ব। বৰ্তমানৰ এদিনীয়া এই যাত্ৰাত মাত্ৰ ৪৫ মিনিট সময় লাগিব।
- এই ৰ'পৱেই হেমকুণ্ড চাহিবৰ কঠিন পথত খোজ কঢ়াৰ কষ্ট নাইকিয়া কৰিব। এই ৰ'পৱেই ভেলী অৱ ফ্লাৱাৰ্ছ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ ঘংগৰিয়াকো সংযোগ কৰিব।

## গিৰনাৰ ৰ'পৱে



- গিৰনাৰ পৰ্বতত দেৱী অম্বাৰ বাসস্থান। ইয়াৰ উপৰিও ইয়াত গোৰখনাথ শৃংগ, গুৰু দত্তত্ৰেয় শৃংগ, আৰু জৈন মন্দিৰ আছে। বিশ্বমানৰ ৰ'পৱে নিৰ্মাণৰ ফলত এতিয়া সকলোৱে সুবিধা আৰু ভ্ৰমণৰ সুযোগ লাভ কৰিছে। আগতে মন্দিৰ পাবলৈ ৫-৭ ঘণ্টা সময় লাগিছিল। এতিয়া, ৰ'পৱেই মাত্ৰ ৭-৮ মিনিটতে সেই দূৰত্ব অতিক্ৰম কৰে। এই নতুন সুবিধাই অধিক ভক্ত আৰু পৰ্যটকক আকৰ্ষণ কৰিছে।
- ২০২০ চনৰ ২৪ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গিৰনাৰত ৰ'পৱে উদ্বোধন কৰে। ভৱনাথৰ পাদদেশৰ পৰা গিৰনাৰ পৰ্বতৰ অম্বাজী মন্দিৰলৈকে ৰ'পৱে নিৰ্মাণে বিশ্ব মানচিত্ৰত নিজৰ স্থান প্ৰতিষ্ঠা কৰিছে।
- প্ৰথম অৱস্থাত আঠজন লোক কঢ়িয়াব পৰাকৈ ২৫-৩০টা কেবিন স্থাপন কৰা হৈছিল। ২.৩ কিলোমিটাৰ দূৰত্ব এতিয়া মাত্ৰ চাৰে সাত মিনিটতে ৰ'পৱেৰে অতিক্ৰম কৰিব পৰা যাব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৪ চনৰ ২২ জানুৱাৰীত শ্ৰী ৰাম লালাৰ প্ৰাণ প্ৰতিষ্ঠাত মুখ্য যজমান হোৱাৰ পূৰ্বে, ১১ দিনৰ বিশেষ যম-নিয়ম (ধৰ্মীয় ৰীতি-নীতি) কঠোৰভাৱে পালন কৰিছিল আৰু শ্ৰী ৰাম লালাৰ গৰ্ভগৃহত প্ৰাণ প্ৰতিষ্ঠাৰ পিছত চৰণামৃতেৰে নিজৰ উপবাস ভাঙিছিল।



## গুজৰাটৰ শক্তিপীঠ পৱগধ চহৰৰ পুনৰ উন্নয়ন

### গুজৰাটত পৱগধ

*পৱগধ আধ্যাত্মিকতা, ইতিহাস, প্ৰকৃতি, শিল্প, সংস্কৃতিৰ এখন চহৰ। এফালে মহাকালী দেৱীৰ শক্তিপীঠ, আনফালে জৈন মন্দিৰৰ ঐতিহ্যৰ বাসস্থান। ভাৰতৰ ঐতিহাসিক বৈচিত্ৰ্যক প্ৰতিফলিত কৰি ধৰ্মীয় সম্প্ৰীতিৰ কেন্দ্ৰবিন্দু হৈ আহিছে পৱগধ। ইউনেস্ক'ই চম্পানেৰৰ প্ৰত্নতাত্ত্বিক স্থানক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে তালিকাভুক্ত কৰিছে।*

- ২০২২ চনৰ ১৮ জুনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পঞ্চমহলৰ পৱগধত পুনৰ উন্নীতকৃত শ্ৰী কালিকা মাতা মন্দিৰ উদ্বোধন কৰে। স্বাধীনতাৰ পাঁচ শতিকা আৰু ৭৫ বছৰৰ পাছত শিখৰ ধ্বজা উত্তোলন কৰা হয়।
- অঞ্চলটোৰ অন্যতম পুৰণি মন্দিৰ।
- মন্দিৰটো দুটা পৰ্যায়ত পুনৰ নিৰ্মাণ কৰা হৈছে। ২০২২ চনৰ এপ্ৰিল মাহত প্ৰধানমন্ত্ৰীয়ে প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰিছিল।

### উমৈহতীয়া ঐতিহ্য আৰু জনজাতীয় সংগ্ৰহালয়

- দেশৰ স্বাধীনতা সংগ্ৰামত জনজাতীয় লোকসকলে আগবঢ়োৱা ত্যাগ আৰু অৱদানক যথাযথ স্বীকৃতি দিবলৈ প্ৰধানমন্ত্ৰী মোদীৰ নিৰ্দেশনামৰ্মে 'জনজাতীয় স্বাধীনতা সংগ্ৰামী সংগ্ৰহালয়' স্থাপন কৰা হৈছে।
- জনজাতীয় স্বাধীনতা সংগ্ৰামীসকলৰ বাবে উৎসৰ্গিত প্ৰথম সংগ্ৰহালয় হৈছে ৰাঁচীৰ ভগৱান বীৰছা মুণ্ডা সংগ্ৰহালয়। আন দহটা জনজাতীয় সংগ্ৰহালয় নিৰ্মাণৰ কাম চলি আছে।
- জনজাতীয় গৌৰৱ দিৱস জনজাতীয় স্বাধীনতা সংগ্ৰামীসকলৰ বাবে উৎসৰ্গিত।
- ৰাষ্ট্ৰপতি ভৱন সংগ্ৰহালয় - দ্বিতীয় পৰ্যায়, নতুন দিল্লী।
- কৰ্তব্য পথত নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিমূৰ্তি অনাৱৰণৰ আৰু দীৰ্ঘদিনীয়া দাবী পূৰণ। সুভাষ চন্দ্ৰ বসু সংগ্ৰহালয়, দিল্লী।
- ক্ৰান্তি মন্দিৰ — স্বাধীনতা সংগ্ৰামীসকলৰ বাবে উৎসৰ্গিত সংগ্ৰহালয়।
- জালিয়ানৱালা বাগ মেম'ৰিয়েল কমপ্লেক্সৰ পুনৰুজ্জীৱন।
- ভাৰতীয় চিনেমাৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়, মুম্বাই।
- নতুন দিল্লীৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীসকলৰ বাবে উৎসৰ্গিত প্ৰধানমন্ত্ৰী সংগ্ৰহালয়।
- ২০১৪ চনৰ আগতে মাত্ৰ ১৩টাৰ তুলনাত ২০১৪ চনৰ পিছৰ পৰা এতিয়ালৈকে ৬৪২টা প্ৰাচীন সামগ্ৰী ভাৰতে লাভ কৰিছে। ২০১৬ চনৰ পৰা এতিয়ালৈকেআমেৰিকাৰ পৰা ৫৭৮টা সাংস্কৃতিক সামগ্ৰী ভাৰতলৈ ঘূৰাই অনা হৈছে।

নাই। কিন্তু 'দেশ, সময়, পৰিস্থিতি'ৰ গুৰুত্বৰ এই বৰ্ণনা প্ৰাচীন পৱিত্ৰ গ্ৰন্থসমূহত উল্লেখ আছে আৰু বিগত ১১ বছৰত আমি ধৰ্মৰ সামগ্ৰিক দৃষ্টিভংগীৰ বৃহৎ আৰু স্পষ্ট পৰিৱৰ্তনৰ সাক্ষী হৈছোঁ। ভূ-ৰাজনীতিৰ পৰা বৈদেশিক নীতিলৈকে, 'ভাৰতীয় চেতনা'ৰ একত্ৰীকৰণ আৰু 'আমি'ৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত বিশ্বৰ ভাৰতৰ প্ৰতি দৃষ্টিভংগীত গভীৰ প্ৰভাৱ পৰিছে। ভাৰতীয় সংবিধানৰ মূল প্ৰতিলিপিতো মৌলিক অধিকাৰৰ শিতানত ভগৱান শ্ৰী ৰাম, মাতৃ সীতা, আৰু লক্ষ্মণক বিজয়ৰ পিছত অযোধ্যালৈ উভতি অহাৰ চিত্ৰণ কৰা হৈছে। ভগৱান শ্ৰীৰাম মৌলিক অধিকাৰৰ প্ৰেৰণাৰ উৎস যে এইটোৱেই প্ৰমাণ। ভগৱান শ্ৰী ৰাম মন্দিৰ পুনৰ নিৰ্মাণৰ প্ৰচেষ্টা ৫০০ বছৰ ধৰি চলি আছিল। প্ৰধানমন্ত্ৰী মোদীৰ নিৰ্দেশনাত অৱশেষত ৰাম মন্দিৰ নিৰ্মাণৰ পথ মুকলি হ'ল। কাশী বিশ্বনাথ কৰিডৰ নিৰ্মাণৰ লগে লগে কাশীৰ ভাবমূৰ্তি ৰূপান্তৰিত হৈছে। কাশী-তামিল সংগমক উৎসৱ হিচাপে পালন কৰা হয়। কাশী তামিল সংগম কেৱল সংস্কৃতিৰ উদযাপন নহয়, বিশ্বাস আৰু ঐতিহ্যৰ হৃদয়স্পৰ্শী সংলাপ, য'ত তামিলনাডুৰ আবেগ কাশীৰ সৈতে সংযোগ ঘটে। এই অদম্য উদযাপন কাশী তামিল সংগমম ৪.০ এইবাৰ পুনৰ ২ ডিচেম্বৰৰ পৰা ১৫ ডিচেম্বৰলৈ অনুষ্ঠিত হয়। ভাৰত আৰু ইয়াৰ আধ্যাত্মিক ৰাজধানী কাশীৰ সাংস্কৃতিক গভীৰতাত নিজকে বিলীন কৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকে নিজকে সৌভাগ্যৱান বুলি গণ্য কৰে। ইয়াৰ ফলত বাৰাণসী আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলৰ অৰ্থনৈতিক প্ৰগতিৰ ক্ষেত্ৰতো নতুন গতি পোৱা গৈছে। সোমনাথ মন্দিৰ, উজ্জয়িনৰ মহাকাল লোক, গুৱাহাটীৰ কামাখ্যা মন্দিৰ, ওড়িশাৰ জগন্নাথ মন্দিৰ, আৰু চাৰধামৰ ৰূপান্তৰে সাংস্কৃতিক আৰু

“

আগন্তুক সময় নতুন সুযোগ আৰু নতুন সম্ভাৱনাৰে ভৰপূৰ, আৰু এই গুৰুত্বপূৰ্ণ সময়ছোৱাত ভগৱান ৰামৰ চিন্তাই আমাৰ প্ৰেৰণা হ'ব।

-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

আধ্যাত্মিক দিশত ভাৰতক বিশ্বৰ মঞ্চত সফলতাৰে স্থান দিছে। হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতীয় ইতিহাসৰ কেন্দ্ৰবিন্দু হৈ থকা উজ্জয়িনে পুনৰবাৰ ভাৰতৰ ভব্যতাৰ নতুন যুগৰ সূচনা কৰিছে। আজি কেদাৰনাথেও উন্নয়নৰ নতুন উচ্চতাত উপনীত হৈছে। বুদ্ধ চাৰ্কিট বিকশিত কৰি ভাৰতে পুনৰবাৰ বিশ্বক বুদ্ধৰ তপস্যাৰ দেশলৈ আমন্ত্ৰণ জনাইছে। সঁচা অৰ্থত ক'বলৈ গ'লে সাংস্কৃতিক ঐতিহ্যৰ সমৃদ্ধি এতিয়া ৰাষ্ট্ৰৰ প্ৰাণকেন্দ্ৰত পৰিণত হৈছে।

ইয়াৰ উপৰিও চালুক্য যুগত নিৰ্মিত গুজৰাটৰ মেহছানাৰ সূৰ্য্য মন্দিৰ পুনৰ নিৰ্মাণ কৰা হৈছে। পুনেৰ টুকাৰাম মহাৰাজ মন্দিৰ আৰু গুজৰাটৰ কালিকা মাতা মন্দিৰৰ দৰে অসংখ্য সাংস্কৃতিক আৰু আধ্যাত্মিক কেন্দ্ৰক পুনৰুজ্জীৱিত কৰাৰ বাবে চৰকাৰে কাম কৰিছে। এই বিশ্বাসৰ কেন্দ্ৰবোৰ কেৱল গাঁথনি নহয় বৰঞ্চ জীৱনৰ প্ৰাণকেন্দ্ৰৰ দৰে ভাৰতৰ প্ৰাণশক্তি। আমাৰ বাবে তেওঁলোক ইমানেই শক্তিশালী যে অতি কঠিন পৰিস্থিতিতো আমাক জীয়াই ৰাখে। এই দৃষ্টিভংগীয়ে বিগত কেইবছৰমানৰ পৰা দীৰ্ঘম্যাদী দৃষ্টিভংগীৰে পুনৰুজ্জীৱনৰ পদক্ষেপৰ সূচনা কৰিছে।

দেশ বিভাজনৰ সময়ত কৰতাৰপুৰ চাহিবক সীমান্তৰ সিটো পাৰে এৰি থৈ যোৱাৰ বিপৰীতে এতিয়া পবিত্ৰ গুৰুদ্বাৰা কৰতাৰপুৰ চাহিবৰ দুৱাৰ



## বাৰ্তাবাহক ব্যক্তিত্বৰ প্ৰেৰণাদায়ক মূৰ্তি

*প্ৰতিমূৰ্তিৰ প্ৰতি ভাৰতীয়সকলৰ অপৰিসীম বিশ্বাস আৰু ভক্তি আছে। এই কাৰণেই সমগ্ৰ দেশতে নতুন প্ৰজন্মক সংস্কৃতি, ধৰ্ম, ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়াৰ লগতে তেওঁলোকৰ ঐতিহ্যৰ প্ৰতি গৌৰৱৰ বাৰ্তা প্ৰেৰণ কৰিবলৈ সমগ্ৰ দেশতে মহান ব্যক্তি আৰু ধৰ্মগুৰুৰ ওখ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে।*

- ষ্টেচ্যু অব ইউনিটি: বিশ্বৰ আটাইতকৈ ওখ মূৰ্তি
  গুজৰাটৰ কেৱড়িয়াত নিৰ্মিত ভাৰতৰ একত্ৰীকৰণৰ স্থপতি চৰ্দাৰ বল্লভভাই পেটেলৰ ১৮২ মিটাৰৰ মূৰ্তিটো বিশ্বৰ ভিতৰতে আটাইতকৈ ওখ। ২০১৮ চনৰ ৩১ অক্টোবৰত এইটো উদ্বোধন কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।
- ষ্টেচ্যু অব ইকুৱেলিটি: বিশ্বৰ আটাইতকৈ ওখ বহি থকা মূৰ্তি
  বৈষ্ণৱী সন্ত শ্ৰীৰামানুজাচাৰ্য স্মাৰক হায়দৰাবাদৰ এই ২১৬ ফুট ওখ বহি থকা মূৰ্তিটো একাদশ শতিকাৰ বিশ্বৰ আটাইতকৈ ওখ মূৰ্তি। তেওঁ ধৰ্মীয় সংযোগ, জাতি, ধৰ্ম আদিকে ধৰি জীৱনৰ সকলো ক্ষেত্ৰতে সমতাৰ ধাৰণাক প্ৰচাৰ কৰিছিল। ২০২২ চনৰ ৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী মোদীয়ে পঞ্চধাতুৰে নিৰ্মিত এই প্ৰতিমূৰ্তি অনাৱৰণ কৰে।
- ষ্টেচ্যু অব প্ৰস্পাৰিটি
  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনৰ ১১ নৱেম্বৰত বেংগালুৰুৰ প্ৰতিষ্ঠাপক নদপ্ৰভু কেম্পেগৌড়াৰ ১০৮ ফুট ওখ ব্ৰঞ্জৰ মূৰ্তি অনাৱৰণ কৰে।
- সুহেলদেৱ স্মাৰক
  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত উত্তৰ প্ৰদেশৰ বাহৰেইচ জিলাত সুহেলদেৱ স্মাৰকৰ আধাৰশিলা স্থাপন কৰে। ভাৰতীয়ত্বৰ সুৰক্ষাৰ ক্ষেত্ৰত সুহেলদেৱৰ অৱদানৰ কথাও স্মৰণ কৰে।
- সন্ত টুকাৰাম মন্দিৰ
  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনেৰ ডেহুত জগদগুৰু শ্ৰী সন্ত টুকাৰাম মহাৰাজৰ মন্দিৰ উদ্বোধন কৰে। শ্ৰী সন্ত টুকাৰাম মহাৰাজৰ মৃত্যুৰ পিছত ৩৬টা শিলৰ কামেৰে এটা শিলৰ মন্দিৰ নিৰ্মাণ কৰা হৈছিল যদিও মন্দিৰ হিচাপে পৰিচালিত হোৱা নাছিল। ইয়াত সন্ত টুকাৰামৰ প্ৰতিমূৰ্তিও আছে।



## গোৱাত ৭৭ ফুট উচ্চতাৰ ভগৱান ৰামৰ প্ৰতিমূৰ্তি উন্মোচন

আজিৰ ভাৰতে... নৱীকৃত সংকল্প আৰু নৱীকৃত আত্মবিশ্বাসেৰে নিজৰ সাংস্কৃতিক পৰিচয়ক আগুৱাই লৈ গৈছে। ৰামায়ণ চাৰ্কিট, কৃষ্ণ চাৰ্কিট, গয়াৰ বিকাশ, কুম্ভমেলাৰ অভূতপূৰ্ব পৰিচালনা এই সকলোবোৰেই ইয়াৰ উদাহৰণ। এই জাগৰণে ভৱিষ্যত প্ৰজন্মক নিজৰ শিপাৰ সৈতে সংযুক্ত হৈ থাকিবলৈ অনুপ্ৰাণিত কৰে। এনে পৰিপ্ৰেক্ষিতত ২৮ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোৱা ভ্ৰমণ কৰি শ্ৰী সংস্থান গোকৰ্ণ পৰ্তাগালী জীৱোত্তম মঠৰ ৫৫০ বছৰীয়া জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰে, য'ত তেওঁ ভগৱান ৰামৰ ৭৭ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি উন্মোচন কৰে। এই প্ৰতিমূৰ্তিটো প্ৰখ্যাত ভাস্কৰ্য শিল্পী ৰাম সূতাৰে নিৰ্মাণ কৰিছিল। লগতে তেওঁ ৰামায়ণ থিম পাৰ্ক উদ্বোধন কৰাৰ লগতে বিশেষ ডাক টিকট আৰু এটা স্মাৰক মুদ্ৰা মুকলি কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ বিভিন্ন প্ৰান্তৰ ভক্তসকলক প্ৰতিমূৰ্তিটো পৰিদৰ্শন কৰিবলৈ আহ্বান জনায় আৰু ইয়াক এক বিশেষ অভিজ্ঞতা বুলি অভিহিত কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে কৰ্ণাটকৰ শ্ৰীকৃষ্ণ মঠত কৰা আবেদনৰ সৈতে মিল থকা ৯টা সংকল্পপুনৰবাৰ উল্লেখ কৰি কয় যে বিকশিত ভাৰতৰ সপোন তেতিয়াহে বাস্তৱায়িত হ'ব যেতিয়া আমি পৰিৱেশ সুৰক্ষাক আমাৰ ধৰ্ম বুলি গণ্য কৰোঁ। পৃথিৱী আমাৰ মাতৃ, মঠৰ শিক্ষাই আমাক প্ৰকৃতিক সন্মান কৰিবলৈ শিকায়।

## ধৰ্মৰ লগতে মানৱতা আৰু সংস্কৃতিক ৰক্ষা কৰা এটা মঠ

দক্ষিণ গোৱাত অৱস্থিত শ্ৰী সংস্থান গোকৰ্ণ পৰ্তাগালী জীৱোত্তম মঠক যুগ যুগ ধৰি সমাজৰ প্ৰতিটো শ্ৰেণীকে সহায় কৰি অহা সেৱাৰ মনোভাৱৰ দ্বাৰা চিহ্নিত কৰা হৈছে। যেতিয়া অঞ্চলটোৱে প্ৰতিকূলতাৰ সন্মুখীন হৈছিল, তেতিয়া মঠটোৱে সমাজখনক সহায় আগবঢ়াইছিল। আজি শিক্ষাৰ পৰা আৰম্ভ কৰি হোষ্টেললৈকে, বৃদ্ধৰ যত্নৰ পৰা আৰম্ভ কৰি আৰ্ত পৰিয়াললৈ সাহায্যলৈকে মঠটোৱে নিজৰ সম্পদসমূহ জনকল্যাণৰ বাবে ধাৰাবাহিকভাৱে উৎসৰ্গা কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে মঠৰ প্ৰতিটো পদক্ষেপেই এই কথাৰ প্ৰমাণ যে যেতিয়া আধ্যাত্মিকতা সেৱাৰ লগত মিলি যায় তেতিয়া সমাজে স্থিৰতা আৰু প্ৰগতিৰ প্ৰেৰণা লাভ কৰে। যুগ যুগ ধৰি গোৱাৰ পবিত্ৰ ভূমিত ভক্তি, সাধু পৰম্পৰা, সাংস্কৃতিক সাধনাৰ এক অবিৰত সোঁত বৈ আহিছে। এই ভূমিৰ লগতে ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্যয়ো "দক্ষিণ কাশী"ৰ পৰিচয় ধাৰণ কৰিছে। পৰ্তাগালী মঠে এই পৰিচয় আৰু অধিক গভীৰ কৰি তুলিছে।



*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ QR ক'ড স্কেন কৰক।*

প্ৰচ্ছদ নিবন্ধ
সাংস্কৃতিক নৱজাগৰণ

*কেন্দ্ৰীয় কেবিনেটে অযোধ্যাত শ্ৰী ৰাম লাল্লাৰ অভিষেক সন্দৰ্ভত প্ৰকাশ কৰা প্ৰস্তাৱত উল্লেখ কৰিছে যে, "১৯৪৭ চনত ৰাষ্ট্ৰখনে স্বাধীনতা লাভ কৰিছিল, আৰু ২০২৪ চনৰ ২২ জানুৱাৰীত এই অভিষেক ঘটিছিল।" প্ৰস্তাৱটোত উল্লেখ কৰা হৈছে যে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ কাৰ্য্যৰ জৰিয়তে ৰাষ্ট্ৰখনৰ মনোবল বৃদ্ধি কৰাৰ লগতে দেশৰ সাংস্কৃতিক ইতিহাস শক্তিশালী কৰিছে।*

মুকলি হৈ লাখ লাখ শিখৰ বিশ্বাস পূৰণ হৈছে। নিজৰ ধৰ্ম ৰক্ষাৰ বাবে শিখসকলৰ দশম গুৰু শ্ৰীগুৰু গোবিন্দ সিংহৰ পুত্ৰসকলে নিজক শ্বহীদ হ'বলৈ বাছি লৈছিল। সেই বীৰ বালকসকলক স্থায়ীভাৱে সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী মোদীয়ে ২৬ ডিচেম্বৰক বীৰ বাল দিৱস হিচাপে পালনৰ আৰম্ভ কৰে। শেহতীয়াকৈ নিৰ্মিত ভাৰতৰ নতুন সংসদ ভৱন আৰু ইয়াৰ আৰম্ভণিয়েও ভাৰতৰ সোণালী যুগৰ স্মৃতি সজীৱ কৰি তুলিছে। ২০২৩ চনৰ ২৮ মে'ত প্ৰধানমন্ত্ৰী মোদীয়ে নতুন সংসদত চোল বংশৰ সৈতে জড়িত 'চেংগোল' (ৰাজদণ্ড) স্থাপন কৰি দেশৰ বাবে এক ঐতিহাসিক পৰিঘটনা হিচাপে পৰিগণিত কৰে। সাংস্কৃতিক নৱজাগৰণৰ এই সময়ছোৱাত দেশখনে সকলো ধৰ্মৰ বিশ্বাস কেন্দ্ৰক পুনৰুজ্জীৱিত কৰাৰ বাবে কাম কৰি আছে। হিমালয়ৰ সংস্কৃতি আৰু বৌদ্ধ সংস্কৃতি সংৰক্ষণ কৰি ৰখা হৈছে। বিদেশতো ভাৰতীয় মন্দিৰৰ পুনৰুত্থান আৰু নতুন মন্দিৰ নিৰ্মাণ ভাৰতীয় সংস্কৃতিৰ প্ৰতীক হৈ পৰিছে। গংগা নদীক সজীৱ কৰি তোলাৰ প্ৰয়াস হিচাপে নমামি গংগা আন্দোলনৰ সৃষ্টি হৈছিল। গংগা কেৱল ধৰ্মীয়ভাৱেই তাৎপৰ্যপূৰ্ণ নহয়, বৰং সাংস্কৃতিকভাৱেও মহত্বপূৰ্ণ। গংগা নদীৰ পাৰত

## দ্বাৰকা আৰু বেট দ্বাৰকাৰ বৈজ্ঞানিক অনুসন্ধান

ভাৰতীয় প্ৰত্নতাত্ত্বিক জৰীপ বিভাগৰ পানীৰ তলৰ পুৰাতত্ত্ব শাখাই ক্ৰমে ২০২৫ চনৰ ফেব্ৰুৱাৰী আৰু ২০২৫ চনৰ মাৰ্চ মাহত দ্বাৰকা আৰু বেট দ্বাৰকাৰ বৈজ্ঞানিক অনুসন্ধান পুনৰ আৰম্ভ কৰে। ইয়াৰ পূৰ্বে ২০০৫ চনৰ পৰা ২০০৭ চনৰ ভিতৰত বৈজ্ঞানিক অনুসন্ধান



কৰা হৈছিল। এই উদ্দেশ্যে দূৰৈৰ পৰা চলোৱা বাহন, পানীৰ তলৰ কেমেৰা, লাইফ জেকেট, আৰু বিশেষ ডাইভিং গিয়াৰ ক্ৰয় কৰা হৈছে।

## ৰাম মন্দিৰ আৰু ৰাম দৰবাৰ মূৰ্তিৰ আৰ্হি... ৫১ লাখ টকা পৰ্যন্ত নিবিদা

*ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু আধ্যাত্মিক তাৎপৰ্যৰ স্থান শ্ৰী ৰাম জন্মভূমিৰ প্ৰতি জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ জোখ ইয়াৰ পৰাই ল'ব পাৰি যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক উপহাৰ দিয়া ৰাম মন্দিৰ আৰু ৰাম দৰবাৰৰ আৰ্হি ঘৰলৈ নিবলৈ ৫১ লাখ টকা পৰ্যন্ত নিবিদা লাভ কৰিছিল।*

- এতিয়ালৈকে ৯,০০০ৰো অধিক উপহাৰ আৰু স্মৃতিচিহ্ন নিলাম কৰা হৈছে, য'ত ৰাম মন্দিৰৰ এটা মডেল শীৰ্ষ ১৫ টাৰ ভিতৰত আছে।
- ৫ লাখৰো অধিক টকাৰ নিবিদা লাভ কৰা ১৪টা স্মৃতিচিহ্নৰ ভিতৰত আছে ৰাম মন্দিৰ আৰু ১৫টা ৰাম দৰবাৰৰ মডেল। ইয়াৰ উপৰিও কেইবাটাও আৰ্হিৰ নিবিদা আৰম্ভ হৈছিল ৫,০০০-৬,০০০ টকাৰ পৰা।
- প্ৰধানমন্ত্ৰী মোদীৰ উপহাৰৰ ই-নিলামত সৰ্বাধিক মূল্য লাভ কৰা শীৰ্ষ ১০০টা সামগ্ৰীৰ ভিতৰত ৩৫টা ধৰ্মীয় আৰু সাংস্কৃতিক পৰিচয়ৰ সৈতে জড়িত। এই সকলোবোৰৰ ১০ লাখ টকাৰ ওপৰত নিবিদা কৰা হৈছিল।

## ৫১ লাখ টকাত কিনিলে ৰাম মন্দিৰৰ মডেল



কাঁচৰ কেচেৰে ঢাকি থোৱা ৰাম মন্দিৰৰ কাঠৰ প্ৰতিৰূপ এখন ওখ মঞ্চত খোদিত কৰা হৈছে য'ত ভগৱান ৰামৰ জন্ম হৈছিল। মন্দিৰৰ গৰ্ভগৃহ আৰু পাঁচটা পেভিলিয়নৰ চিত্ৰণ কৰা হৈছে, শিখৰৰ ওপৰত এখন সৰু ৰঙা ত্ৰিকোণীয় পতাকা ৰখা হৈছে। ২০২১ চনত ৫১ লাখ টকাত নিলাম কৰা হৈছিল, ২.৫ লাখ টকাৰ পৰা আৰম্ভ হৈছিল নিলাম। আন এটা মডেলে ৮১জন নিবিদাকাৰীক আকৰ্ষণ কৰিছিল। এই ৰাম মন্দিৰ আৰ্হিৰ মূল্য ১১.৮৫ লাখ টকাৰ ওপৰত আছিল, মাত্ৰ ১০,৮০০ টকাৰ পৰা নিবিদা আৰম্ভ হৈছিল। ৫৪০০ টকাৰ পৰা আৰম্ভ হোৱা আন এটা মডেল ১০.৮৫ লাখ টকাৰ ওপৰত ক্ৰয় কৰা হয়। ইয়াৰ বাবে ১০৩জন লোকে নিবিদা দিয়ে।





## ৰাম দৰবাৰে প্ৰায় ৩০ লাখ টকাৰ নিবিদা আকৰ্ষণ কৰে

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এক অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভগৱান ৰাম, মা সীতা, লক্ষ্মণ, আৰু হনুমানৰ কাঁচৰ ৰাম দৰবাৰৰ মূৰ্তি প্ৰদান কৰে। ইয়াক ২০২২ চনৰ অক্টোবৰ মাহত নিলাম কৰা হৈছিল। ভিত্তি মূল্য মাত্ৰ ৩২,৪০০ টকা নিৰ্ধাৰণ কৰা হৈছিল যদিও ১৩১জন লোকে ইয়াক ঘৰলৈ নিয়াৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল,



আৰু প্ৰায় ৩০ লাখ টকাত নিলাম কৰা চূড়ান্ত নিবিদাকাৰীয়ে ৰাম দৰবাৰৰ মূৰ্তি লাভ কৰিছিল। আন এক নিলামত ১০ লাখ টকাৰ নিবিদাৰে এজন ভক্তই ক্ৰয় কৰিছিল আৰ্হিৰ সৈতে ৰাম দৰবাৰৰ মূৰ্তিএটা। মাত্ৰ সপ্তমটো নিবিদাতে ১৬,২০০ টকাৰ পৰা ১০ লাখ টকালৈ বৃদ্ধি পাইছিলে। জটিলভাৱে খোদিত খুঁটা আৰু বিয়াগোম মিনাৰসমূহ দেখুওৱা আন এটা আৰ্হি ৫৫,০০০ টকাত বিক্ৰী আৰম্ভ হৈ ১০ লাখ টকা পৰ্যন্ত হৈছিল। এইটো কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে প্ৰধানমন্ত্ৰী মোদীক উপহাৰ দিছিল আৰু ২০২৪ চনৰ অক্টোবৰ মাহত নিলাম কৰিছিল।

## প্ৰধানমন্ত্ৰী মোদীৰ উপহাৰে দেশৰ সংস্কৃতি বিদেশলৈ ৰপ্তানি কৰিছে

- কাশীৰ পৰা এখন গোলাপী ৰঙৰ ইনামেলযুক্ত জাহাজ অষ্ট্ৰেলিয়াত



উপস্থিত হয়।
- জয়পুৰৰ চন্দন কাঠেৰে নিৰ্মিত বুদ্ধ জাপানত উপস্থিত হ'ল।
- ডেনমাৰ্কত উপস্থিত হ'ল গুজৰাটৰ কচ্চৰ পৰা ৰ'গান পেইণ্টিং।
- ইহুদী ইতিহাস চিত্ৰিত এখন তামৰ প্লেট ইজৰাইলত উপস্থিত হ'ল।
- আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক ওবামা আৰু জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বিনজো আবেকে ধৰি কেইবাজনো বিশ্বৰ নেতাক প্ৰধানমন্ত্ৰী মোদীয়ে খাদীৰে নিৰ্মিত হাৰ্ডকভাৰৰ "ভাগৱত গীতা" উপহাৰ দিয়ে।

> "
>
> ভাৰত আজি এক নিৰ্ণায়ক পৰ্যায়ৰ মাজেৰে পাৰ হৈ গৈছে। ৰাষ্ট্ৰখনৰ যুৱ শক্তি, ক্ৰমবৰ্ধমান আত্মবিশ্বাস, আৰু সাংস্কৃতিক শিপাৰ প্ৰতি প্ৰৱণতাই একেলগে এখন নতুন ভাৰতক গঢ় দিছে। আধ্যাত্মিকতা, ৰাষ্ট্ৰীয় সেৱা, বিকাশৰ তিনিটা ধাৰা একেলগে বৈ আহিলেহে আমাৰ বিকশিত ভাৰত গঢ়াৰ সংকল্প পূৰণ হ'ব।
>
> -নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

উদ্ভৱ হোৱা সাংস্কৃতিক কেন্দ্ৰসমূহক উন্নীত কৰাৰ গুৰুত্বপূৰ্ণ প্ৰয়াস কৰা হৈছে।

গংগাৰ কেৱল ধৰ্মীয় নহয়, সাংস্কৃতিক তাৎপৰ্যও আছে। গংগাৰ কাষেৰে বিকশিত হোৱা সাংস্কৃতিক কেন্দ্ৰসমূহক বিশ্ব মঞ্চ আৰু পাৰক বিশ্ব মঞ্চলৈ অনাৰ লগতে গংগাক জ্ঞান আৰু অৰ্থ গংগা হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবেও উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰা হৈছে। সংস্কৃতি আৰু সাংস্কৃতিক শিপাৰ প্ৰতি থকা মোহৰ বাবেই প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা ৰৱ বছৰত ব্যক্তিগতভাৱে সীমান্ত অঞ্চল, কেদাৰনাথ ধাম, বদ্ৰীনাথ ধাম, আৰু অন্যান্য সম্প্ৰদায়ৰ অন্যান্য ধৰ্মীয় স্থানসমূহ ভ্ৰমণ কৰি ভাৰতৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ পুনৰুজ্জীৱনৰ দিশত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। ইউনেস্কোৱে ২০১৪ চনৰ পৰা ভাৰতৰ বহু সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰক স্বীকৃতি দিছে। ইউনেস্কোৱে ২০১৪ চনৰ পৰা ভাৰতৰ বহু সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰক স্বীকৃতি দিছে। এই প্ৰামাণীকৰণ ভাৰতীয় সাংস্কৃতিক বিশ্বব্যাপী স্বীকৃতি আৰু ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰ পুনৰুজ্জীৱনৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ। আজি ভাৰতে এক নতুন অৰ্থনৈতিক-কৌশলগত শক্তিৰ লগতে তথ্য, বিজ্ঞান, আৰু সংস্কৃতিৰ কেন্দ্ৰ হিচাপে বিশ্বৰ ভিতৰত এক সুকীয়া পৰিচয় গঢ়ি তুলিছে, এই সকলোবোৰ নিজৰ সাংস্কৃতিক ঐতিহ্যক সংৰক্ষণ কৰি কৰা হৈছে।

### সাংস্কৃতিক গৌৰৱ পুনৰুদ্ধাৰ

যোৱা ১১ বছৰত ভাৰতীয় সাংস্কৃতিক, আধ্যাত্মিক, আৰু ঐতিহাসিক গৌৰৱ পুনৰুদ্ধাৰ হৈছে। সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু আত্মসাৎ কৰাৰ ক্ষেত্ৰত ভাৰতে এক অভূতপূৰ্ব কৃতিত্ব অৰ্জন কৰিছে। ভাৰতীয় সংস্কৃতিয়ে ২০১৪ চনত বিশ্বব্যাপী স্বীকৃতি লাভ কৰিছিল, যিদিনা বিশ্বই



“

আজি ৰাম মন্দিৰৰ চোতালত পুনৰবাৰ কোবিদাৰ পবিত্ৰ হোৱাৰ লগে লগে ই কেৱল এজোপা গছৰ প্ৰত্যাৱৰ্তনে নহয় বৰঞ্চ হৈ পৰিছে স্মৃতিৰ প্ৰত্যাৱৰ্তন, পৰিচয়ৰ পুনৰুত্থান, আৰু এক গৌৰৱময় সভ্যতাৰ নৱীকৃত ঘোষণা।

-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসক স্বীকৃতি দিছিল। স্বাধীনতাৰ পিছত প্ৰায় ৭ দশক ধৰি ঔপনিৱেশিক মানসিকতা দৃশ্যমান হৈ আছিল, গতিকে সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱা নহ'ল।

ঔপনিৱেশিক কালত বিদেশী আক্ৰমণকাৰীয়ে ভাৰতীয় সংস্কৃতিৰ বহু ক্ষতি কৰিছিল। ভাৰতৰ পৰা চুৰি বা লুট কৰা ঐতিহাসিক সম্পদ আৰু ঐতিহ্য পুনৰ ভাৰতলৈ অনা হৈছে। সম্পূৰ্ণ ভাৰতীয় মানসিকতাৰে ৰঞ্জিত চৰকাৰৰ নেতা হিচাপে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় সংস্কৃতিৰ পথ প্ৰদৰ্শক হৈ সংস্কৃতি আৰু পৰম্পৰা ৰক্ষা কৰাই নহয় ইয়াৰ নৱজাগৰণৰ বাবেও অভূতপূৰ্ব কাম কৰিছে। ফলত হিমালয়ৰ সমান ওখ আৰু সাগৰৰ দৰে গভীৰ হিচাপে বিশ্বৰ মঞ্চত ভাৰতীয় সংস্কৃতি পুনৰুদ্ধাৰ হৈছে।

যেতিয়া এখন দেশৰ সাংস্কৃতিক আৰু ঐতিহাসিক ইতিহাসৰ লগতে ইয়াৰ অৰ্থনৈতিক শক্তিকো স্বীকাৰ কৰা হয়, তেতিয়া সেই দেশখনে বিশ্ব মঞ্চত সন্মান আৰু স্বীকৃতি লাভ কৰে। এসময়ত ভাৰতক বিশ্বৰ জ্ঞান, বিজ্ঞান আৰু আধ্যাত্মিকতাৰ কেন্দ্ৰ হিচাপে স্বীকৃতি দিয়া হৈছিল যদিও দাসত্বৰ

## বিথাল ৰুক্মিণী মন্দিৰ

- ২০২২ চনৰ ১৪ জুনত মহাৰাষ্ট্ৰৰ ডেহুৰ বিথাল ৰুক্মিণী মন্দিৰত প্ৰধানমন্ত্ৰী মোদীয়ে এখন ফলক উন্মোচন কৰে।
- কেন্দ্ৰীয় চৰকাৰে মন্দিৰলৈ যোৱাত ভক্তসকলে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে ৪ লেন সংযোগৰ ব্যৱস্থা কৰিছে।

**সোণালী ভাৰতৰ সাক্ষী অমৃত ৰাটিকা**

- ২০২৩ চনৰ ৩১ অক্টোবৰত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ২০,০০০ৰো অধিক প্ৰতিনিধিয়ে ৮৫০০ৰো অধিক অমৃত কলহ কঢ়িয়াই দিল্লীত উপস্থিত হয়।
- ২০২৩ চনৰ ৩১ অক্টোবৰত দেশপ্ৰেমৰ মনোভাৱ জাগ্ৰত কৰা 'আজাদী কা অমৃত মহোৎসৱ' কাৰ্যসূচীৰ সামৰণি পৰে 'মোৰ ভূমি, মোৰ দেশ' শ্লোগানেৰে।
- বসুধা বন্দন বিষয়ক লৈ সমগ্ৰ দেশতে ২৩.৬ কোটিৰো অধিক থলুৱা পুলি ৰোপণ কৰা হয়। ২.৬৩ লাখ অমৃত ৰাটিকাৰ সৃষ্টি হৈছিল।

**ঐতিহ্য ক্ষেত্ৰলৈ প্ৰধানমন্ত্ৰী মোদীৰ সৈতে বিশ্বৰ নেতাসকলৰ গমণ**

- জাপানৰ প্ৰধানমন্ত্ৰী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতিয়ে বাৰাণসীৰ প্ৰাচীন সাংস্কৃতিক ঐতিহ্য উপভোগ কৰিছিল।
- ব্ৰিটেইন, ইজৰাইল, জাপানৰ প্ৰধানমন্ত্ৰীৰ লগতে আমেৰিকা আৰু চীনৰ ৰাষ্ট্ৰপতিসকলেও সাবৰমতী আশ্ৰমৰ পবিত্ৰতা অনুভৱ কৰিছিল। চীনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে সাবৰমতী আশ্ৰম ভ্ৰমণক তেওঁৰ জীৱনৰ আটাইতকৈ স্মৰণীয় মুহূৰ্ত বুলি অভিহিত কৰে।
- ব্ৰিটেইন আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীয়ে দিল্লীৰ অক্ষৰধাম মন্দিৰ পৰিদৰ্শন কৰে।
- দক্ষিণ কোৰিয়াৰ ফাৰ্ষ্ট লেডী অযোধ্যাত উপস্থিত হয়।



*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত সংযুক্ত আৰব আমিৰশ্বাহীৰ আবুঢাবিত বিএপিএছ মন্দিৰ উদ্বোধন কৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াক মানৱ ইতিহাসৰ এক নতুন আৰু সোণালী অধ্যায় বুলি অভিহিত কৰিছিল।*

বহিঃদেশত মন্দিৰ নিৰ্মাণৰ কাম চলি আছে

- ২০১৯ চনত মনামা আৰু আবুঢাবিত ভগৱান কৃষ্ণ শ্ৰীনাথজীৰ পুনৰ নিৰ্মাণৰ বাবে বৃহৎ পৰিমাণৰ ধনৰ ঘোষণা কৰা হৈছিল।
- ২০২২ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী মোদীয়ে ঘোষণা কৰিছিল যে বাহৰেইনত স্বামীনাৰায়ণ হিন্দু মন্দিৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ বাবে বাহৰেইন চৰকাৰে মাটি আবণ্টন দিছে। এই মন্দিৰটো হ'ব মধ্যপ্ৰাচ্যৰ দ্বিতীয়টো এনে মন্দিৰ যিটো সংযুক্ত আৰব আমিৰশ্বাহীৰ মন্দিৰৰ পিছত বিএপিএছে নিৰ্মাণ কৰিব।

দীৰ্ঘ সময়ছোৱাত ইয়াৰ গুৰুত্ব হ্ৰাস পাইছিল। সেই সময়ছোৱাত পাশ্চাত্যৰ সংস্কৃতি আৰু সভ্যতাক শ্ৰেষ্ঠ বুলি চোৱা গৈছিল। এই প্ৰেক্ষাপটত নতুন ভাৰতৰ নেতা হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্নয়ন আৰু ঐতিহ্যৰ দৃষ্টিভংগীৰে ভাৰতীয় সংস্কৃতিক নৱজাগৰণৰ নতুন যুগলৈ লৈ গৈছে। তেওঁ ২০৩৫ চনৰ ভিতৰত দাস মানসিকতাৰ পৰা মুক্তিৰ বাবে নতুন লক্ষ্যও দেশক থিৰাং কৰি দিছে। আজি দেশৰ যুৱচামৰ মাজত ভাৰতীয় সংস্কৃতিৰ প্ৰতি সন্মান বাঢ়িছে, আৰু তেওঁলোকে নিজৰ ভাৰতীয়ত্বক লৈ গৌৰৱ অনুভৱ কৰিছে।

**অমৃত কাল: ৰামৰ পৰা ৰাষ্ট্ৰলৈ — ঈশ্বৰৰ পৰা দেশলৈ**

ভাৰতক একত্ৰিত কৰা সেই ধাৰণাটো কি? ৰাষ্ট্ৰ হিচাপে ভাৰত কি? বৈচিত্ৰ্যময় সমাজ, সম্প্ৰদায় আৰু সংস্কৃতিএইসকলোবোৰক একেলগে বান্ধি ৰখা সেই মৌলিক চিন্তাটো কি? ইয়াৰ স্পষ্ট উত্তৰ প্ৰধানমন্ত্ৰী মোদীয়ে দিয়ে - ভাৰতৰ সাংস্কৃতিক পৰিচয় আছে। হাজাৰ বছৰ পুৰণি এক সভ্যতা। ইয়াৰ বিশালতালৈ চাওক: এশৰো অধিক ভাষা আৰু হাজাৰ হাজাৰ উপভাষা। প্ৰায়ে কোৱা হয় যে দেশৰ ভিতৰত মাত্ৰ বিশ মাইল যাত্ৰা কৰিলে ভাষা, ৰীতি-নীতি, খাদ্য, আনকি সাজ-পোছাক সলনি হয়। দক্ষিণৰ পৰা উত্তৰ ভাৰতলৈকে সকলোতে বৈচিত্ৰ্যতা স্পষ্ট। কিন্তু গভীৰভাৱে ডুব গ'লে এই সকলোবোৰৰ মাজেৰে এডাল সাধাৰণ সূতা চলি থকা দেখিব। মই প্ৰায়ে কোৱাৰ দৰে ভগৱান ৰামৰ নামটোৱে সমগ্ৰ দেশতে অনুৰণন ঘটায়-সকলোৱে ওঁঠত তেওঁৰ নাম শুনিব।তামিলনাডুৰ পৰা জম্মু-কাশ্মীৰলৈ যাত্ৰা কৰিলে অনিবাৰ্যভাৱে এনে লোকৰ সন্মুখীন হ'ব, যাৰ নামত কোনোবা নহয় কোনোবা ৰূপত 'ৰাম' সন্নিবিষ্ট কৰা হৈছে।



## দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ চিৰস্থায়ী সাংস্কৃতিক আৰু ধৰ্মীয় সম্পৰ্ক

ভাৰত চৰকাৰৰ বিভিন্ন ৰেকৰ্ড আৰু গৱেষণা সংকলনে ইংগিত দিয়ে যে দক্ষিণ-পূব এছিয়াৰ দেশ যেনে কম্বোডিয়া, ইণ্ডোনেছিয়া, ম্যানমাৰ, ফিলিপাইনছ, ছিংগাপুৰ, ভিয়েটনামৰ সৈতে ভাৰতৰ চিৰস্থায়ী সাংস্কৃতিক আৰু ধৰ্মীয় সম্পৰ্ক আছে। এই শতিকা পুৰণি সম্পৰ্কসমূহৰ প্ৰমাণ হৈছে সমগ্ৰ অঞ্চলটোত ভাৰতীয় দাৰ্শনিক ব্যৱস্থা, ধৰ্মীয় প্ৰথা, মহাকাব্য, মন্দিৰৰ স্থাপত্য, মূৰ্তিখোদন, আৰু পৰিবেশ্য কলাৰ প্ৰভাৱ। দক্ষিণ-পূব এছিয়াৰ স্থাপত্য আৰু শিল্পৰ ওপৰত ভাৰতীয় প্ৰভাৱৰ এক উদাহৰণ হৈছে কম্বোডিয়াৰ অংকোৰ ৱাট মন্দিৰ চৌহদ। ভাৰতীয় প্ৰত্নতাত্ত্বিক জৰীপে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত বিদেশত ধৰ্মীয় আৰু সাংস্কৃতিক সংযোগক লালন-পালন কৰিবলৈ সংৰক্ষণ আৰু পুনৰুদ্ধাৰৰ কাম হাতত লৈছে...

| ধৰ্মীয় আৰু সাংস্কৃতিক কেন্দ্ৰ | দেশ |
|---|---|
| মাই চন মন্দিৰ আৰু নেহান টাৱাৰ | ভিয়েটনাম |
| ভাট ফও মন্দিৰ | লাওছ |
| ভূমিকম্পত ক্ষতিগ্ৰস্ত মন্দিৰ আৰু পেগোডা | ম্যানমাৰ |
| প্ৰীত বিহাৰ আৰু তা প্ৰহম | কম্বোডিয়া |
| ফ্ৰিডা মছজিদ | মালদ্বীপ |

- দক্ষিণ-পূব এছিয়া (ইণ্ডোনেছিয়া, থাইলেণ্ড, কম্বোডিয়া, আৰু লাওছ)ত ৰামায়ণ পৰম্পৰাৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছে।
- দক্ষিণ-পূব এছিয়াৰ ৰামায়ণৰ ওপৰত প্ৰদৰ্শনী য'ত কম্বোডিয়াৰ ৰিমকাৰ, ইণ্ডোনেছিয়াৰ কাকাৱিন ৰামায়ণ আৰু থাইলেণ্ডৰ ৰামাকিয়েন প্ৰদৰ্শন কৰা হৈছে।
- এই দেশসমূহত ভাগ-বতৰা কৰা বৌদ্ধ ঐতিহ্য সন্মিলনৰ লগতে ভাৰত মহোৎসৱৰ আয়োজন কৰা হৈছিল।

গুজৰাটত কাৰোবাক হয়তো 'ৰাম ভাই' বুলি ক'ব পাৰি; তামিলনাডুত 'ৰামচন্দ্ৰন'; আৰু মহাৰাষ্ট্ৰত 'ৰামভাও'। এই সাংস্কৃতিক ধাৰাবাহিকতাই ভাৰতক একেলগে বান্ধি ৰাখে। উদাহৰণস্বৰূপে আমাৰ দেশত গা ধোৱাৰ কাৰ্য্যটো লওক। মানুহে সাধাৰণতে বাল্টিৰ পানী ব্যৱহাৰ কৰি গা ধোৱে, তথাপিও ভাৰতৰ চুক-কোণৰ পৰা নদীৰ নাম আমন্ত্ৰণ কৰে। 'গংগে চা যমুনে চৈৱ গোদাবৰী সৰস্বতী, নৰ্মদা সিন্ধু কাবেৰী জলেছমিন সান্নিধিম কুৰু' প্ৰাৰ্থনাই সমগ্ৰ ৰাষ্ট্ৰখনক সামৰি এই সকলো নদীৰ পানীত আধ্যাত্মিকভাৱে গা ধুই থকাটো বুজায়।

কেৱল এয়াই নহয়, ভাৰতত সংকল্প (পবিত্ৰ সংকল্প)ৰ পৰম্পৰা আছে। যেতিয়াই কোনোবাই ব্ৰত লয়, কোনো অনুষ্ঠান কৰে, আনকি বিয়াৰ সময়তো, তেতিয়াই ব্ৰহ্মাণ্ডৰ পৰাই আৰম্ভ হয়: "জম্বুদ্বীপে, ভাৰতখণ্ডে, আৰ্যৱৰ্তে..." ক্ৰমান্বয়ে গাঁৱলৈ নামি আহি, তাৰ পিছত পৰিয়াললৈ, আৰু শেষত পৰিয়ালৰ দেৱতাক আমন্ত্ৰণ কৰে।

বৈচিত্ৰ্যত ঐক্যৰ বাৰ্তা প্ৰদান কৰা এই ভাৰতীয় সংস্কৃতিয়েই অমৃত কালত বিকশিত ভাৰতৰ সংকল্পৰ আধাৰ হৈ পৰিছে। ভগৱান ৰামৰ আদৰ্শই কেনেকৈ সুশাসনৰ শিক্ষা দিয়ে সেই সন্দৰ্ভত, অযোধ্যাত ৰাম মন্দিৰৰ অভিষেকৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ৰাষ্ট্ৰখনে সামূহিকভাৱে ভক্তিৰ পৰা ৰাষ্ট্ৰ-নিৰ্মাণলৈ- "দেৱৰ পৰা দেশলৈ" আৰু "ৰামৰ পৰা ৰাষ্ট্ৰলৈ" আগবাঢ়ি যোৱাৰ সংকল্প লৈছিল।

আজি ভাৰত ভ্ৰমণলৈ অহা বিদেশী অতিথিসকলে প্ৰায়ে অযোধ্যা বা অন্যান্য ঐতিহ্য সম্পৰ্কীয় স্থানসমূহ ভ্ৰমণ কৰাৰ ইচ্ছা প্ৰকাশ কৰে। জি-২০ৰ অধ্যক্ষতাৰ সময়ছোৱাতো ভাৰতে নিজৰ সংস্কৃতি, বৈচিত্ৰ্য, আৰু সভ্যতাৰ উত্তৰাধিকাৰ প্ৰদৰ্শন কৰিছিল। জি-২০ নতুন দিল্লী সন্মিলনত

## বিদেশী অতিথিসকলে অযোধ্যা-কাশীত প্ৰাৰ্থনা কৰাৰ লগতে ৰাম মন্দিৰৰ প্ৰতিৰূপ লাভ কৰে

- ২০২৫ চনৰ জুলাই মাহত প্ৰধানমন্ত্ৰী মোদীয়ে অযোধ্যাৰ ৰাম মন্দিৰৰ প্ৰতিৰূপ ট্ৰিনিদাদ এণ্ড ট'বাগোৰ প্ৰধানমন্ত্ৰী কমলা পৰছাদ বিছেছৰক উপহাৰ দিয়ে, লগতে সৰযূ নদী আৰু প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাৰ পবিত্ৰ পানী প্ৰদান কৰে।
- ২০২৫ চনৰ ছেপ্টেম্বৰ মাহত ভুটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং টবগে আৰু তেওঁৰ পত্নীক অযোধ্যাৰ শ্ৰী ৰাম জন্মভূমি মন্দিৰত প্ৰাৰ্থনা কৰা দেখি প্ৰধানমন্ত্ৰী মোদীয়ে আনন্দ প্ৰকাশ কৰি কয় যে ভগৱান শ্ৰীৰামৰ আদৰ্শই বিশ্বৰ লাখ লাখ লোকক শক্তি আৰু প্ৰেৰণা দিয়ে।
- ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত ফিজিৰ উপ-প্ৰধানমন্ত্ৰী বিমান প্ৰসাদে ৰাম জন্মভূমি মন্দিৰ পৰিদৰ্শন কৰিছিল।
- ২০২৫ চনৰ ১২ ছেপ্টেম্বৰত মৰিচাছৰ প্ৰধানমন্ত্ৰী ড০ নবীন চন্দ্ৰ ৰামগুলামে তেওঁৰ পত্নীৰ সৈতে আৰতি কৰি ৰামলাল্লাৰ নামত প্ৰাৰ্থনা কৰে।
- শ্ৰী ৰাম জন্মভূমি মন্দিৰৰ প্ৰতি উৎসৰ্গিত ছটা বিশেষ স্মাৰক ডাক টিকট জাৰি কৰা হয়। অষ্ট্ৰেলিয়া, কম্বোডিয়া, আমেৰিকা, নিউজিলেণ্ডকে ধৰি বিশ্বৰ বহু দেশত প্ৰভু ৰামৰ জীৱনৰ পৰিঘটনাবোৰ চিত্ৰিত কৰা ডাক ষ্টাম্প জাৰি কৰিছে।
- এএছআইয়ে ৰাম, লক্ষ্মণ, সীতাৰ ব্ৰঞ্জৰ মূৰ্তি তামিলনাডুৰ মূৰ্তি শাখাক গতাই দিয়ে। ১৯৭৮ চনত ৰাজগোপাল বিষ্ণু মন্দিৰৰ পৰা চুৰি হোৱা এই মূৰ্তিসমূহ - ২০২০ চনৰ ছেপ্টেম্বৰ মাহত লণ্ডনৰ মহানগৰ আৰক্ষীয়ে ভাৰতীয় উচ্চায়ুক্তক ঘূৰাই দিছিল।
- সমগ্ৰ দেশৰ সাতটা প্ৰাকৃতিক ঐতিহ্য স্থান ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ আংশিক তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ লগে লগে আংশিক তালিকাত ভাৰতীয় ঐতিহ্য ক্ষেত্ৰৰ সংখ্যা ৬২ৰ পৰা ৬৯লৈ বৃদ্ধি পাইছে। ভাৰতত এতিয়া ইউনেস্কোৰ বিবেচনাধীন মুঠ ৬৯টা স্থান আছে, য'ত ৪৯টা সাংস্কৃতিক, ১৭টা প্ৰাকৃতিক, আৰু ৩টা মিশ্ৰিত ঐতিহ্য ক্ষেত্ৰ আছে। এই কৃতিত্বই ভাৰতৰ ব্যতিক্ৰমী প্ৰাকৃতিক আৰু সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰৰ প্ৰতি অটল দায়বদ্ধতাক প্ৰদৰ্শন কৰে।



*যোৱা ১০ ছেপ্টেম্বৰ, ২০২৩ত বৃটেইনৰ তদানীন্তন প্ৰধানমন্ত্ৰী ঋষি চুনাকে তেওঁৰ পত্নীৰ সৈতে দিল্লীৰ স্বামীনাৰায়ণ অক্ষৰধাম মন্দিৰ পৰিদৰ্শন কৰিছিল। দম্পতীহালে তাত পূজাও কৰে।*



## ভাগৱত গীতাই আমাক জীৱনৰ উদ্দেশ্য বুজিবলৈ সহায় কৰে

### *শ্ৰীকৃষ্ণ মঠৰ পৰা ৯টা সংকল্পৰ অনুৰোধ*

*ভগৱান শ্ৰীকৃষ্ণৰ শিক্ষা প্ৰতিটো যুগত ব্যৱহাৰিক। গীতাৰ বাক্যই কেৱল ব্যক্তিকে নহয় ৰাষ্ট্ৰীয় নীতিকো পথ প্ৰদৰ্শন কৰে। ২৮ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ্ণাটকৰ উডুপিত ভগৱান কৃষ্ণক উৎসৰ্গিত শ্ৰীকৃষ্ণমঠত গৰ্ভগৃহৰ সন্মুখত সোণালী তীৰ্থ মণ্ডপ উদ্বোধন কৰি পবিত্ৰ কনকনা কিন্দিৰ বাবে সোণালী ঢাল উছৰ্গা কৰে। তেওঁ এক লাখ লোকৰ সৈতে শ্ৰীমদ্ভাগৱত গীতাও পাঠ কৰে, য'ৰ পৰা তেওঁ নাগৰিকসকলক নটা সংকল্প আগবঢ়ায়...*

#### প্ৰধানমন্ত্ৰী মোদীৰ ভাষণৰ মূল কথা

- শ্ৰীকৃষ্ণই যুদ্ধক্ষেত্ৰত গীতাৰ বাৰ্তা প্ৰদান কৰিছিল, যিয়ে আমাক শিকাইছে যে শান্তি আৰু সত্য প্ৰতিষ্ঠাৰ বাবে অত্যাচাৰীৰ অন্ত অপৰিহাৰ্য। এইটোৱেই হৈছে দেশৰ নিৰাপত্তা নীতিৰ মূল। ভাৰতে "বসুধৈৱ কুটুম্বকম" ঘোষণা কৰে আৰু লগতে "ধৰ্মো ৰক্ষতি ৰক্ষিতঃ" মন্ত্ৰ পুনৰাবৃত্তি কৰে।
- লালকিল্লাৰ পৰাই তেওঁ শ্ৰীকৃষ্ণৰ কৰুণাৰ বাৰ্তা দিয়ে, আৰু একে প্ৰাচীৰৰ পৰাই মিছন সুদৰ্শনচক্ৰৰো ঘোষণা কৰে।
- মাত্ৰ যোৱা বছৰ সাগৰৰ তলত শ্ৰীদ্বাৰকাজীলৈ গৈ তাৰপৰাই আশীৰ্বাদলৈ আহিছিলো। এই মূৰ্তিটো দৰ্শনে মোক এক গভীৰ আধ্যাত্মিক আনন্দ প্ৰদান কৰিছে।

#### প্ৰধানমন্ত্ৰী মোদীয়ে নাগৰিকসকলক বৰ্তমান আৰু ভৱিষ্যতৰ বাবে অতি প্ৰয়োজনীয় নতুন সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনায়

- আমি পানী সংৰক্ষণ কৰিব লাগিব।
- আমি গছ ৰোপণ কৰিম। প্ৰতিটো ঘৰত এজোপাকৈ গছ, 'এক পেড় মা কে নাম'ৰ অধীনত।
- দেশৰ অন্ততঃ এজন দুখীয়া মানুহৰ জীৱন উন্নত কৰাৰ বাবে আমি চেষ্টা কৰিব লাগিব।
- দায়িত্বশীল নাগৰিক হিচাপে আমি সকলোৱে স্বদেশীক আঁকোৱালি ল'ব লাগিব।
- আমি প্ৰাকৃতিক কৃষিক প্ৰসাৰিত কৰিব লাগিব।
- আমি এটা সুস্থ জীৱনশৈলী গ্ৰহণ কৰিম। আমি বাজৰা ব্যৱহাৰ কৰিম আৰু আমাৰ খাদ্যত তেলৰ পৰিমাণ কমাই দিম।
- আমি যোগাসনক আঁকোৱালি ল'ব লাগিব আৰু ইয়াক আমাৰ জীৱনৰ অংশ হিচাপে গঢ়ি তুলিব লাগিব।
- আমি যোগাসনক আঁকোৱালি ল'ব লাগিব আৰু ইয়াক আমাৰ জীৱনৰ অংশ হিচাপে গঢ়ি তুলিব লাগিব।.
- পাণ্ডুলিপি, পাণ্ডুলিপি সংৰক্ষণত অৰিহণা যোগাম।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ QR ক'ড স্কেন কৰক।*

"

ভগৱান শ্ৰীকৃষ্ণৰ সমগ্ৰ জীৱন আৰু গীতাৰ প্ৰতিটো অধ্যায়ত কৰ্ম, কৰ্তব্য, কল্যাণৰ বাৰ্তা আছে। ভাৰতীয়সকলৰ বাবে ২০৪৭-ৰ সময়ছোৱা কেৱল অমৃতকালেই নহয়, বিকশিত ভাৰত গঢ়াৰ বাবেও এক কৰ্তব্য-নিৰ্ধাৰিত যুগ। আমাৰ সকলো প্ৰচেষ্টা ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গিত হ'ব লাগিব।

-নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

প্ৰধানমন্ত্ৰী মোদীয়ে বিদেশী অতিথিসকলক দিয়া উপহাৰসমূহেও ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছিল। তেওঁৰ কাৰ্যকালৰ যোৱা ১১ বছৰত ইতিহাসৰ চকা ঘূৰিছে, আৰু ভাৰত এক নতুন সাংস্কৃতিক পুনৰুত্থানৰ সাক্ষী হৈছে। কেন্দ্ৰীয় চৰকাৰে কেৱল দেশতে নহয়, সমগ্ৰ বিশ্বতে ভাৰতীয় বিশ্বাস, সংস্কৃতি, ঐতিহ্যক স্বীকৃতি দিয়াৰ দিশত কাম কৰি আছে। ২০১৮ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আবুধাবিত হিন্দু মন্দিৰৰ আধাৰশিলা স্থাপন কৰিছিল, আৰু ২০১৯ চনত মানমা আৰু আবুধাবিত ভগৱান কৃষ্ণৰ শ্ৰীনাথজী পুনৰনিৰ্মাণৰ বাবে উল্লেখযোগ্য ধনৰ ঘোষণা কৰিছিল। প্ৰধানমন্ত্ৰী মোদীৰ চৰকাৰে কম্বোডিয়া আৰু অন্যান্য দেশৰ ভাৰতীয় মন্দিৰ পুনৰুদ্ধাৰৰ দিশত কাম কৰিছে। ২০২৫ চনৰ ২৫ নৱেম্বৰত অনুষ্ঠিত হোৱা ধ্বজাৰোহণ ভাৰতৰ মহান সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিফলন, যি প্ৰতিজন ভাৰতীয়ৰ চেতনাত খোদিত হৈ থাকিব আৰু আগন্তুক শতিকাজুৰি মানৱ জাতিক পথ প্ৰদৰ্শন কৰিব। অযোধ্যাৰ শ্ৰীৰাম জন-ম্ভূমি মন্দিৰৰ শিখৰত ধৰ্মৰ পতাকা পুনৰ স্থাপনৰ ফলত শান্তি আৰুসমৃদ্ধিৰ নতুন যুগৰ সূচনা হৈছে। ৰামৰাজ্যৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰই বিকশিত ভাৰতৰ সংকল্প পূৰণ কৰিবলৈ আৰম্ভ কৰিছে।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ QR ক'ড স্কেন কৰক।*

গুৰুসকলৰ পৰম্পৰা...

# ৰাষ্ট্ৰৰ চৰিত্ৰ, সংস্কৃতি আৰু মূল ভাৱনা

ভাৰতীয় ধৰ্ম আৰু সংস্কৃতিৰ পৃষ্ঠপোষক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কীৰ্তিচিহ্নস্বৰূপ শ্ৰী ৰাম জন্মভূমি মন্দিৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ লগে লগে ২৫ নৱেম্বৰৰ পুৱা ধৰ্মধ্বজাৰ ধ্বজাৰোহণৰ বাবে ৰামায়ণ নগৰ অযোধ্যাত উপস্থিত হয়। সন্ধিয়া গীতা উপদেশৰ নগৰ কুৰুক্ষেত্ৰ ভ্ৰমণ কৰে। ইয়াত তেওঁ ভগৱান কৃষ্ণৰ পবিত্ৰ শংখৰ সন্মানত নৱনিৰ্মিত 'পাঞ্চজন্য স্মৃতিচিহ্ন' উদ্বোধন কৰি 'মহাভাৰত অভিজ্ঞতা কেন্দ্ৰ' পৰিদৰ্শন কৰে। ৩৫০ সংখ্যক শ্বহীদ দিৱসত নৱম শিখ গুৰু, শ্ৰী গুৰু টেগ বাহাদুৰ জীক শ্ৰদ্ধাঞ্জলি জনাই এক কাৰ্যসূচীতো ভাষণ প্ৰদান কৰে।



ৰাতিপুৱা তেওঁ ৰামায়ণ নগৰ অযোধ্যা, তাৰ পিছত গীতা নগৰ কুৰুক্ষেত্ৰ ভ্ৰমণ কৰি শ্ৰী গুৰু তেগ বাহাদুৰ জীক তেওঁৰ ৩৫০ সংখ্যক শ্বহীদ দিৱসত শ্ৰদ্ধাঞ্জলি জনাই এই কথা উল্লেখ কৰে। তেওঁ কয়, "৫-৬ বছৰ আগতে আন এক আচৰিত কাকতালীয় ঘটনা ঘটিছিল। মই উল্লেখ কৰিব বিচাৰো। ২০১৯ চনৰ ৯ নৱেম্বৰত যেতিয়া ৰাম মন্দিৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্ত প্ৰদান কৰা হৈছিল, তেতিয়া মই কৰতাৰপুৰ কৰিডৰ উদ্বোধনৰ বাবে ডেৰা বাবা নানকত আছিলো। মই প্ৰাৰ্থনা কৰিছিলো যাতে ৰাম মন্দিৰ নিৰ্মাণৰ পথ প্ৰশস্ত হওক, কোটি কোটি ৰামভক্তৰ আকাংক্ষা পূৰ্ণ হওক, আৰু আমাৰ সকলোৰে প্ৰাৰ্থনা পূৰ্ণ হওক। সেইদিনা সিদ্ধান্তটো আহিল ৰাম মন্দিৰৰ সপক্ষে। এতিয়া আজি অযোধ্যাৰ ধৰ্ম ধ্বজাৰ ধ্বজাৰোহণৰ পিছত শিখ সংগতৰ পৰা আশীৰ্বাদ বিচৰাৰ সুযোগ পাইছো।" কুৰুক্ষেত্ৰৰ ভূমিত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ অন্যতম পবিত্ৰ তীৰ্থস্থান ব্ৰহ্ম সৰোবৰত পাঞ্চজন্য স্মাৰক



উদ্বোধন কৰাৰ লগতে প্ৰাৰ্থনাও কৰে। ইয়াক শ্ৰীমদ্ভাগৱতৰ ঐশ্বৰিক প্ৰকাশৰ লগত জড়িত বুলি কোৱা হয়। কুৰুক্ষেত্ৰৰ এই ভূমিতে থিয় হৈ ভগৱান শ্ৰীকৃষ্ণই সত্য আৰু ন্যায়ৰ সুৰক্ষাক সৰ্বশ্ৰেষ্ঠ ধৰ্ম বুলি ঘোষণা কৰিছিল। তেওঁ কৈছিল, "**স্ৱধৰ্মে নধিনং শ্ৰেয়:**" অৰ্থাৎ "সত্যৰ পথত নিজৰ ধৰ্মৰ বাবে নিজৰ প্ৰাণ আহুতি দিয়াটোৱেই আটাইতকৈ ডাঙৰ।" গুৰু টেগ বাহাদুৰ জীয়েও সত্য, ন্যায়, বিশ্বাসৰ সুৰক্ষাক নিজৰ ধৰ্ম বুলি গণ্য কৰিছিল আৰু তেওঁ এই ধৰ্মক নিজৰ প্ৰাণেৰে ৰক্ষা কৰিছিল। এই বলিদানৰ বাবেই গুৰু টেগ বাহাদুৰ চাহাবক "হিন্দ দি চদৰ" বুলি শ্ৰদ্ধা কৰা হয়।

অনুষ্ঠানৰ সময়ত ভাৰত চৰকাৰে গুৰু টেগ বাহাদুৰ জীৰ প্ৰতি উৎসৰ্গিত এটা স্মাৰক ডাক টিকট আৰু এটা বিশেষ মুদ্ৰা মুকলি কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "আমাৰ চৰকাৰে এনেদৰে গুৰু পৰম্পৰাক সেৱা আগবঢ়াই যাবলৈ কামনা কৰোঁ।"

গুৰু টেগ বাহাদুৰ জীৰ ৩৫০ সংখ্যক শ্বহীদ বাৰ্ষিকীৰ সন্মানত ভাৰত



শ্ৰী ৰাম জন্মভূমি মন্দিৰত ধৰ্ম ধ্বজাৰ ধ্বজাৰোহণ মাৰ্গশীৰ্ষ মাহৰ শুক্ল পক্ষৰ (শুক্ল পক্ষৰ বৃদ্ধি হোৱা পৰ্যায়) পঞ্চমী তিথিত অনুষ্ঠিত হৈছিল, যিটো অভিজিৎ মুহূৰ্তৰ (ভগৱান ৰাম আৰু মাতৃ সীতাৰ বিবাহৰ শুভ সময়) লগত মিলে। এই দিনটো ঐশ্বৰিক মিলনৰ প্ৰতীক। এই দিনটোতে নৱম শিখ গুৰু গুৰু টেগ বাহাদুৰ জী শ্বহীদ হৈছিল। ১৭ শতিকাত তেওঁ অযোধ্যাত ৪৮ ঘণ্টা ধৰি অবিৰতভাৱে ধ্যান কৰি দিনটোৰ আধ্যাত্মিক তাৎপৰ্য্য আৰু অধিক বৃদ্ধি কৰে।



চৰকাৰে বছৰজোৰা স্মৃতি উদযাপন কৰিছে।

কুৰুক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীয়ে গুৰু টেগ বাহাদুৰ জীৰ অদম্য সাহস, ত্যাগ, আৰু আমাৰ সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰা এখন প্ৰদৰ্শনীও পৰিদৰ্শন কৰে। তেওঁ কয় যে আজিৰ ভাৰতৰ শক্তিশালী ৰূপটোও গুৰু টেগ বাহাদুৰ চাহাবৰ দৰে মহান ব্যক্তিসকলৰ ত্যাগ আৰু সমৰ্পণৰ প্ৰতিফলন। গুৰু টেগ বাহাদুৰ জীৰ দৰে ব্যক্তিত্ব ইতিহাসত বিৰল। তেওঁৰ জীৱন, তেওঁৰ ত্যাগ, তেওঁৰ চৰিত্ৰ এক বৃহৎ প্ৰেৰণা। মোগল আক্ৰমণকাৰীৰ সেই যুগত গুৰু চাহাবে বীৰত্বৰ নিদৰ্শন দাঙি ধৰিছিল। যোৱা মাহত গুৰু মহাৰাজৰ এই পবিত্ৰ ‘জোড়া চাহিব’ক দিল্লীৰ পৰা পাটনা চাহিবলৈ পবিত্ৰ তীৰ্থযাত্ৰাৰ অংশ হিচাপে লৈ যোৱা হৈছিল। তাতে এই পবিত্ৰ ‘জোড়া চাহিব’ৰ আগত মূৰ দোৱাৰো সুযোগ পাইছিলোঁ। প্ৰধানমন্ত্ৰী মোদীয়ে কিছুদিনৰ পূৰ্বে আফগানিস্তানৰ পৰা ভাৰতলৈ গুৰু গ্ৰন্থ চাহিবৰ তিনিটা মৌলিক ৰূপ ঘূৰি অহাটো দেশৰ প্ৰতিজন নাগৰিকৰ বাবে গৌৰৱৰ মুহূৰ্ত বুলি অভিহিত কৰিছিল। তেওঁ আৰু কয় যে আমাৰ চৰকাৰে গুৰুসকলৰ প্ৰতিখন তীৰ্থস্থান আধুনিক ভাৰতৰ ৰূপৰ সৈতে সংযোগ কৰাৰ প্ৰয়াস কৰিছে।

কৰতাৰপুৰ কৰিডৰ সম্পূৰ্ণ হোৱাই হওক, হেমকুণ্ড চাহিবত ৰ'পৱে প্ৰকল্প নিৰ্মাণ কৰাই হওক, আনন্দপুৰ চাহিবত বিৰাসত-ই-খালছা সংগ্ৰহালয়ৰ সম্প্ৰসাৰণেই হওক, গুৰুসকলৰ গৌৰৱময় পৰম্পৰাক আদৰ্শ হিচাপে আঁকোৱালি লৈ এই সকলোবোৰ কাম পৰম নিষ্ঠাৰে সম্পন্ন কৰিবলৈ দেশখনে চেষ্টা কৰিছে। মোগলে আনকি সাহসী চাহিবজাদাসকলৰ লগতো কেনেকৈ নিষ্ঠুৰতাৰ সকলো সীমা অতিক্ৰম কৰিলে সকলোৱে জানে। সাহসী চাহিবজাদাসকলে দেৱালত ইটাৰে গাঁথি দিয়াটো মানি লৈছিল যদিও নিজৰ কৰ্তব্য আৰু ধৰ্ম পৰিত্যাগ কৰা নাছিল। এই আদৰ্শক সন্মান জনাই এতিয়া প্ৰতি বছৰে ২৬ ডিচেম্বৰত বীৰ বাল দিৱস পালন কৰা হয়। শিখ পৰম্পৰাৰ ইতিহাস আৰু গুৰুসকলৰ শিক্ষাও ৰাষ্ট্ৰীয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে, যাতে এই সেৱা, সাহস, সত্যৰ আদৰ্শ নতুন প্ৰজন্মৰ চিন্তাধাৰাৰ ভেটি হৈ পৰে।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ QR ক'ড স্কেন কৰক।*

# ভাৰতৰ উত্থানৰ আৰ্হি বিশ্বৰ বাবে এক প্ৰেৰণা




“

আমি কেৱল সামাজিক সুৰক্ষাৰ পৰিসৰ বৃদ্ধি কৰাই নহয়, আমি পৰিপূৰ্ণতা আহৰণ অভিযানতো অটলভাৱে কাম কৰি আছোঁ, অৰ্থাৎ কোনো আঁচনিৰ সুবিধাৰ পৰা এগৰাকী হিতাধিকাৰীও বঞ্চিত হোৱা উচিত নহয়। যেতিয়া এখন চৰকাৰে এই লক্ষ্যৰে কাম কৰে, প্ৰতিগৰাকী হিতাধিকাৰীৰ ওচৰলৈ যাবলৈ বিচাৰে, তেতিয়া যিকোনো ধৰণৰ বৈষম্যৰ অৱকাশ নাইকিয়া হয়।

-- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

বিশ্ব অৰ্থনীতিয়ে সন্মুখীন হোৱা বাধাসমূহৰ প্ৰতি বিশ্বই আশংকাত ভুগি থকাৰ সময়তে ভাৰত এক উজ্জ্বল ভৱিষ্যতৰ দিশে ধাৰাবাহিকভাৱে আৰু দ্ৰুতগতিত আগবাঢ়িছে। আজি ভাৰত কেৱল এখন উদীয়মান বজাৰেই নহয়, ই এক উদীয়মান আৰ্হি হিচপেও পৰিগণিত হৈছে। ১৭ নৱেম্বৰত নতুন দিল্লীত অনুষ্ঠিত ‘ষষ্ঠ ৰামনাথ গোৱেংকা বক্তৃতা’ত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বিশ্বই ভাৰতৰ উত্থানৰ আৰ্হিক আশাৰ নিদৰ্শন হিচাপে স্বীকৃতি দিছে...’

যোৱা চাৰি-পাঁচটা বছৰ বিশ্বৰ বাবে প্ৰত্যাহ্বানপূৰ্ণ হৈ পৰিছে। ২০২০ চনত কৰ’না মহামাৰীয়ে বিশ্বৰ অৰ্থনীতি অনিশ্চয়তাৰ মাজত নিমজ্জিত কৰিছিল। গোলকীয় যোগান শৃংখলা প্ৰচণ্ড আঘাতেৰে জৰ্জৰিত হৈছিল আৰু বিশ্বক হতাশাই আৱৰি ধৰিছিল। এই সংকটৰ মাজতে ভাৰতৰ অৰ্থনীতিয়ে উত্থানৰ উচ্চ হাৰ লাভ কৰিছিল। ২০২২ চনত ইউৰোপীয় সংকটে বিশ্বৰ যোগান শৃংখল আৰু শক্তি বজাৰত প্ৰভাৱ পেলাইছিল। ইয়াৰ পাছতো ২০২২-২৩ চনত দেশৰ অৰ্থনীতিৰ দ্ৰুত উত্থানঅব্যাহত আছিল। ‘ষষ্ঠ ৰামনাথ গোৱেংকা বক্তৃতা’ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ উন্নয়ন আৰু প্ৰতিগৰাকী ব্যক্তিৰ কাষলৈ যোৱাৰ প্ৰতিশ্ৰুতিৰ বিষয়ে কয়। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২০২৩ চনত পশ্চিম এছিয়াৰ পৰিস্থিতিৰ অৱনতি ঘটিলেও উন্নয়নৰ হাৰ শক্তিশালী হৈয়েই আছে। আনকি এই বছৰ যেতিয়া বিশ্বত অস্থিৰতা দেখা গৈছে, তেতিয়াও আমাৰ উন্নয়নৰ হাৰ হৈছে প্ৰায় ৭ শতাংশ। অসংখ্য প্ৰত্যাহ্বানৰ মাজতো সেইসমূহে ভাৰতৰ অগ্ৰগতি ৰোধ কৰিব পৰা নাই।

এখন দেশৰ উন্নয়নৰ বাবে উন্নয়নৰ সুফল সকলোৰে মাজলৈ যোৱাটো হৈছে অতিকে গুৰুত্বপূৰ্ণ। চৰকাৰী আঁচনিৰ সুবিধা যেতিয়া নিপীড়িত, শোষিত, বঞ্চিতকে ধৰি সকলোৰে ওচৰলৈ যায় তেতিয়া সামাজিক ন্যায় নিশ্চিত হয়। যেতিয়া দ্ৰুত সামাজিক ন্যায় নিশ্চিত হয়, তেতিয়া দেশখনে উন্নয়নৰ পথত দ্ৰুতগতিত আগবাঢ়ি যায়। এই কাৰণেই আজিৰ ভাৰত বিকশিত আৰু স্বাৱলম্বী হ’বলৈ আগ্ৰহী। প্ৰধানমন্ত্ৰী মোদীয়ে কৰা কামৰ বিষয়ে বৰ্ণনা কৰে। যোৱা ১১টা বছৰত সামাজিক সুৰক্ষাৰ উল্লেখযোগ্য



## কৰ্তব্যৰ প্ৰতি দায়বদ্ধ, জাতীয় স্বাৰ্থৰ দ্বাৰা পৰিচালিত

গোৱেংকাই গীতাৰশেকৰ পৰা প্ৰেৰণা লাভ কৰিছিল: सुख्र दुः:खे समे कृत्वाा, लााभाा-लााभौ जयाा-जयौ¼ ततोो युद्धाायायुज्यस्व, नैवं पााप अवााप्स्यसि । যাৰ অৰ্থ হৈছে সুখ-দুখ, লাভ-লোকচান, আৰু পৰাজয় আৰু বিজয় হৈছে মুদ্ৰাৰ একেটা ফাল আৰু নিজৰ কৰ্তব্য পালনৰ বাবে যুঁজ দিয়ক; তেনে কৰিলে আপুনি যে কেৱল নিজৰ কৰ্তব্য পালনৰ বাবেই যুঁজিব তেনে নহয়; বৰঞ্চ কোনো পাপোনকৰিব। তেওঁ মতাদৰ্শতকৈ জাতীয় স্বাৰ্থক প্ৰাথমিকতা প্ৰদান কৰিছিল। স্বাধীনতাৰ পাছত যেতিয়া হায়দৰাবাদৰ প্ৰসংগ আৰু 'ৰাজাকাৰ'-ৰ অত্যাচাৰে পৰিস্থিতি শোচনীয় কৰিতুলিছিল, তেতিয়া তেওঁ চৰ্দাৰ বল্লভভাই পেটেলক সহায় কৰিছিল। তদুপৰি সত্তৰৰ দশকত যেতিয়া বিহাৰৰ ছাত্ৰ আন্দোলনক এগৰাকী নেতাৰ প্ৰয়োজন হৈছিল, তেতিয়া তেওঁ নানাজী দেশমুখৰ সৈতে মিলি জয়প্ৰকাশ নাৰায়ণক আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰিবলৈ সাজু কৰিছিল। জৰুৰীকালীন অৱস্থাতো তেওঁ নতশিৰ হোৱা নাছিল। হেঁচা যিমানেই শক্তিশালী নহওক কিয়, তেওঁ সদায় সত্যৰ পক্ষত থিয় দিছিল আৰু সকলোৰে ওপৰত কৰ্তব্যক স্থান দিছিল।

### ২০৩৫ চনৰ ভিতৰত আমি মেকৌলেৰ দাসত্বৰ মানসিকতাৰ পৰা নিজকে মুক্ত কৰোঁ আহক

প্ৰধানমন্ত্ৰী মোদীৰ আহ্বান...আমি ইংৰাজী ভাষাৰ বিৰোধী নহয়। আমি ভাৰতীয় ভাষাক সমৰ্থন কৰোঁ। মেকৌলেই ১৮৩৫ চনত সংঘটিত কৰা অন্যায়ৰ ২০৩৫ চনত ২০০ বছৰ সম্পূৰ্ণ হ'ব। সেয়েহে মই সমগ্ৰ ৰাষ্ট্ৰখনক এটা আহ্বান জনাব বিচাৰিছো যে মেকৌলেই ভাৰতত যি দাস মানসিকতা ৰোপণ কৰিছিল তাৰ পৰা আগন্তুক ১০টা বছৰত আমি নিজকে মুক্ত কৰাৰ সংকল্প ল'ব লাগিব। এই ১০টা বছৰ হৈছে অতি গুৰুত্বপূৰ্ণ। ১৮৩৫ চনৰ পৰা আৰম্ভ হোৱা যাত্ৰা আমি ২০৩৫ চনৰ ভিতৰত শেষ কৰিব লাগিব। মোৰ সপোন হৈছে এই চিন্তাৰ অন্ত পেলোৱাটো।





### সামাজিক ন্যায় এতিয়া বাস্তৱত পৰিণত হৈছে

মুকলিত শৌচ কৰিবলৈ বাধ্য হোৱা লোকসকলৰ বাবে ১২ কোটি শৌচাগাৰ নিৰ্মাণৰ অভিযানে দুখীয়াৰ জীৱনলৈ মৰ্যাদা কঢ়িয়াই আনিলে।

**৫৭** কোটি জন ধন বেংক একাউণ্ট-এ তেওঁলোকৰ বাবে আৰ্থিক অন্তৰ্ভুক্তি সম্ভৱ কৰিছে।

**৪** কোটি লোকক পকী ঘৰ দিয়া হৈছে, যাৰ ফলত তেওঁলোকে নতুন সপোন দেখাৰ সাহস পাইছে আৰু তেওঁলোকৰ বিপদাশংকা গ্ৰহণ কৰাৰ ক্ষমতা বৃদ্ধি পাইছে। (টোকা: দিয়া শৈলীপত্ৰিকা অনুসৰণ কৰক)।

**২৫** কোটি লোকে যোৱা ১১টা বছৰত দাৰিদ্ৰ্যক পৰাস্ত কৰিছে।

উত্তৰণ সম্ভৱ হৈছে। দহ বছৰৰ আগতে মাত্ৰ ২৫ কোটি লোকহে সামাজিক সুৰক্ষাৰ আওতাত আছিল। এতিয়া এই সংখ্যা ৯৪ কোটিলৈ বৃদ্ধি পাইছে, আৰু এয়াই হৈছে প্ৰকৃত সামাজিক ন্যায়।

ৰামনাথ গোৱেংকাই গণ আন্দোলনৰ শক্তিক নতুন উচ্চতা প্ৰদান কৰিছিল

ৰামনাথ গোৱেংকাই ভাৰতীয় গণতন্ত্ৰত সাংবাদিকতা, প্ৰকাশভংগী, গণ আন্দোলনৰ শক্তিক এক নতুন উচ্চতা প্ৰদান কৰিছিল। এগৰাকী দূৰদৰ্শী, প্ৰতিষ্ঠান নিৰ্মাতা, জাতীয়তাবাদী, সংবাদ মাধ্যমৰ নেতা হিচাপে তেওঁ ইণ্ডিয়ান এক্সপ্ৰেছ গোষ্ঠীক কেৱল বাতৰি কাকত হিচাপেই নহয়, ভাৰতবাসীৰ মাজত এক অভিযান হিচাপেও প্ৰতিষ্ঠা কৰিছিল। ৰামনাথ গোৱেংকাক স্মৰণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে তেওঁৰ নেতৃত্বত এই গোষ্ঠীটো ভাৰতৰ গণতান্ত্ৰিক মূল্যবোধ আৰু জাতীয় স্বাৰ্থৰ কণ্ঠস্বৰ হৈ উঠিছিল। গতিকে একবিংশ শতিকাৰ এই যুগত ভাৰতে বিকাশৰ সংকল্প লৈ আগবাঢ়ি যোৱাৰ মুহূৰ্তত ইয়াৰ দায়বদ্ধতা, প্ৰচেষ্টা, দৃষ্টিভংগী আমাৰ বাবে হৈছে এক বৃহৎ প্ৰেৰণা।

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ QR ক'ড স্কেন কৰক।*

বলৱৎ কৰা হ'ল চাৰিখন শ্ৰম সংহিতা

# শ্ৰম শাসনৰ ৰূপান্তৰণ সকলোৰে প্ৰতি সন্মান, সকলোৰে বাবে নিৰাপত্তা

"সত্যমেৱ জয়তে" (সত্যৰ বিজয়)ৰ শক্তি ৰাষ্ট্ৰীয় উন্নয়নৰ বাবেও সমানেই শক্তিশালী, কাৰণ সকলোৰে কঠোৰ পৰিশ্ৰম, সকলোৰে চিন্তা, সকলোৰে উদ্যম, আৰু প্ৰতিগৰাকী শ্ৰমিকৰ অৱদানৰ দ্বাৰাহে এখন নতুন ভাৰত স্বাৱলম্বী হৈ উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ "শ্ৰমেৱ জয়তে" মন্ত্ৰৰ পাছত ২০২৫ চনৰ ২১ নৱেম্বৰত চাৰিখন শ্ৰম সংহিতা বলৱৎ কৰা হয়। এই সংস্কাৰসমূহ হৈছে দেশৰ প্ৰতিগৰাকী শ্ৰমিকৰ সৰলীকৰণ, সুৰক্ষা আৰু সন্মান জনোৱাৰ দিশত এক বৃহৎ পদক্ষেপ...

কাম কৰা এগৰাকীব্যক্তি হৈছে শ্ৰমিক, কৰ্মৰ প্ৰতি নিষ্ঠাবান এগৰাকী "শ্ৰমযোগী"। তেওঁ ব্যক্তি, সমাজ, আৰু ৰাষ্ট্ৰৰ বহু সমস্যাৰ সমাধান কৰে, আৰু অত্যাৱশ্যকীয় প্ৰয়োজনীয়তা পূৰণ কৰে। চৰকাৰী ব্যৱস্থাৰ সময়োপযোগী সংস্কাৰৰ লগতে তেওঁলোকক সন্মানেৰে চোৱা আৰু স্বীকৃতি দিয়াৰ প্ৰয়োজন। সমাজ জীৱনত শ্ৰম আৰু শ্ৰমিকৰ মৰ্যাদা, "শ্ৰমযোগী"ৰ গৌৰৱ হৈছে ৰাষ্ট্ৰৰ সামূহিক দায়িত্ব। এক ঐতিহাসিক সিদ্ধান্তত ভাৰত চৰকাৰে ঘোষণা কৰিছে যে চাৰিখন শ্ৰম সংহিতা — 'মজুৰি সংহিতা, ২০১৯', 'উদ্যোগ সম্পৰ্ক সংহিতা, ২০২০', 'সামাজিক সুৰক্ষা সংহিতা, ২০২০', আৰু 'বৃত্তিগত সুৰক্ষা, স্বাস্থ্য আৰু কৰ্ম পৰিস্থিতি সংহিতা, ২০২০' কাৰ্যকৰী কৰা হৈছে ২১ৰ পৰা ২০২৫ চনৰ নৱেম্বৰ মাহত বৰ্তমানৰ ২৯খন শ্ৰম আইনক যুক্তিসংগত কৰি তোলা হৈছে। শ্ৰম অধিনিয়মৰ আধুনিকীকৰণ, শ্ৰমিকৰ কল্যাণ বৃদ্ধি আৰু শ্ৰম পৰিৱেশ



## সংহিতা-১ মজুৰি সংহিতা, ২০১৯

*মজুৰি সংহিতা, ২০১৯-এ বৰ্তমানৰ চাৰিখন আইনৰ বিধানসমূহ সৰল, একত্ৰিত আৰু যুক্তিসংগতকৰণৰ ব্যৱস্থা কৰিব বিচাৰিছে।*

মূল প্ৰসংগসমূহ

- ✓ মজুৰি সংহিতা, ২০১৯ৰ অধীনত অধিনিয়মৰ সংখ্যা ১৬৩ৰ পৰা ৫৮লৈ, প্ৰ-পত্ৰৰ সংখ্যা ২০ৰ পৰা ৬লৈ, আৰু পঞ্জীয়নৰ সংখ্যা ২৪ৰ পৰা ২লৈ হ্ৰাস কৰা হৈছে।
- ✓ ন্যূনতম মজুৰি: এই সংহিতাই সংগঠিত আৰু অসংগঠিত দুয়োটা খণ্ডৰ সকলো শ্ৰমিকৰ বাবে ন্যূনতম মজুৰিৰ অধিকাৰ নিশ্চিত কৰে।
- ✓ মজুৰি নিৰ্ধাৰণ: চৰকাৰে শ্ৰমিকৰ দক্ষতাৰ স্তৰ, ভৌগোলিক অঞ্চল, আৰু চাকৰিৰ অৱস্থা বিবেচনা কৰি ন্যূনতম মজুৰি নিৰ্ধাৰণ কৰিব। পূৰ্বতে ন্যূনতম মজুৰি কেৱল নিৰ্ধাৰিত নিয়োগৰ ক্ষেত্ৰতহে প্ৰযোজ্য আছিল, যিয়ে কৰ্মবাহিনীৰ প্ৰায় ৩০%ক সামৰি লৈছিল।
- ✓ লিংগ সমতা: একে কামৰ বাবে নিযুক্তি, মজুৰি, নিয়োগৰ চৰ্তত লিংগৰ ভিত্তিত কোনো ধৰণৰ বৈষম্য নহ'ব।
- ✓ মজুৰি প্ৰদান: পূৰ্বতে কেৱল প্ৰতিমাহে ২৪,০০০ টকাপৰ্যন্ত উপাৰ্জন কৰা কৰ্মচাৰীৰ বাবেহে প্ৰযোজ্য আছিল, এতিয়া এই দৰমহা সীমাৰ ওপৰৰ সকলো কৰ্মচাৰীৰ বাবেও প্ৰযোজ্য হ'ব।
- ✓ অতিৰিক্ত সময়ৰ ক্ষতিপূৰণ: নিয়মীয়া কৰ্ম সময়ৰ বাহিৰত কৰা যিকোনো কামৰ বাবে নিয়োগকৰ্তাই সাধাৰণ মজুৰিৰ দুগুণতকৈয়ো কম হাৰত অতিৰিক্ত সময়ৰ মজুৰি দিব নোৱাৰিব।
- ✓ এক ৰাষ্ট্ৰ, এক মজুৰি সংহিতা - মজুৰি, শ্ৰমিক, কৰ্মচাৰী আদিৰ একেধৰণৰ সংজ্ঞা প্ৰদান কৰি বৰ্তমানৰ চাৰিখন মজুৰি আইনক একত্ৰিত কৰা হৈছে।



> শ্ৰমেৱ জয়তে... আমাৰ চৰকাৰে চাৰিখন 'শ্ৰম সংহিতা' কাৰ্যকৰী কৰিছে। স্বাধীনতাৰ পিছত ই হৈছে অন্যতম ব্যাপক আৰু প্ৰগতিশীল শ্ৰমমুখী সংস্কাৰ। ই আমাৰ কৰ্মীসকলক বহু পৰিমাণে শক্তিসমৃদ্ধ কৰিছে। তদুপৰি ই অনুপালনক যথেষ্ট সৰল কৰাৰ লগতে 'ব্যৱসায় কৰাৰ স্বাচ্ছন্দ্য'ৰ পৰিসৰ প্ৰসাৰিত কৰিছে।
>
> **নৰেন্দ্ৰ মোদী**
> প্ৰধানমন্ত্ৰী

তন্ত্ৰক কৰ্মৰ বিকাশশীল জগতখনৰ সৈতে একাকাৰ কৰি গ্ৰহণ কৰা এই যুগান্তকাৰী পদক্ষেপে 'আত্মনিৰ্ভৰ ভাৰত'ৰ বাবে শ্ৰম সংস্কাৰক আগুৱাই নিয়া ভৱিষ্যতৰ বাবে সাজু কৰ্মবাহিনী আৰু শক্তিশালী, স্থিতিস্থাপক উদ্যোগৰ আধাৰ স্থাপন কৰিছে।

২০১৫ চনৰ ১৫ আগষ্টত লালকিল্লাৰ প্ৰাচীৰৰ পৰা "শ্ৰমেৱ জয়তে"ৰ ঘোষণাকৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাৰিখন শ্ৰমিক সংহিতাৰ বলৱৎকৰণক আদৰণি জনাই কয় যে এই সংহিতাসমূহে সামাজিক সুৰক্ষা, সময়োপযোগী মজুৰি, আৰু কৰ্মৰত ভাই-ভনীসকলৰ বাবে এক নিৰাপদ কৰ্মস্থলী নিশ্চিত কৰিছে। তদুপৰি এইসমূহে উন্নত আৰু অধিক লাভজনক সুযোগৰ বাবে এক শক্তিশালী আধাৰ স্থাপন কৰিব। আমাৰ মাতৃ, ভগ্নী, যুৱক-যুৱতীসকলেও বিশেষকৈ ইয়াৰ পৰা লাভৱান হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্বাস কৰে যে এই সংস্কাৰে ভৱিষ্যতে শ্ৰমিকৰ অধিকাৰ সুৰক্ষিত কৰিব পৰা এক শক্তিশালী পৰিৱেশ তন্ত্ৰৰ সৃষ্টি কৰিব আৰু

## সংহিতা-২

# ঔদ্যোগিক সম্পৰ্ক সংহিতা, ২০২০

*ঔদ্যোগিক সম্পৰ্ক সংহিতাই এই কথাটো স্বীকাৰ কৰে যে শ্ৰমিকৰ অস্তিত্ব উদ্যোগটোৰ অস্তিত্বৰ ওপৰত নিৰ্ভৰশীল। ই সম্প্ৰীতি আৰু ব্যৱসায় কৰাত স্বাচ্ছন্দ্য বৃদ্ধি কৰে।*

**মুল প্ৰসংগসমূহ**

- ✓ অনুপালনৰ বোজা হ্ৰাস: অধিনিয়মৰ সংখ্যা ১০৫ৰ পৰা ৫১লৈ, প্ৰপত্ৰৰ সংখ্যা ৩৭ৰ পৰা ১৮লৈ, আৰু পঞ্জীয়নৰ সংখ্যা্ৰ পৰা শূন্যলৈ হ্ৰাস কৰা হৈছে।
- ✓ নিৰ্দিষ্ট সময়ৰ নিয়োগ: মজুৰি আৰু সুবিধাৰ ক্ষেত্ৰত সম্পূৰ্ণ সমতা, সময়সীমা সীমিত চুক্তিৰ অনুমতি। এবছৰৰ পাছত গ্ৰেচুইটীৰ যোগ্যতা।
- ✓ পুনৰ দক্ষতা পুঁজি: চাকৰিৰ পৰা বৰ্খাস্ত হোৱা প্ৰতিগৰাকী কৰ্মচাৰীক প্ৰশিক্ষণ দিবলৈ ১৫ দিনৰ মজুৰিৰ সমতুল্য ধনৰাশি বৰঙনি দি স্থাপন কৰা পুঁজি।
- ✓ 'ট্ৰেড ইউনিয়ন'ৰ স্বীকৃতি: ৫১% সদস্যপদ থকা ইউনিয়নক আলোচনাকাৰী ইউনিয়ন হিচাপে স্বীকৃতি দিয়া হ'ব।
- ✓ শ্ৰমিকৰ বিস্তাৰিত সংজ্ঞা: প্ৰতিমাহে ১৮,০০০ টকা পৰ্যন্ত উপাৰ্জন কৰা কৰ্মচাৰী, সাংবাদিক, আৰু শ্ৰমিকসকলক অন্তৰ্ভুক্ত কৰা হৈছে।
- ✓ মহিলাৰ প্ৰতিনিধিত্ব: লিংগ সংবেদনশীল সমস্যা সমাধানৰ বাবে অভিযোগ সমিতিত মহিলাৰ আনুপাতিক প্ৰতিনিধিত্ব নিশ্চিত কৰা হৈছে।
- ✓ ঘৰৰ পৰা কামৰ ব্যৱস্থা: পাৰস্পৰিক সন্মতি সাপেক্ষে সেৱা খণ্ডত অনুমতি দিয়া হৈছে।
- ✓ ন্যায়াধিকৰণ: বিবাদ নিষ্পত্তিৰ বাবে ন্যায়িক আৰু প্ৰশাসনিক সদস্যৰে গঠিত দুজনীয়া ন্যায়াধিকৰণৰ দিহা কৰা হৈছে।
- ✓ প্ৰত্যক্ষ ন্যায়াধিকৰণৰ প্ৰৱেশ: ৯০ দিনৰ ভিতৰত বুজাবুজি বিফল হোৱাৰ পাছত পক্ষসমূহে পোনপটীয়াকৈ ন্যায়াধিকৰণৰ কাষ চাপিব পাৰিব।

## সংহিতা-৩

# সামাজিক সুৰক্ষাৰ সংহিতা, ২০২০

*সামাজিক সুৰক্ষা সংহিতা-ত বৰ্তমানৰ ৯খন সামাজিক সুৰক্ষা আইন অন্তৰ্ভুক্ত কৰা হৈছে। এই সংহিতাই সকলো শ্ৰমিকক সামাজিক সুৰক্ষা প্ৰদান কৰিব, যিয়ে জীৱন, স্বাস্থ্য, প্ৰসুতি, আৰু ভৱিষ্যনিধিৰ সুবিধাসমূহ সামৰি লৈছে।*

**মুল প্ৰসংগসমূহ**

- ✓ সময়সীমাবদ্ধ ইপিএফ অনুসন্ধান: ইপিএফ-ৰ অনুসন্ধান আৰু আদায়ৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ বাবে পাঁচ বছৰৰ সীমা নিৰ্ধাৰণ কৰা হৈছে।
- ✓ ইপিএফ-ৰ নিবেদন জমাৰ পৰিমাণ হ্ৰাস: ইপিএফঅ'ৰ নিৰ্দেশৰ বিৰুদ্ধে আবেদন কৰা নিয়োগকৰ্তাসকলে এতিয়া মূল্যায়িত ধনৰ মাত্ৰ ২৫%হে জমা কৰিব লাগিব।
- ✓ নিৰ্মাণ উপ কৰৰ বাবে স্ব-মূল্যায়ন: নিয়োগকৰ্তাই এতিয়া ভৱন আৰু অন্যান্য নিৰ্মাণকাৰ্যৰ ক্ষেত্ৰত উপ কৰৰ দায়বদ্ধতাৰ ক্ষেত্ৰতস্ব-মূল্যায়ন কৰিব পাৰিব।
- ✓ গিগ আৰু প্লেটফৰ্ম কৰ্মীক অন্তৰ্ভুক্ত কৰা: 'এগ্ৰিগেটৰ', 'গিগ ৱৰ্কাৰ', আৰু 'প্লেটফৰ্ম ৱৰ্কাৰ'-ৰ অন্তৰ্ভুক্তিৰে সামাজিক সুৰক্ষা আওতা নতুনকৈ সংজ্ঞায়িত কৰা হৈছে।
- ✓ সামাজিক সুৰক্ষা পুঁজি: অসংগঠিত, গিগ, আৰু প্লেটফৰ্ম কৰ্মীসকলৰ বাবে জীৱন, অক্ষমতা, স্বাস্থ্য, আৰু বৃদ্ধাৱস্থাৰ সুবিধাসমূহ সামৰি লোৱা আঁচনিৰ বিত্তীয় সাহায্যৰ বাবে এটা নিৰ্দিষ্ট পুঁজিৰ প্ৰস্তাৱ কৰা হৈছে।
- ✓ নিৰ্ভৰশীলসকলৰ বিস্তাৰিত সংজ্ঞা: ককা-আইতা পৰ্যন্ত সম্প্ৰসাৰিত। মহিলা কৰ্মচাৰীৰ ওপৰত নিৰ্ভৰশীল শহুৰ-শাহুৱেককো অন্তৰ্ভুক্ত কৰা হৈছে।
- ✓ মজুৰিৰ একেধৰণৰ সংজ্ঞা: 'মজুৰি'ত এতিয়া মৌলিক দৰমহা, ডিয়াৰনেছ ভাট্টা, আৰু ৰিটেইনিং এলাৱেন্স অন্তৰ্ভুক্ত কৰা হৈছে।
- ✓ ভ্ৰমণ দুৰ্ঘটনাৰ অন্তৰ্ভুক্তি: ঘৰ আৰু কৰ্মস্থলীৰ মাজত যাত্ৰা কৰাৰ সময়ত সংঘটিত হোৱা দুৰ্ঘটনাক এতিয়া নিয়োগ সম্পৰ্কীয় বুলি গণ্য কৰা হৈছে।
- ✓ গ্ৰেচুইটী: যোগ্যতাৰ সময়সীমা ৫ বছৰৰ পৰা ১ বছৰলৈ হ্ৰাস কৰা হৈছে।

ভাৰতৰ অৰ্থনৈতিক বিকাশত নতুন গতি প্ৰদান কৰিব। ইয়াৰ দ্বাৰা নতুন চাকৰিৰ সুযোগ সৃষ্টি হোৱাই নহয়, উৎপাদনশীলতাও বৃদ্ধি পাব। ইয়াৰ উপৰিও ভাৰতৰ বিকশিত ভাৰতৰ দিশত যাত্ৰা ত্বৰান্বিত কৰিব।

ভাৰতৰ বহু শ্ৰম আইন স্বাধীনতাৰ পূৰ্বৰ আৰু স্বাধীনতাৰ পিছৰ আৰম্ভণিৰ যুগত (১৯৩০-১৯৫০) যুগুতোৱা হৈছিল, যি সময়ত অৰ্থনীতি আৰু কৰ্ম জগতখন মৌলিকভাৱে পৃথক আছিল। যোৱা দশকবোৰত বেছিভাগ প্ৰধান অৰ্থনীতিয়ে নিজৰ শ্ৰম অধিনিয়মসমূহৰ নৱীকৰণ আৰু একত্ৰিত কৰাৰ বিপৰীতে ভাৰতে খণ্ডিত, জটিল আৰু কেইবাটাও অংশত পুৰণি বিধানসমূহ ২৯খন কেন্দ্ৰীয় শ্ৰম আইনত বিস্তাৰিত আছিল। এই নিষেধাজ্ঞামূলক কাঠামোসমূহে পৰিৱৰ্তিত অৰ্থনৈতিক বাস্তৱতা আৰু বিকশিত

সংহিতা-৪

# বৃত্তিগত সুৰক্ষা, স্বাস্থ্য আৰু কৰ্ম পৰিস্থিতিৰ সেৱা সংহিতা ২০২০

*এই সংহিতাখনত ১৩খন কেন্দ্ৰীয় শ্ৰম আইনৰ প্ৰাসংগিক বিধানসমূহক অন্তৰ্ভুক্ত কৰি, সৰলীকৰণ আৰু যুক্তিসংগত কৰি প্ৰণয়ন কৰা হৈছে। ই শ্ৰমিকৰ অধিকাৰ আৰু নিৰাপদ কৰ্ম পৰিস্থিতি নিশ্চিত কৰিছে। ইয়াৰ ফলত অৰ্থনৈতিক বিকাশ আৰু কৰ্মসংস্থাপন বৃদ্ধি পাব। ই ভাৰতৰ শ্ৰম বজাৰখনক অধিক কাৰ্যক্ষম, ন্যায্য, আৰু ভৱিষ্যতৰ বাবে সাজু কৰি তুলিব।*

মূল প্ৰসংগসমূহ

- ✓ একীকৃত পঞ্জীয়ন: ইলেক্ট্ৰনিক পঞ্জীয়নৰ বাবে ১০ গৰাকী কৰ্মচাৰীৰ একেধৰণৰ সীমা নিৰ্ধাৰণ কৰা হৈছে।
- ✓ বিপজ্জনক কামলৈ সম্প্ৰসাৰণ: চৰকাৰে এই সংহিতাৰ বিধানসমূহ যিকোনো প্ৰতিষ্ঠানলৈ সম্প্ৰসাৰিত কৰিব পাৰে আনকি এগৰাকী কৰ্মচাৰী থাকিলেও।
- ✓ সৰলীকৃত অনুসৰণ: প্ৰতিষ্ঠানসমূহৰ বাবে এটা অনুজ্ঞাপত্ৰ, এটা পঞ্জীয়ন, আৰু এটা ৰিটাৰ্ণৰ কাঠামো প্ৰৱৰ্তন কৰা হৈছে।
- ✓ প্ৰব্ৰজিত শ্ৰমিকৰ বিস্তাৰিত সংজ্ঞা: প্ৰব্ৰজিত শ্ৰমিকৰ সংজ্ঞাত এতিয়া এনে শ্ৰমিকক অন্তৰ্ভুক্ত কৰা হৈছে যিসকল প্ৰত্যক্ষভাৱে, ঠিকাদাৰৰ জৰিয়তে নিয়োজিত হয়, বা নিজাববীয়াকৈ প্ৰব্ৰজন কৰে।
- ✓ স্বাস্থ্যঃ কৰ্মচাৰীৰ বাবে বাৰ্ষিক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা।
- ✓ নিযুক্তি পত্ৰ: স্বচ্ছতা আৰু জবাবদিহিতা বৃদ্ধিৰ বাবে মজুৰি আৰু সামাজিক সুৰক্ষাৰ ইংগিত দি নিযুক্তি পত্ৰ জাৰি কৰা হ'ব।
- ✓ মহিলাৰ নিয়োগঃ মহিলাসকলে সন্মতি আৰু সুৰক্ষা ব্যৱস্থাৰে সকলো ধৰণৰ প্ৰতিষ্ঠানত আৰু ৰাতিৰ সময়ত কাম কৰিব পাৰিব।
- ✓ সংবাদ মাধ্যমৰ কৰ্মীৰ সংজ্ঞাৰ সম্প্ৰসাৰণ: 'কৰ্মৰত সাংবাদিক' আৰু 'চিনেমাৰ কৰ্মী'ত এতিয়া সকলো ধৰণৰ বৈদ্যুতিক মাধ্যম আৰু দৃশ্য-শ্ৰব্য প্ৰডাকচনৰ কৰ্মীক অন্তৰ্ভুক্ত কৰা হৈছে।
- ✓ অসংগঠিত শ্ৰমিকৰ বাবে ৰাষ্ট্ৰীয় তথ্যকোষ: প্ৰব্ৰজিত শ্ৰমিকসকলকে ধৰি অসংগঠিত খণ্ডৰ শ্ৰমিকৰ বাবে ৰাষ্ট্ৰীয় তথ্যকোষ থাকিব।
- ✓ ভুক্তভোগীক ক্ষতিপূৰণঃ আঘাত বা মৃত্যুৰ ক্ষেত্ৰত আৰোপ কৰা জৰিমনাৰ কমেও ৫০% ক্ষতিপূৰণ হিচাপে ভুক্তভোগী বা তেওঁলোকৰ আইনী উত্তৰাধিকাৰীক প্ৰদান কৰিবলৈ আদালতে নিৰ্দেশ দিব পাৰে।



- ✓ সুৰক্ষা সমিতি: ৫০০ বা ততোধিক শ্ৰমিক থকা প্ৰতিষ্ঠানসমূহে নিয়োগকৰ্তা-শ্ৰমিক প্ৰতিনিধিত্বৰে সুৰক্ষা সমিতি গঠন কৰিব।
- ✓ সামাজিক সুৰক্ষা পুঁজিঃ অসংগঠিত শ্ৰমিকৰ কল্যাণ আৰু সুবিধা বিতৰণৰ বাবে এটা পুঁজি গঠন কৰা হৈছে।

> “ শ্ৰম সংস্কাৰে সময়োপযোগী মজুৰি, সকলো শ্ৰমিকৰ বাবে সামাজিক সুৰক্ষা, নিৰাপদ আৰু সন্মানীয় কৰ্মক্ষেত্ৰ, গিগ আৰু প্লেটফৰ্ম কৰ্মীৰ অধিক অধিকাৰ, যুৱক-যুৱতী আৰু মহিলাৰ সৰলীকৰণ নিশ্চিত কৰিছে।
>
> ডঃ মনসুখ মাণ্ডাভিয়া
>
> কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী

নিয়োগৰ ৰূপত খোজ মিলাবলৈ সংগ্ৰাম কৰিছিল, যাৰ ফলত অনিশ্চয়তাৰ সৃষ্টি হৈছিল আৰু শ্ৰমিক আৰু উদ্যোগ উভয়ৰে বাবে অনুপালনৰ বোজা বৃদ্ধি পাইছিল। চাৰিখন শ্ৰম সংহিতাৰ ৰূপায়ণে ঔপনিৱেশিক যুগৰ গাঁথনিৰ বাহিৰলৈ গৈ আধুনিক বিশ্বজোৰা ধাৰাসমূহৰ সৈতে মিলি যোৱাৰ এই দীৰ্ঘদিনীয়া প্ৰয়োজনীয়তাক পূৰণ কৰিছে। এই সংহিতাসমূহে একেলগে শ্ৰমিক আৰু উদ্যোগ উভয়কে শক্তিশালী কৰে, এনে এক কৰ্মবাহিনী গঢ়ি তোলে যি সুৰক্ষিত, ফলপ্ৰসূ আৰু কৰ্মৰ বিৱৰ্তনশীল জগতখনৰ সৈতে সংযুক্ত - অধিক স্থিতিস্থাপক, প্ৰতিযোগিতামূলক আৰু আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰৰ পথ প্ৰশস্ত কৰে।



কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত

# ভাৰতত আৰম্ভ হ'ব থলুৱা সংহত আৰ ই পি এম কাৰখানা

*Scan the QR code to watch the press briefing on Cabinet decisions.*

কেন্দ্ৰীয় কেবিনেটে চিণ্টাৰড ৰেয়াৰ আৰ্থ পাৰ্মানেণ্ট মেগনেট (আৰ ই পি এম) উৎপাদনৰ বাবে ভাৰতৰ প্ৰথমটো সংহত পৰিৱেশ তন্ত্ৰ সৃষ্টিৰ পৰিকল্পনাত অনুমোদন জনাইছে। এই আৰ ই পি এম পৰিৱেশ তন্ত্ৰই ভাৰতক বৈদ্যুতিক বাহন, নবীকৰণযোগ্য শক্তি, ইলেক্ট্ৰনিকছ, মহাকাশ, আৰু প্ৰতিৰক্ষা প্ৰয়োগৰ বাবে এক উৎপাদন কেন্দ্ৰ হিচাপে গঢ়ি তুলিব। ইয়াৰ দ্বাৰা যুৱক-যুৱতীসকলৰ বাবে উল্লেখযোগ্য কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব। তদুপৰি, কেন্দ্ৰীয় মন্ত্ৰীসভাই পুনে মেট্ৰ' ৰেল প্ৰকল্পৰ দ্বিতীয় পৰ্যায় আৰু দুটা ৰে'লৱে মাল্টি ট্ৰেকিং প্ৰকল্পত অনুমোদন জনায়...

**সিদ্ধান্ত ঃ** 'চিণ্টাৰ ডৰেয়াৰ আৰ্থ পাৰ্মানেণ্ট মেগনেট' উৎপাদনক প্ৰসাৰিত কৰাৰ বাবে ৭,২৮০ কোটি টকাৰ প্ৰকল্পলৈ অনুমোদন।

**প্ৰভাৱ ঃ** এই একক পদক্ষেপৰ লক্ষ্য হৈছে ভাৰতত প্ৰতি বছৰে ৬,০০০ মেট্ৰিক টন পৰিমাণৰ সংহত 'আৰ ই পি এম' উৎপাদন সামৰ্থ্য স্থাপন কৰা। এই সিদ্ধান্তই নৱীকৰণযোগ্য শক্তি, ই-মবিলিটী, প্ৰতিৰক্ষা, আৰু মহাকাশৰ দৰে কৌশলগত খণ্ডত ভাৰতৰ ৰাষ্ট্ৰীয় সামৰ্থ্যক আৰু অধিক শক্তিশালী কৰিব। উচ্চ প্ৰযুক্তিৰ উৎপাদনক উৎসাহিত কৰা হ'ব, যাৰ ফলত আত্মনিৰ্ভৰশীলতা বৃদ্ধি পাব। বিশ্বৰ 'আৰ ই পি এম' বজাৰত ভাৰতে এখন প্ৰধান উৎপাদনকাৰী দেশ হিচাপে স্থান লাভ কৰিব। 'চিণ্টাৰডৰেয়াৰ আৰ্থ পাৰ্মানেণ্ট মেগনেট' হৈছে নিঅ'ডাইমিয়াম আৰু চেমাৰিয়ামৰ দৰে বিৰল মৃত্তিকাৰ মৌলৰ মিশ্ৰণৰ পৰা নিৰ্মিত আটাইতকৈ শক্তিশালী স্থায়ী চুম্বক। বৈদ্যুতিক বাহন, নৱীকৰণযোগ্য শক্তি, ঔদ্যোগিক প্ৰয়োগ, আৰু উপভোক্তা ইলেক্ট্ৰনিকছৰ দ্ৰুতগতিত বৃদ্ধি পোৱা চাহিদাৰ ফলত ২০২৫ চনৰ পৰা ২০৩০ চনৰ ভিতৰত ভাৰতৰ 'আৰ ই পি এম'-ৰ ব্যৱহাৰ দুগুণ হোৱাৰ সম্ভাৱনা আছে। বৰ্তমান ভাৰতৰ আৰ ই পি এমৰ চাহিদা মূলতঃ আমদানিৰ জৰিয়তে পূৰণ কৰা হয়। আঁচনিখন অনুমোদন দিয়াৰ তাৰিখৰ পৰা ৭ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব।

**সিদ্ধান্তঃ** পুনে মেট্ৰ' ৰেল প্ৰকল্পৰ দ্বিতীয় পৰ্যায়: খাৰাদি-খাড়কৱাছলা (লাইন ৪) আৰু নল ষ্টপ-ৱাৰ্জে-মাণিক বাগ (লাইন ৪) প্ৰকল্পলৈ অনুমোদন

**প্ৰভাৱ ঃ** ২৮টা উচ্চ ষ্টেশ্যনৰ সৈতে মুঠ ৩১.৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪ আৰু ৪-এ লাইনে আই টি হাব, বাণিজ্যিক এলেকা, শিক্ষানুষ্ঠান, আৰু পুব, দক্ষিণ আৰু পশ্চিম পুনেৰ আৱাসিক ক্লাষ্টাৰসমূহক সংযোগ কৰিব। আনুমানিক ৯,৮৫৭.৮৫ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পটো পাঁচ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। প্ৰক্ষেপণ অনুসৰি ২০২৮ চনত ৪ আৰু ৪-এ লাইনত মিলি দৈনিক যাত্ৰীৰ মুঠ সংখ্যা ৪.০৯ লাখ হোৱাৰ সম্ভাৱনা আছে, যিটো ২০৩৮ চনত প্ৰায় ৭ লাখ, ২০৪৮ চনত ৯.৬৩ লাখ আৰু ২০৫৮ চনত ১১.৭ লাখতকৈয়ো অধিক হ'ব। লাইন ৪ আৰু ৪-এৰ জৰিয়তে পুনেই কেৱল অধিক মেট্ৰ' ট্ৰেক পোৱাই নহয়, দ্ৰুত, সেউজীয়া, আৰু অধিক সংযুক্ত ভৱিষ্যতো লাভ কৰিব। এই কৰিডৰে অহা-যোৱাৰ সময় হ্ৰাস কৰিব, যান-জঁট দূৰ কৰিব, আৰু নাগৰিকসকলক এক নিৰাপদ, নিৰ্ভৰযোগ্য, আৰু সুলভ বিকল্প প্ৰদান কৰিব।




> “মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ চাৰিখন জিলাক সামৰি লোৱা দুটা ‘মাল্টিট্ৰেকিং’ প্ৰকল্পৰ সন্দৰ্ভত কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্তই ৰে'ল আন্তঃগাঁথনিৰ পৰিসৰ বৃদ্ধি কৰিব। গতিশীলতা, কাৰ্যকৰী দক্ষতা, আৰু সেৱাৰ নিৰ্ভৰযোগ্যতা বৃদ্ধি পাব। মাল্টি-ম'ডেল সংযোগ আৰু লজিষ্টিক দক্ষতাও উন্নত হ'ব।”
>
> নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী



**সিদ্ধান্তঃ** মহাৰাষ্ট্ৰ আৰু গুজৰাটৰ চাৰিখন জিলা সামৰি দুটা ‘ৰে'লৱে মাল্টি ট্ৰেকিং প্ৰকল্প'লৈ অনুমোদন।

**প্ৰভাৱ ঃ** প্ৰকল্পটোৰ মুঠ আনুমানিক ব্যয় ২,৭৮১ কোটি টকা। মহাৰাষ্ট্ৰ আৰু গুজৰাট ৰাজ্যৰ চাৰিখন জিলা সামৰি লোৱা এই দুটা প্ৰকল্পই ভাৰতীয় ৰে'লৱেৰ বৰ্তমানৰ নেটৱৰ্কটো প্ৰায় ২২৪ কিলোমিটাৰলৈ সম্প্ৰসাৰণ কৰিব। এই পদক্ষেপে দ্বাৰকাধীশ মন্দিৰৰ সংযোগ আৰু মালবাহী কৰিড'ৰ শক্তিশালী কৰিব। অনুমোদিত ‘মাল্টি ট্ৰেকিং প্ৰকল্প'টোৱে প্ৰায় ৩২ লাখ জনসংখ্যাৰ প্ৰায় ৫৮৫খন গাঁৱৰ সংযোগ উন্নত কৰিব। বৰ্ধিত লাইন ক্ষমতাই ভাৰতীয় ৰে'লৱেৰ গতিশীলতা যথেষ্ট বৃদ্ধি কৰিব, যাৰ ফলত কাৰ্যকৰী দক্ষতা আৰু সেৱাৰ নিৰ্ভৰযোগ্যতা উন্নত হ'ব। এই প্ৰকল্পত ১৮ এমটিপিএ মালবাহী সামৰ্থ্য সংযোজন কৰা হ'ব। ইয়াৰ ফলত ৩ কোটি লিটাৰ ইন্ধনৰ ৰাহি হ'ব আৰু ৬৪ লাখ গছ ৰোপণৰ সমতুল্য ১৬ কোটি কিলোগ্ৰাম কাৰ্বন ডাই অক্সাইডৰ নিৰ্গমণ হ্ৰাস পাব। এই উন্নয়নৰ জৰিয়তে এই প্ৰকল্পসমূহে স্থানীয় লোকসকলক স্বাৱলম্বী কৰি তুলিব, তেওঁলোকৰ বাবে কৰ্মসংস্থাপন আৰু আত্মসংস্থাপনৰ সুযোগ বৃদ্ধি কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত আছে —

- দেৱভূমি দ্বাৰকা (ওখা) - কানালুছ ডাবলিং - ১৪১ কিলোমিটাৰ
- বদলাপুৰ - কাৰ্জাত তৃতীয় আৰু চতুৰ্থ লাইন - ৩২ কিলোমিটাৰ




# ‘বিকশিত ভাৰত’ৰ বাবে অত্যাধুনিক নিৰাপত্তা ব্যৱস্থাৰ দিশত পদক্ষেপ আগবঢ়োৱা এখন ৰাষ্ট্ৰ

২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰ হোৱাৰ লক্ষ্যৰ দিশে আগবাঢ়ি যোৱা ভাৰতে সকলো খণ্ডতে সৰ্বাংগীণ পৰিৱৰ্তন সাধনৰ বাবে অক্লান্তভাৱে কাম কৰি আছে। যিকোনো ৰাষ্ট্ৰৰ বাবে নিৰাপত্তা হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ আধাৰ, আৰু সেয়েহে বাৰ্ষিক ‘ডিজিপি সন্মিলন’-এ পৰিৱৰ্তিত সময়ত প্ৰযুক্তিৰ জৰিয়তে আৰক্ষী প্ৰশাসনক অধিক উন্নত কৰাৰ বাবে এক মঞ্চ হিচাপে কাম কৰে, লগতে ভৱিষ্যতৰ প্ৰযুক্তিসমূহক ‘পুলিচিং’-ৰ তৃণমূল পৰ্যায়ৰ প্ৰয়োজনীয়তাৰ সৈতে খাপ খুৱাই লয়।

লালকিল্লাৰ প্ৰাচীৰৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শত্ৰুৰ আক্ৰমণৰ পৰা ৰাষ্ট্ৰখনক ৰক্ষা কৰিবলৈ ‘মিছন সুদৰ্শন চক্ৰ’ আৰম্ভ কৰাৰ কথা ঘোষণা কৰে। একেদৰে আভ্যন্তৰীণ নিৰাপত্তাৰ ব্যৱস্থাও নিৰন্তৰ শক্তিশালী কৰি তোলা হৈছে। এই পদক্ষেপসমূহক আগুৱাই লৈ যোৱাৰ উদ্দেশ্যে ২৮-৩০ নৱেম্বৰত ৰায়পুৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ‘৬০ সংখ্যক সৰ্বভাৰতীয় সঞ্চালক প্ৰধান !আৰক্ষী মহাপৰিদৰ্শক সন্মিলন’ উদ্বোধন কৰে, আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সভাপতিত্ব কৰে। এই সন্মিলনৰ বিষয়বস্তু আছিল “বিকশিত ভাৰত: সুৰক্ষাৰ মাত্ৰা”। ভাৰতে ২০২৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত নক্সালবাদৰ পৰা সম্পূৰ্ণ মুক্তি লাভ কৰাৰ লক্ষ্য লোৱাৰ বাবে বিশেষ তাৎপৰ্য্য লাভ কৰা ছত্তীশগড়ৰ ৰাজধানী ৰায়পুৰত ইয়াৰ আয়োজন কৰা হৈছিল।

সন্মিলনত আৰক্ষীয়ে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ ক্ষেত্ৰত এই পৰ্যন্ত হোৱা অগ্ৰগতিৰ পৰ্যালোচনা কৰি এখন নিৰাপদ ভাৰত গঢ়াৰ বাবে এক দূৰদৰ্শী পথ-পৰিকল্পনা প্ৰস্তুত কৰা হয়। বিশেষকৈ বাওঁপন্থী উগ্ৰবাদৰ বিৰুদ্ধে যুঁজ দিয়া, সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়া, দুৰ্যোগ ব্যৱস্থাপনা, মহিলাৰ সুৰক্ষা, ফৰেনছিক বিজ্ঞান আৰু এআই-ৰ ব্যৱহাৰ আদি বিষয়সমূহ ক্ষেত্ৰত বিশেষভাৱে আলোচনা কৰা হয়।

*বিগত সাতটা বছৰত ৫৮৬খন দুৰ্ভেদ্য থানা নিৰ্মাণ কৰি নিৰাপত্তাৰ পৰিধি শক্তিশালী কৰা হৈছে। ফলত নক্সাল প্ৰভাৱিত জিলাসমূহৰ সংখ্যা ২০১৪ চনৰ ১২৬ খনৰ পৰা ১১খনলৈ হ্ৰাস পাইছে।*

সন্মিলনৰ অন্তিম দিনা প্ৰধানমন্ত্ৰী মোদীয়ে দক্ষতা, সংবেদনশীলতা, জবাবদিহিতাক প্ৰসাৰিত কৰি জনসাধাৰণৰ, বিশেষকৈ যুৱক-যুৱতীসকলৰ মাজত আৰক্ষীৰ প্ৰতি ধাৰণা সলনি কৰাৰ জৰুৰী প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। তেওঁ নগৰীয়া ‘পুলিচিং’ শক্তিশালী কৰা, পৰ্যটন আৰক্ষীক পুনৰ সজীৱ কৰি তোলা, আৰু ঔপনিৱেশিক যুগৰ অপৰাধমূলক আইনসমূহৰ ঠাই লোৱা নতুন ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় সাক্ষ্য অধিনিয়ম, আৰু ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ বিষয়ে জনসচেতনতা বৃদ্ধিৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে উপহাৰ

## ডিজিপি/আইজিপি সন্মিলনৰ বৰ্ধিত গুৰুত্ব

প্ৰধানমন্ত্ৰীয়ে ২০১৪-ৰ পৰা ডিজিপি সন্মিলনৰ প্ৰতি গভীৰ আগ্ৰহ প্ৰকাশ কৰি আহিছে। পূৰ্বে পৰম্পৰা ৰক্ষাৰ বিপৰীতে তেওঁ এই সন্মিলনত মুক্ত আৰু অনানুষ্ঠানিক আলোচনাক উৎসাহিত কৰে। ইয়াৰ ফলত শীৰ্ষ আৰক্ষী বিষয়াসকলে দেশখনক প্ৰভাৱিত কৰা মূল নীতি-নিৰ্ধাৰণ আৰু আভ্যন্তৰীণ সুৰক্ষাজনিত বিষয়সমূহত প্ৰধানমন্ত্ৰীক পোনপটীয়াকৈ অৱগত কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে ২০১৪-ৰ পৰা দিল্লীৰ বাহিৰত এই সন্মিলন আয়োজনৰ এক নতুন পৰম্পৰাও আৰম্ভ কৰিছে।

- ২০১৪-ত গুৱাহাটীত অনুষ্ঠিত হৈছিল।
- ২০১৫ চনত কচ্ছ উপসাগৰৰ ধোৰদোত অনুষ্ঠিত হৈছিল।
- ২০১৬-ত হায়দৰাবাদৰ ৰাষ্ট্ৰীয় আৰক্ষী একাডেমীত অনুষ্ঠিত হৈছিল।
- ২০১৭-ত টেকানপুৰৰ বিএছএফ একাডেমীত অনুষ্ঠিত হৈছিল।
- ২০১৮-ত কেৱডিয়াত অনুষ্ঠিত হৈছিল।
- ২০১৯-ত পুনেৰ আইআইএছইআৰত অনুষ্ঠিত হৈছিল।
- ২০২০-ত ক'ভিডৰ পৰিপ্ৰেক্ষিতত ডিজিপি সন্মিলন ভাৰ্চুৱেল মাধ্যমেৰে অনুষ্ঠিত হৈছিল।
- ২০২১-ত লক্ষ্ণৌত অনুষ্ঠিত হৈছিল।
- ২০২২-ত নতুন দিল্লীত অনুষ্ঠিত হৈছিল।
- ২০২৩-ত জয়পুৰত অনুষ্ঠিত হৈছিল।
- ২০২৪-ত ভুৱনেশ্বৰত অনুষ্ঠিত হৈছিল।
- ২০২৫-ত ৰায়পুৰত অনুষ্ঠিত হৈছিল।




"ড্ৰাগছ সেৱনৰ সৈতে মোকাবিলা কৰিবলৈ বলবৎকৰণ, পুনৰ্বাসন আৰু সমাজ-পৰ্য্যায়ৰ হস্তক্ষেপৰ সংমিশ্ৰণেৰে এক সামগ্ৰিক চৰকাৰী পদ্ধতিৰ প্ৰয়োজন।

*নৰেন্দ্ৰ মোদী*, **প্ৰধানমন্ত্ৰী**

**কেন্দ্ৰীয় চৰকাৰে বিগত ৪০ বছৰে দেশৰ বাবে অভিশাপ হৈ পৰা তিনিটা হটস্পট যথাঃ নক্সালবাদ, উত্তৰ-পূৰ্বাঞ্চল আৰু জম্মু-কাশ্মীৰৰ সমস্যাৰ স্থায়ী সমাধানৰ ব্যৱস্থা কৰিছে।**

দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে ইণ্টেলিজেন্স ব্যুৰ'ৰ বিষয়াসকলক ৰাষ্ট্ৰপতিৰ বিশিষ্ট সেৱা আৰক্ষী পদক প্ৰদান কৰে। ইয়াৰ উপৰিও তেওঁ নগৰীয়া পুলিচিঙৰ ক্ষেত্ৰত সৰ্বোত্তম প্ৰদৰ্শনকাৰী তিনিখন চহৰক বঁটা প্ৰদান কৰে। প্ৰথমে নগৰীয়া পুলিচিঙৰ উদ্ভাৱন আৰু অগ্ৰগতিত উৎসাহিতকৰণৰ বাবে এই বঁটা প্ৰৱৰ্তন কৰা হৈছিল। দৰাচলতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ অগ্ৰাধিকাৰৰাজিৰ ভিতৰত মানৱ সম্পদ ব্যৱস্থাপনা অন্যতম। ইয়াৰ বিপৰীতে পূৰ্বৰ চৰকাৰসমূহৰ সময়ত প্ৰধানমন্ত্ৰী বা গৃহমন্ত্ৰীয়ে আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকৰ প্ৰশাসনিক বৈঠকৰ উদ্বোধনী বা সামৰণী অধিবেশনত কেৱল আনুষ্ঠানিকভাৱেহে অংশগ্ৰহণ কৰিছিল।

কিন্তু প্ৰধানমন্ত্ৰী মোদীয়ে এই পৰম্পৰা সলনি কৰিলে আৰু সেয়া সকলো ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধানৰ বৈঠকেই হওক বা আইএএছ তথা আইপিএছ বিষয়াসকলৰ সৈতে হোৱা আলোচনাই হওক, তেওঁ বা গৃহমন্ত্ৰী অমিত শ্বাহে এই বৈঠকসমূহত অংশগ্ৰহণ কৰি শীৰ্ষ পৰ্য্যায়ত উন্নত সমন্বয় ব্যৱস্থা স্থাপন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এনে বাৰ্ষিক সন্মিলনৰ প্ৰতি ধাৰাবাহিকভাৱে গভীৰ আগ্ৰহ প্ৰকাশ কৰি স্পষ্ট আলোচনাক উৎসাহিত কৰি আহিছে। তেওঁ পুলিচিঙৰ নতুন ধাৰণা উদ্ভৱ হ'ব পৰা এটা পৰিবেশৰ সৃষ্টি কৰিছে।

ছাফ্ৰান বিমান ইঞ্জিন সেৱা কেন্দ্ৰ মুকলি

# বিমান আৰু জাহাজ পৰিবহণ খণ্ডই

## নতুন গতি লাভ কৰিব

ভাৰতৰ বিমান আৰু জাহাজ পৰিবহণ খণ্ড দ্ৰুতগতিত বৃদ্ধি পাইছে। ফলস্বৰূপে, ৰক্ষণাবেক্ষণ, মেৰামতি আৰু অভাৰহ'ল (MRO) সুবিধাসমূহৰ প্ৰয়োজনীয়তাও বৃদ্ধি পাইছে। ইয়াৰ অৰ্থে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৬ নৱেম্বৰত হায়দৰাবাদত ছাফ্ৰান এয়াৰক্ৰাফ্ট ইঞ্জিন ছাৰ্ভিচেছ ইণ্ডিয়াৰ সুবিধা উদ্বোধন কৰে।

দেশৰ ৮৫% ৰক্ষণাবেক্ষণ, মেৰামতি আৰু অভাৰহ'লৰ (MRO) কাম দেশৰ বাহিৰত সম্পন্ন হৈ আহিছে, ইয়াৰ পৰিণতিত যথেষ্ট সময় লাগিছে আৰু আৰ্থিক ব্যয় হৈছে। তদুপৰি বিমানসমূহ প্ৰায়ে দীৰ্ঘ সময়ৰ বাবে পেলাই ৰখা হয়। ভাৰতৰ দৰে বৃহৎ বিমান বজাৰৰ বাবে এনে পৰিস্থিতি অনুকূল নহয়। ইয়াৰ পৰিপ্ৰেক্ষিতত ভাৰতে এতিয়া জাহাজৰ সমান্তৰালকৈ বিমান পৰিবহণ-সম্পৰ্কীয় এমআৰঅ' ব্যৱস্থাৰ কাম অব্যাহত ৰাখিছে। ভাৰতীয় প্ৰতিষ্ঠানসমূহৰ সৈতে ছাফ্ৰানৰ বিশ্বব্যাপী প্ৰশিক্ষণ, জ্ঞান হস্তান্তৰ আৰু অংশীদাৰিত্বই দেশত এক স্থিতিস্থাপক কৰ্মশক্তি গঢ়ি তুলিব। এই কৰ্মশক্তিয়েই আগন্তুক বছৰসমূহত সমগ্ৰ এমআৰঅ' বাতাবৰণক নতুন গতি আৰু দিশ প্ৰদান কৰিব। এই সুবিধাই দক্ষিণ ভাৰতৰ যুৱক-যুৱতীসকলৰ বাবে অসংখ্য কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দেশখনে নিজকে বিমান পৰিবহণ এমআৰঅ'-তে সীমাবদ্ধ কৰি ৰাখিব নিবিচাৰে, বৰঞ্চ জাহাজ-সম্পৰ্কীয় এমআৰঅ' বাতাবৰণ সন্দৰ্ভতো বৃহৎ পৰিসৰত কাম কৰি আছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই নতুন সুবিধাই ভাৰতক বিশ্বব্যাপী এমআৰঅ' হাব হিচাপে প্ৰতিষ্ঠা কৰাত সহায় কৰিব। ইয়াৰ উপৰিও যুৱক-যুৱতীসকলৰ বাবে উচ্চ-প্ৰযুক্তিৰ মহাকাশ জগতখনত নতুন সুযোগৰ সৃষ্টি হ'ব। প্ৰায় ১,৩০০ কোটি টকাৰ প্ৰাৰম্ভিক বিনিয়োগেৰে জিএমআৰ এৰ'স্পেচ এণ্ড ইণ্ডাষ্ট্ৰিয়েল পাৰ্ক (SEZ)ৰ ৪৫,০০০ বৰ্গমিত বিস্তৃত এই অত্যাধুনিক সুবিধাটো বিকশিত কৰা হৈছে। ২০৩৫-ৰ ভিতৰত সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম হৈ উঠিলে এই সুবিধাত ১,০০০-ৰো অধিক উচ্চ দক্ষতাসম্পন্ন ভাৰতীয় টেকনিচিয়ান আৰু অভিযন্তাই নিযুক্তি লাভ কৰিব।






“ ভাৰতত দ্ৰুত বিকাশ, এখন সুস্থিৰ চৰকাৰ, এক সংস্কাৰ-মুখী মানসিকতা, এটি বিশাল যুৱ প্ৰতিভাৰ পুল, এখন বিশাল ঘৰুৱা বজাৰ বিদ্যমান আৰু আটাইতকৈ গুৰুত্বপূৰ্ণভাৱে ভাৰতত বিনিয়োগ কৰাসকলক আমি কেৱল বিনিয়োগকাৰী হিচাপেই নহয়, বৰঞ্চ সহ-সৃষ্টিকৰ্তা (co-creators) বুলি গণ্য কৰোঁ।

**নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী

আজি ভাৰত হৈছে বিশ্বৰ সৰ্বাধিক দ্ৰুত-বৰ্ধমান ঘৰুৱা বিমান বজাৰসমূহৰ অন্যতম। ভাৰতত বিমান যাত্ৰাৰ চাহিদা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে, ইয়াৰ পৰিপ্ৰেক্ষিতত দেশৰ বিমান সংস্থাসমূহে নিজ-নিজ সক্ৰিয় 'ফ্লীট' ধাৰাবাহিকভাৱে সম্প্ৰসাৰিত কৰিছে। ভাৰতীয় বিমান সংস্থাসমূহে ১,৫০০-ৰো অধিক নতুন বিমানৰ অৰ্ডাৰ দিছে। ইয়াৰ দ্বাৰা ভৱিষ্যতে এমআৰঅ' বাতাবৰণ অধিক সুদৃঢ় হৈ উঠিব। প্ৰধানমন্ত্ৰী মোদীয়ে ছাফ্ৰান টীমটোক ভাৰতত বিমান ইঞ্জিন আৰু কম্প'নেণ্ট ডিজাইনৰো সম্ভাৱনীয়তা অন্বেষণ কৰিবলৈ আহ্বান জনায়। দৰাচলতে আজিৰ ভাৰতে কেৱল ডাঙৰ সপোন দেখাই নহয়, বৰঞ্চ বৃহৎ সিদ্ধান্ত গ্ৰহণ আৰু নতুন শিখৰত আৰোহণ কৰিছে। ●

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

“এক একৰ, এক বতৰ”: প্ৰাকৃতিক কৃষিৰ নতুন মন্ত্ৰ

# প্ৰাকৃতিক কৃষিকাৰ্য্য...

## বিশ্ব কেন্দ্ৰ হোৱাৰ পথত ভাৰত

“প্ৰাকৃতিক কৃষি হৈছে এক থলুৱা ভাৰতীয় ধাৰণা। এয়া আমদানি কৰা ধাৰণা নহয়- বৰঞ্চ ই পৰম্পৰা প্ৰসূত আৰু পৰিবেশৰ সৈতে সামঞ্জস্যপূৰ্ণ। ” ১৯ নৱেম্বৰত তামিলনাডুৰ কইম্বাটুৰত অনুষ্ঠিত দক্ষিণ ভাৰত প্ৰাকৃতিক কৃষি সন্মিলন, ২০২৫-ৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই বক্তব্যই প্ৰাকৃতিক কৃষিৰ এক নতুন যুগৰ ইংগিত প্ৰদান কৰে। এই মঞ্চৰ পৰাই প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰীয় প্ৰাকৃতিক কৃষি অভিযানত কৃষকসকলৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে “এক একৰ, এক বতৰ” মন্ত্ৰৰ কথা কয়...

কৃষি আৰু কৃষকসকল হৈছে ভাৰতৰ অৰ্থনীতি আৰু সংস্কৃতিৰ আধাৰ। কৃষি খণ্ডই কেৱল মুঠ ঘৰুৱা উৎপাদন (GDP)লৈ ১৭% অৰিহণা যোগোৱাই নহয়, বৰঞ্চ দেশৰ ৬০ শতাংশৰো অধিক লোকক কৰ্মসংস্থাপনৰ সুযোগ প্ৰদান কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিগত ১১ বছৰত কেন্দ্ৰীয় চৰকাৰে এই খণ্ডত ব্যাপকভাৱে কাম কৰি ভাৰতক কৃষিত আত্ম-নিৰ্ভৰতা অৰ্জনৰ দিশত আগুৱাই নিছে। কৃষি ৰপ্তানিৰ পৰিমাণ প্ৰায় দুগুণ বৃদ্ধি পাইছে। এইবাৰ কৃষকসকলে ১০ লাখ কোটি টকাৰো অধিক মূল্যৰ সাহায্য লাভ কৰিছে। ২০২৫-ৰ নৱেম্বৰত কেন্দ্ৰীয় চৰকাৰে শুভাৰম্ভ কৰা ৰাষ্ট্ৰীয় প্ৰাকৃতিক কৃষি অভিযানৰ এটা বছৰ সম্পূৰ্ণ হ’ল। এই সময়ছোৱাত প্ৰায় চাৰে পাঁচ লাখ কৃষকে এই অভিযানত যোগদান কৰিছে। দক্ষিণ ভাৰত প্ৰাকৃতিক কৃষি সন্মিলন, ২০২৫-ৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত প্ৰাকৃতিক কৃষিকাৰ্য্যৰ বিশ্ব কেন্দ্ৰ হোৱাৰ পথত অগ্ৰসৰ হৈছে। আমাৰ জৈৱ বৈচিত্ৰ্যই এক নতুন ৰূপ ধাৰণ কৰিছে আৰু দেশৰ যুৱক-যুৱতীসকলে এতিয়া কৃষিক এক আধুনিক তথা উপযোগী সুযোগ হিচাপে গণ্য কৰিছে। ইয়াৰ ফলত দেশৰ গ্ৰাম্য অৰ্থনীতিৰ যথেষ্ট উত্থান ঘটিব।

প্ৰাকৃতিক কৃষিকাৰ্য্যৰ সম্প্ৰসাৰণ হৈছে একবিংশ শতিকাৰ কৃষিৰ এক





ৰাষ্ট্ৰীয় কৃষক দিৱস - ২৩ ডিচেম্বৰ

# সমৃদ্ধিশালী কৃষক...

## গ্ৰাম্য অৰ্থনীতিক সুদৃঢ়কৰণ

কৃষকসকল হৈছে ৰাষ্ট্ৰৰ আয়ুসৰেখা আৰু "অন্নদাতা"। তেওঁলোক ভাৰতৰ সমৃদ্ধিৰ আধাৰ। প্ৰতি বছৰে ২৩ ডিচেম্বৰত পালন কৰা ৰাষ্ট্ৰীয় কৃষক দিৱসত কৃষকসকলৰ অৱদানক উদযাপন কৰা হয়। এই উপলক্ষে কৃষকসকলক আত্ম-নিৰ্ভৰ, তেওঁলোকৰ আয় বৃদ্ধি আৰু নব্য ভাৰতৰ সমৃদ্ধিক ত্বৰান্বিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে বিগত ৰব বছৰে নতুন আঁচনি, পদক্ষেপ আৰু আৰ্থিক সাহায্যৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিক সুদৃঢ় কৰা কাৰ্য্যৰ অৱলোকন কৰা হৈছে...

কৃষি আৰু কৃষক কল্যাণৰ বাবে বাজেট

**২১,৯৩৩** কোটি টকা
২০১৩-১৪

**১,৩৭,৭৫৬** কোটি টকা
২০২৫-২৬

সাফল্যৰাজি (জুলাই, ২০২৫-ৰ তথ্য)

**২৪.৮৮** লাখ কৃষক প্ৰধানমন্ত্ৰী কিষাণ মানধন যোজনাত অন্তৰ্ভুক্ত হৈছে।

২০১৬-ৰ পৰা পিএম ফছল বীমা যোজনাৰ অধীনত ৭৮.৪১ কোটি আবেদনৰ বীমা কৰাৰ লগতে ১.৮৩ লাখ কোটি টকা মূল্যৰ দাবী পৰিশোধ কৰা হৈছে।

- বন্যপ্ৰাণীৰ দ্বাৰা শস্যৰ ক্ষতিসাধন আৰু ধাননিত পানী জমা হোৱা উভয় পৰিঘটনাকে পিএমএফবিৱাই-ত অন্তৰ্ভুক্ত কৰা হৈছে। বন্যপ্ৰাণীয়ে শস্যৰ ক্ষতিসাধন কৰা কাৰ্যক স্থানীয় বিপদাশংকা শিতানৰ পঞ্চম 'এড-অন কভাৰ' হিচাপে স্বীকৃতি দিয়া হৈছে। কৃষকসকলে শস্য বীমা এপত জিঅ'টেগ কৰা ফটোৰে ৭২ ঘণ্টাৰ ভিতৰত শস্যৰ ক্ষয়-ক্ষতি সম্পৰ্কে অৱগত কৰিব লাগিব। এই ব্যৱস্থা ২০২৬-ৰ খাৰিফ বতৰৰ পৰা

**৯৩,০০০** কোটিৰো অধিক টকা ২০২১-২৬ বৰ্ষৰ বাবে প্ৰধানমন্ত্ৰী কৃষি সিঁচাই যোজনাৰ অধীনত আবণ্টন জনোৱা, ১১২টা জলসিঞ্চন প্ৰকল্প ৰূপায়ণ কৰা হৈছে। ইয়াৰ ফলত বাৰিষাৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাইছে।

**৭.৭১** কোটি কৃষকে কেচিচি আঁচনিৰ অধীনত ১০ লাখ কোটি টকা লাভ কৰিছে; ঋণৰ সীমা ৫ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

২৫.১৭ কোটি ছইল হেল্‌থ কাৰ্ড প্ৰদান কৰা হৈছে। ৮,২৭২টা মাটি পৰীক্ষণ পৰীক্ষাগাৰ স্থাপন কৰা হৈছে।

মূল প্ৰয়োজনীয়তা। শেহতীয়া বছৰ কেইটাত খাদ্যৰ চাহিদা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত কৃষি পথাৰ আৰু ফাৰ্মত ৰাসায়নিক পদাৰ্থৰ ব্যৱহাৰ দ্ৰুতগতিত বৃদ্ধি পাইছে। ৰাসায়নিক সাৰ আৰু কীটনাশকৰ অত্যধিক ব্যৱহাৰৰ পৰিণতিত মাটিৰ উৰ্বৰতা হ্ৰাস পাইছে আৰু আৰ্দ্ৰতাত প্ৰভাৱ পৰিছে। ইয়াৰ সমান্তৰালকৈ কৃষিৰ ব্যয়ো ক্ৰমাৎ বৃদ্ধি পাইছে। এই সমস্যাৰ সমাধান শস্যৰ বৈচিত্ৰ্যতা আৰু প্ৰাকৃতিক কৃষিকাৰ্য্যত নিহিত হৈ আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আমি প্ৰাকৃতিক কৃষিকাৰ্য্যৰ দিশত আগবাঢ়িব লাগিব। এয়া আমাৰ দৃষ্টিভংগী আৰু প্ৰয়োজন উভয়ে। প্ৰাকৃতিক কৃষিয়ে জলবায়ু পৰিৱৰ্তনৰ সৈতে মোকাবিলা কৰাত সহায় কৰে। এই পন্থাই আমাৰ মাটিৰ গুণাগুণ অক্ষুণ্ন ৰাখিব পাৰে লগতে ক্ষতিকাৰক ৰাসায়নিক পদাৰ্থৰ পৰাও ৰাইজক ৰক্ষা কৰিব পাৰে। এই প্ৰাকৃতিক কৃষি অভিযানত ৰাজ্য চৰকাৰ আৰু এফপিঅ'-সমূহে এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিগত কেইবছৰমানত ১০,০০০ এফপিঅ' গঠন কৰা হৈছে। এফপিঅ'-সমূহৰ সহযোগত আমি কৃষকসকলৰ সৰু-সৰু ক্লাষ্টাৰ বা গোট সৃষ্টি কৰিব লাগে। তেওঁলোকক চাফাই, সংসাধন আৰু পেকেজিঙৰ বাবে সুবিধা প্ৰদান কৰিব লাগে তথা অনলাইন বজাৰৰ সৈতে পোনপটীয়াকৈ সংযোগ কৰিব লাগে। ইয়াৰ ফলত প্ৰাকৃতিক কৃষিকাৰ্য্যৰে জড়িত কৃষকসকলৰ লাভৰ সম্ভাৱনা অধিক বৃদ্ধি পাব।

**বহুতৰপীয়া কৃষিকাৰ্য্য হৈছে প্ৰাকৃতিক কৃষিৰ মূল দৰ্শন**
দক্ষিণ ভাৰতৰ কৃষকসকল ভাৰতীয় কৃষিৰ মূল দৰ্শনৰ সৈতে

## কৃষকসকলৰ একাউণ্টত ৪ লাখ কোটি টকা জমা

কেন্দ্ৰীয় চৰকাৰে কৃষকসকলক সবলীকৰণৰ বাবে অহৰহ পদক্ষেপ গ্ৰহণ কৰি আহিছে। ২০২৫-ৰ ১৯ নৱেম্বৰত ২০১৮-১৯ বিত্তীয় বৰ্ষত শুভাৰম্ভ কৰা পিএম-কিষাণ আঁচনিৰ অধীনত প্ৰধানমন্ত্ৰী মোদীয়ে ২১ সংখ্যক কিস্তি হিচাপে ৯ কোটি কৃষকৰ একাউণ্টলৈ ১৮ হাজাৰ কোটি টকা হস্তান্তৰ কৰে। এতিয়ালৈকে আঁচনিখনৰ অধীনত ক্ষুদ্ৰ কৃষকসকলৰ বেংক একাউণ্টলৈ ৪ লাখ কোটিৰো অধিক টকা হস্তান্তৰ কৰা হৈছে।

## আনকি শিক্ষিত যুৱক-যুৱতীসকলেও এতিয়া কৃষি-প্ৰশিক্ষণ গ্ৰহণ কৰিছে

প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰাকৃতিক কৃষিকাৰ্য্য কৰা কৃষকসকলৰ সৈতে মত-বিনিময়ো কৰে। কৃষকসকলে তেওঁক দক্ষিণ ভাৰতৰ ১০০ৰো অধিক প্ৰাকৃতিক সামগ্ৰী সম্পৰ্কে অৱগত কৰে - তেওঁলোকে মৌক মূল সামগ্ৰী হিচাপে অভিহিত কৰে - লগতে এহেজাৰ পৰম্পৰাগত জাতৰ ধান, বগা চাহকে প্ৰমুখ্য কৰি চাৰি প্ৰকাৰৰ চাহ আৰু কলৰ আৱৰ্জনাৰে তৈয়াৰী সামগ্ৰী সম্পৰ্কে অৱগত কৰে। তেওঁলোকে লগতে ২৫ বিধ জিআই-টেগযুক্ত সামগ্ৰীৰ সবিশেষো ব্যক্ত কৰে। ইয়াত প্ৰধানমন্ত্ৰী মোদীয়ে গুজৰাটৰ স্বচ্ছ গাঁও আৰু পশুধনৰ ফলপ্ৰসূ যত্নৰ বাবে "কেটেল হোষ্টেল"-ৰ ধাৰণাটো সম্পৰ্কে কয়। যুৱক-যুৱতীসকল প্ৰশিক্ষণ গ্ৰহণৰ বাবে আহিছে নেকি বুলি সোধাত কৃষকসকলে কয় যে ভালে সংখ্যক যুৱক-যুৱতীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে। আগতে এনে লোকসকলক বিফল বুলি গণ্য কৰা হৈছিল যদিও এতিয়া তেওঁলোকে প্ৰতিমাহে ২ লাখ টকা উপাৰ্জন কৰে আৰু ইয়াৰ জৰিয়তে তেওঁলোক প্ৰেৰণাৰ উৎস হৈ পৰিছে।



## ৫.৪৫ লাখ হেক্টৰৰো অধিক ভূমিত প্ৰাকৃতিক কৃষিকাৰ্য্য আৰম্ভ হৈছে

২০২৪-ৰ ২৫ নৱেম্বৰত কেন্দ্ৰীয় কেবিনেটে ২,৪৮১ কোটি টকা ব্যয় সাপেক্ষে অনুমোদন জনোৱা ৰাষ্ট্ৰীয় প্ৰাকৃতিক কৃষি অভিযানত ২০২৫-ৰ আগষ্টলৈকে ১.৪৩ নিযুতৰো অধিক কৃষকে যোগদান কৰিছে। এই কৃষকসকলে ৫.৪৫ লাখৰো অধিক হেক্টৰ ভূমিত প্ৰাকৃতিক কৃষি কৰিছে। এই অভিযানৰ অধীনত প্ৰতিজন কৃষকক দুবছৰৰ বাবে প্ৰতি বছৰে ৪ হাজাৰ টকা (প্ৰতি কৃষক প্ৰতি একৰ)ৰ ইনচেণ্টিভ প্ৰদান কৰা হয়।

ৰাষ্ট্ৰজুৰি ৰূপায়ণ কৰা হ'ব।

- কৃষি আন্তঃগাঁথনি পুঁজিৰ অধীনত ১,১৩,৪১৯টা প্ৰকল্পলৈ ৬৬,৩১০ কোটি টকা অনুমোদন জনোৱা হৈছে আৰু ১,০৭,৫০২ কোটি টকাৰ বিনিয়োগ প্ৰলুব্ধ কৰে।
- প্ৰধানমন্ত্ৰী কিষাণ সমৃদ্ধি কেন্দ্ৰৰ বাবে ৱান-ষ্টপ শ্বপ হিচাপে ১.৮ লাখ কেন্দ্ৰ স্থাপন কৰা হৈছে।
- ৫২,২৮৯টা ক্লাষ্টাৰ গঠনেৰে পৰম্পৰাগত কৃষি বিকাশ যোজনাৰ অধীনত ১৪.৯৯ লাখ হেক্টৰ ভূমিক জৈৱিক কৃষিকাৰ্য্যৰ অধীনলৈ অনা হয়। ইয়াৰ জৰিয়তে ২৫.৩০ লাখ কৃষক উপকৃত হৈছে।
- ই-নামত (e-NAM) ১.৭৯ কোটিৰো অধিক কৃষক আৰু ৪,৫১৮টা এফপিঅ'-এ পঞ্জীয়ন কৰিছে তথা ইয়াত প্ৰায় ৪.৫ লাখ কোটি টকা মূল্যৰ ব্যৱসায় কৰা হৈছে।
- ২০১৪-ত মাত্ৰ দুখনৰ বিপৰীতে এতিয়া ৪১খন মেগা ফুড পাৰ্ক স্থাপন কৰা হৈছে।

## প্ৰাকৃতিক কৃষিৰ লাভালাভ...

ভাৰতীয় কৃষি ব্যৱস্থা গৱেষণা প্ৰতিষ্ঠানে ১৬খন ৰাজ্যৰ ২০টা স্থানত ৪৮৪জন কৃষকৰ পামৰ ওপৰত কৰা এক অধ্যয়নত প্ৰকাশ পাইছে যে প্ৰাকৃতিক কৃষিৰ ফলত মাটিত জৈৱিক কাৰ্বনৰ পৰিমাণ ০.২৫% বৃদ্ধি পায় আৰু উৎপাদন ব্যয় ২৯% হ্ৰাস পায়। আইচিএআৰ-ৰ এক অধ্যয়ন অনুসৰি তিনিখন ৰাজ্যত লাভ-ব্যয়ৰ অনুপাত ১৫% বৃদ্ধিৰে ২৭০% হৈছে।

কৃষি উদ্ভাৱনক একত্ৰিত কৰি অগ্ৰসৰ হৈছে। ইয়াত বহুস্তৰপীয়া কৃষিকাৰ্য্যও অন্তৰ্ভুক্ত হৈছে। দক্ষিণ ভাৰতৰ একাধিক অঞ্চলত - যেনেঃ কেৰালা বা কৰ্ণাটকৰ পাৰ্বত্য অঞ্চলসমূহত - কৃষকসকলে একেখন পথাৰতে একেলগে নাৰিকল, তামোল আৰু ভিন্ন ফলমূলৰ খেতি কৰে। নামনি অংশত মছলা আৰু জালুকৰ খেতি কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়েও এই পন্থাক প্ৰাকৃতিক কৃষিৰ মূল দৰ্শন বুলি গণ্য কৰে। তেওঁ কৃষিকাৰ্য্যৰ এই আৰ্হিক ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ নিব বিচাৰে। তেওঁ ৰাজ্য চৰকাৰসমূহক এনে ধৰণৰ প্ৰাকৃতিক কৃষিক দেশৰ ভিন্ন অঞ্চলত কেনেদৰে ৰূপায়ণ কৰিব পাৰি, সেই সম্পৰ্কে বিবেচনা কৰিবলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে দক্ষিণ ভাৰতক কৃষিৰ জীৱন্ত বিশ্ববিদ্যালয় বুলি অভিহিত কৰে।

প্ৰাকৃতিক কৃষি বিজ্ঞান-সমৰ্থিত অভিযান হ'ব লাগিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান... "আমি প্ৰাকৃতিক কৃষি সঁচা অৰ্থত বিজ্ঞান-সমৰ্থিত অভিযান হৈ উঠাটো নিশ্চিত কৰিব লাগিব। মই সকলো বিজ্ঞানী আৰু প্ৰতিষ্ঠানকে প্ৰাকৃতিক কৃষিক কৃষি পাঠ্যক্ৰমৰ মূল অংশ কৰি তুলিবলৈ আহ্বান জনাইছো। আপোনালোক যেন গাঁৱলৈ গৈ কৃষকৰ পথাৰক আপোনালোকৰ পৰীক্ষাগাৰ কৰি তোলে। কৃষকসকলৰ পৰম্পৰাগত জ্ঞান, বিজ্ঞানৰ শক্তি আৰু চৰকাৰী সহযোগিতা একত্ৰিত হোৱা মাত্ৰকে কৃষকসকল সমৃদ্ধিশালী হ'ব আৰু আমাৰ ধৰিত্ৰী মাতৃও সুস্থ হৈ থাকিব।"

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক।*

# পাৰমাণৱিক শক্তি
## বিকশিত ভাৰতৰ নতুন সামৰ্থ্য

ভাৰতৰ এখনি উন্নত ৰাষ্ট্ৰ হোৱাৰ সংকল্পক ত্বৰান্বিতকৰণৰ ক্ষেত্ৰত পাৰমাণৱিক শক্তিৰ ভূমিকা অধিক শক্তিশালী হৈ পৰিছে। স্বচ্ছ, নিৰ্ভৰযোগ্য, দীৰ্ঘ-ম্যাদী শক্তিৰ উৎস হিচাপে পৰিসৰ বৃদ্ধি তথা থলুৱা প্ৰযুক্তি, উদীয়মান গৱেষণা ক্ষমতা আৰু অত্যাধুনিক প্ৰকল্প ৰূপায়ণ কৰি ভাৰতে আজি বিশ্ব পাৰমাণৱিক শক্তিসম্পন্ন ৰাষ্ট্ৰসমূহৰ মাজত দৃঢ়ভাৱে স্থান লাভ কৰিছে। এই প্ৰচেষ্টাৰাজি গ্ৰহণেৰে ভাৰত এটি বহনক্ষম, সুৰক্ষিত আৰু আত্ম-নিৰ্ভৰ শক্তি ভৱিষ্যতৰ দিশত আগবাঢ়িছে...

এখনি উন্নত ভাৰতৰ বিস্তৃত লক্ষ্যত উপনীত হ'বলৈ, শক্তিৰ নিৰ্ভৰযোগ্যতা নিশ্চিত আৰু জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ ভাৰত চৰকাৰে দীৰ্ঘ-ম্যাদী শক্তি পৰিৱৰ্তন কৌশলৰ অধীনত বৃহৎ উন্নয়নৰ ৰূপৰেখা দাঙি ধৰিছে। ইয়াৰ অংশ হিচাপে কেন্দ্ৰীয় চৰকাৰে ২০৪৭ৰ ভিতৰত ১০০ গিগাৱাট পাৰমাণৱিক শক্তি ক্ষমতাৰ অভিলাষী লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই লক্ষ্যত উপনীত হ'বলৈ কৌশলগত হস্তক্ষেপ আৰু আন্তঃগাঁথনি বিনিয়োগ অব্যাহত আছে। ইয়াত থলুৱা পাৰমাণৱিক প্ৰযুক্তি আৰু ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

শক্তি সুৰক্ষা লাভৰ ক্ষেত্ৰত পাৰমাণৱিক শক্তিক এক গুৰুত্বপূৰ্ণ উপাদান হিচাপে স্বীকৃতি জনাই চৰকাৰে এখনি উন্নত ভাৰতৰ বাবে পাৰমাণৱিক শক্তি অভিযান আৰম্ভ কৰিছে। এই পদক্ষেপৰ লক্ষ্য হৈছে



## ভাৰতৰ পাৰমাণৱিক ক্ষমতা সম্প্ৰসাৰণৰ বাবে চৰকাৰী পদক্ষেপৰাজি

ভাৰতে ক্ৰমবৰ্ধমান শক্তিৰ চাহিদা পূৰণ আৰু পাৰিপাৰ্শ্বিক লক্ষ্যত উপনীত হ'বলৈ ইয়াৰ পাৰমাণৱিক শক্তি ক্ষমতা সক্ৰিয়ভাৱে সম্প্ৰসাৰিত কৰি আছে। চৰকাৰে পাৰমাণৱিক শক্তি ক্ষমতা বৰ্তমানৰ ৮,৭৮০ মেগাৱাটৰ পৰা ২০৩১-৩২ ৰ ভিতৰত ২২,৪৮০ মেগাৱাটলৈ বৃদ্ধিৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই সম্প্ৰসাৰণ কাৰ্য্যত গুজৰাট, ৰাজস্থান, তামিলনাডু, হাৰিয়ানা, কৰ্ণাটক আৰু মধ্যপ্ৰদেশত মুঠ ৮,০০০ মেগাৱাট ক্ষমতাৰ দহটা ৰিয়েক্টৰ নিৰ্মাণ আৰু কাৰ্যক্ষম কৰা অন্তৰ্ভুক্ত হৈছে। আন দহটা ৰিয়েক্টৰৰ বাবে প্ৰকল্প-পূৰ্ব কাৰ্য্যকলাপ আৰম্ভ হৈছে। ২০৩১-৩২ ৰ ভিতৰত এইসমূহ সম্পূৰ্ণৰ পৰিকল্পনা কৰা হৈছে। তদুপৰি চৰকাৰে অন্ধ্ৰপ্ৰদেশৰ শ্ৰীকাকুলাম জিলাৰ ক'ভাদাত যুক্তৰাষ্ট্ৰৰ সহযোগত এটি ৬x১২০৮ মেগাৱাটৰ পাৰমাণৱিক শক্তি প্ৰকল্প স্থাপনৰ বাবে নীতিগত অনুমোদন জনাইছে।

২০২৪ৰ ১৯ ছেপ্টেম্বৰত দেশখনে পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰত এক উল্লেখযোগ্য মাইলৰ খুঁটি স্থাপন কৰিছিল। দেশৰ অন্যতম বৃহৎ আৰু তৃতীয় থলুৱা পাৰমাণৱিক ৰিয়েক্টৰ ৰাজস্থান পাৰমাণৱিক শক্তি প্ৰকল্পৰ ৭নং ইউনিট নিৰ্ণায়ক প্ৰান্তত উপনীত হৈছিল। প্ৰকল্পটোৱে নিয়ন্ত্ৰিত বিভাজন শৃংখল বিক্ৰিয়াৰ সূচনা কৰিছিল। এই কাৰ্য্যই ভাৰতৰ ঘৰুৱা প্ৰযুক্তিৰে চালিত থলুৱা পাৰমাণৱিক ৰিয়েক্টৰ নিৰ্মাণ আৰু পৰিচালনাৰ ক্ৰমবৰ্ধমান ক্ষমতাকে সূচিত কৰে।

- ভাৰত ২০৪৭-ৰ ভিতৰত ইয়াৰ পাৰমাণৱিক শক্তি ক্ষমতা দহ গুণৰো অধিক বৃদ্ধিৰ সংকল্পৰে আগবাঢ়িছে।
- বাৰ্ষিক পাৰমাণৱিক শক্তি উৎপাদন ২০১৪-১৫ ত ৩৫,৫৯২ নিযুত ইউনিটৰ পৰা ২০২৪-২৫ ত ৫৬,৬৮১ নিযুত ইউনিটলৈ ৬০% বৃদ্ধি পাইছে।
- ভাৰতীয় পাৰমাণৱিক শক্তি নিগম লিমিটেডৰ দ্বাৰা পৰিচালিত ২৫টা পাৰমাণৱিক ৰিয়েক্টৰৰ সংস্থাপিত পাৰমাণৱিক ক্ষমতা ২০১৪-ত প্ৰায় ৪,৭৮০ মেগাৱাটৰ পৰা ২০২৫-ত ৮,৭৮০ মেগাৱাটলৈ ৭১% বৃদ্ধি পাইছে।





"সংস্কাৰ হৈছে এক অবিৰত প্ৰক্ৰিয়া; সময় আৰু প্ৰচলিত পৰিস্থিতিৰ প্ৰয়োজন অনুসৰি সংস্কাৰ সাধন কৰিব লাগিব। পাৰমাণৱিক শক্তিৰ ক্ষেত্ৰত আমি বৃহৎ সংস্কাৰ সাধন কৰিছো। আমি এতিয়া ব্যক্তিগত খণ্ডৰ বাবেও পাৰমাণৱিক শক্তি খণ্ডৰ দুৱাৰ মুকলি কৰিছো; আমি আমাৰ সামৰ্থ্যসমূহক একত্ৰিত কৰিব বিচাৰো।

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

### ১১ বছৰত কাৰ্য্যক্ষম হোৱা নতুন পাৰমাণৱিক ৰিয়েক্টৰসমূহ

■ প্ৰকল্পৰ নাম — ক্ষমতা

| প্ৰকল্পৰ নাম | ক্ষমতা |
| --- | --- |
| কুডানকুলাম পাৰমাণৱিক শক্তি প্ৰকল্প, ইউনিট ১ | ১,০০০ মেগাৱাট |
| কুডানকুলাম পাৰমাণৱিক শক্তি প্ৰকল্প, ইউনিট ২ | ১,০০০ মেগাৱাট |
| কাকৰাপাৰ পাৰমাণৱিক শক্তি প্ৰকল্প, ইউনিট ৩ | ৭০০ মেগাৱাট |
| কাকৰাপাৰ পাৰমাণৱিক শক্তি প্ৰকল্প, ইউনিট ৪ | ৭০০ মেগাৱাট |
| ৰাজস্থান পাৰমাণৱিক শক্তি প্ৰকল্প, ইউনিট ৭ | ৭০০ মেগাৱাট |



ঘৰুৱা পাৰমাণৱিক ক্ষমতা বৃদ্ধি, ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণক প্ৰসাৰিত আৰু সৰু মড্যুলাৰ ৰিয়েক্টৰৰ দৰে উন্নত পাৰমাণৱিক প্ৰযুক্তিৰ ব্যৱহাৰক ত্বৰান্বিত কৰা। এই পদক্ষেপৰ বাবে চৰকাৰে ২০,০০০ কোটি টকা আৱণ্টন দিছে। লগতে, ২০৩৩-ৰ ভিতৰত কমেও পাঁচটা থলুৱাভাৱে ডিজাইন কৰা আৰু কাৰ্য্যক্ষম সৰু মড্যুলাৰ ৰিয়েক্টৰ গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

G20 SOUTH AFRICA 2025

# সংহতি, সমতা আৰু বহনক্ষমতা সন্মিলনৰ উল্লেখযোগ্য দিশ

দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ সন্মিলনত বিশ্ব অংশীদাৰিত্ব, সামাজিক ন্যায় আৰু বহনক্ষম উন্নয়নৰ এক নতুন যুগৰ সূচনা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামাফোছাৰ আমন্ত্ৰণমৰ্মে ২১ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈ অনুষ্ঠিত হোৱা এই সন্মিলনত অংশগ্ৰহণ কৰে। ভ্ৰমণৰ সময়ছোৱাত তেওঁ এই সন্মিলনৰ একাধিক অধিবেশনত ভাষণ দি কেইবাজনো বিশ্ব নেতাৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ইয়াত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।



২০২৩-ত ভাৰতৰ অধ্যক্ষতাত জি-২০ সন্মিলনৰ সময়ত আফ্ৰিকান ইউনিয়ন ইয়াৰ অন্যতম সদস্য হৈ পৰিছিল। ২১ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈ দক্ষিণ আফ্ৰিকাত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা জি-২০ সন্মিলনৰ বিষয়বস্তু আছিল "সংহতি, সমতা আৰু বহনক্ষমতা।" দক্ষিণ আফ্ৰিকাই এই সন্মিলনৰ জৰিয়তে ভাৰত আৰু ব্ৰাজিলত অনুষ্ঠিত হোৱা পূৰ্বৰ সন্মিলনৰ ফলাফলসমূহ আগুৱাই নিবলৈ চেষ্টা কৰে। দ্বাদশবাৰৰ বাবে জি-২০ সন্মিলনত অংশগ্ৰহণ কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'বসুধৈৱ কুটুম্বকম' আৰু 'এক বিশ্ব, এক পৰিয়াল আৰু এক ভৱিষ্যত'ৰ সৈতে সংগতি ৰাখি দেশৰ দৃষ্টিভংগী দাঙি ধৰে।

## প্ৰথম অধিবেশন

২২ নৱেম্বৰত অনুষ্ঠিত সন্মিলনৰ প্ৰথম অধিবেশনত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে দক্ষিণ আফ্ৰিকাৰ অধ্যক্ষতাৰ অধীনত দক্ষ প্ৰব্ৰজন, পৰ্যটন, খাদ্য সুৰক্ষা, এআই, ডিজিটেল অৰ্থনীতি, উদ্ভাৱন আৰু নাৰী সবলীকৰণ আদি বিষয়ত প্ৰশংসনীয় কাম কৰা হৈছে। বিগত কেইবাটাও দশকত জি-২০-এ বিশ্বৰ বিত্ত আৰু বিশ্বৰ অৰ্থনৈতিক বিকাশক গঢ় দিছে। প্ৰধানমন্ত্ৰী মোদীয়ে জি-২০ ত এটা বিশ্ব পৰম্পৰাগত জ্ঞান ভাণ্ডাৰ গঢ়াৰ প্ৰস্তাৱ আগবঢ়ায়, যিয়ে ভাৰতীয় জ্ঞান ব্যৱস্থা পদক্ষেপৰ ভিত্তি হিচাপে কাম কৰিব পাৰে। এয়া মানৱ জাতিৰ সামূহিক জ্ঞানক ভৱিষ্যৎ প্ৰজন্মসমূহলৈ আগবঢ়াই নিয়াত সহায় কৰা এখনি বিশ্বব্যাপী মঞ্চত পৰিণত হ'ব পাৰে। বিশ্বৰ স্বাৰ্থত

আফ্ৰিকাৰ উন্নয়ন আৰু যুৱ প্ৰতিভাক প্ৰসাৰিত কৰা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ভাৰতে জি-২০-আফ্ৰিকা স্কিলছ মাল্টিপ্লায়াৰ ইনিচিয়েটিভৰ প্ৰস্তাৱ আগবঢ়াইছে। এই পদক্ষেপে ভিন্ন খণ্ডৰ বাবে 'ট্ৰেইন দ্য-ট্ৰেইনাৰ্ছ' মডেলৰ অধীনত কাম কৰিব পাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে অহা দশকত আফ্ৰিকাৰ এক নিযুত প্ৰশিক্ষকক প্ৰশিক্ষণ প্ৰদানৰ সামূহিক লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ভাৰতে জি-২০ ৰ দেশসমূহৰ প্ৰশিক্ষণপ্ৰাপ্ত চিকিৎসা বিশেষজ্ঞসকলৰে গঠিত জি-২০ গ্ল'বেল হেল্থকেয়াৰ ৰেচপন্স টীম গঠনৰ প্ৰস্তাৱ আগবঢ়াইছে, যিটো টীম বিশ্ব স্বাস্থ্য সংকট বা প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত ক্ষিপ্ৰ নিয়োগৰ বাবে সাজু থাকিব। গ্ল'বেল ছাউথৰ কণ্ঠ সকলো বিশ্ব প্ৰতিষ্ঠানতে বৃদ্ধি পোৱাটো নিশ্চিতকৰণৰ অৰ্থে আমি একেলগে কাম কৰিব লাগিব।

## দ্বিতীয় অধিবেশন

প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে প্ৰাকৃতিক দুৰ্য্যোগে মানৱ জাতিৰ বাবে এক উল্লেখযোগ্য প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। গতিকে প্ৰাকৃতিক দুৰ্য্যোগৰে মোকাবিলা কৰিবলৈ বিশ্বৰ সহযোগিতাক সুদৃঢ় কৰিব লাগিব। এই দৃষ্টিভংগীৰে ভাৰতে জি-২০ ৰ অধ্যক্ষতাৰ সময়ত দুৰ্য্যোগৰ বিপদাশংকা হ্ৰাস কৰ্মগোট প্ৰতিষ্ঠা কৰিছিল। দক্ষিণ আফ্ৰিকায়ো এই এজেণ্ডাক আগুৱাই নিছে। ভাৰতে মহাকাশ প্ৰযুক্তিয়ে সমগ্ৰ মানৱ জাতিকে উপকৃত কৰে বুলি বিশ্বাস কৰে। সেয়েহে ভাৰতে জি-২০ মুক্ত উপগ্ৰহ তথ্য অংশীদাৰিত্বৰ প্ৰস্তাৱ আগবঢ়াইছে। ইয়াৰ ফলত জি-২০ মহাকাশ সংস্থাসমূহৰ পৰা উপগ্ৰহৰ তথ্য আৰু বিশ্লেষণ অধিক সুলভ, আন্তঃকাৰ্য্যকৰী আৰু গ্ল'বেল ছাউথৰ দেশসমূহৰ বাবে উপযোগী হ'ব।

বিশ্বৰ বিকাশৰ বাবে বহনক্ষমতা আৰু স্বচ্ছ শক্তি অতিশয় প্ৰয়োজনীয়। ইয়াক নিশ্চিত কৰাত জটিল খনিজ পদাৰ্থই এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়েহে ভাৰতে জি-২০ ক্ৰিটিকেল মিনাৰেলছ চাৰ্কুলাৰিটি ইনিচিয়েটিভৰ প্ৰস্তাৱ আগবঢ়াইছে। এই পদক্ষেপে পুনঃব্যৱহাৰ, নগৰীয়া খনন আৰু ছেকেণ্ড-লাইফ বেটাৰীৰ দৰে উদ্ভাৱনক প্ৰসাৰিত কৰিব পাৰে। নতুন দিল্লীত অনুষ্ঠিত জি-২০ সন্মিলনৰ সময়ত ভাৰতে ২০৩০-ৰ ভিতৰত নবীকৰণযোগ্য শক্তি তিনিগুণ আৰু শক্তি দক্ষতা দুগুণ বৃদ্ধিৰ সংকল্প গ্ৰহণ কৰিছিল। এই লক্ষ্যত উপনীত হ'বলৈ উন্নত দেশসমূহে সময়মতে সুলভ জলবায়ু বিত্ত আৰু প্ৰযুক্তি প্ৰদানৰ অংগীকাৰ পূৰণ কৰিব লাগিব।

**প্ৰধানমন্ত্ৰীয়ে সকলোৰে উন্নয়ন, প্ৰগতি আৰু মংগলৰ বাবে ভাৰতৰ দৃষ্টিভংগীৰ ৰূপৰেখা দাঙি ধৰে, জি-২০ ত বিবেচনাৰ বাবে ছটা প্ৰস্তাৱ আগবঢ়ায়...**

১ জি-২০ বিশ্ব পৰম্পৰাগত জ্ঞান ভাণ্ডাৰ গঠনঃ ইয়াৰ দ্বাৰা মানৱতাৰ সামূহিক প্ৰজ্ঞাক ভৱিষ্যৎ প্ৰজন্মসমূহৰ সুবিধাৰ বাবে ব্যৱহাৰ কৰা হ'ব।

২ জি-২০-আফ্ৰিকা স্কিলছ মাল্টিপ্লায়াৰ গঠনঃ এই কাৰ্য্যসূচীৰ লক্ষ্য হৈছে আফ্ৰিকাৰ দক্ষ যুৱক-যুৱতীসকলৰ বাবে ১০ লাখ প্ৰমাণিত প্ৰশিক্ষকৰ এটা পুল সৃষ্টি কৰা। ইয়াৰ দ্বাৰা স্থানীয় সামৰ্থ্য গঢ় লৈ উঠিব আৰু মহাদেশখনত দীৰ্ঘ-ম্যাদী উন্নয়নৰ প্ৰসাৰ ঘটিব।

৩ জি-২০ গ্ল'বেল হেল্থকেয়াৰ ৰেচপন্স টীম গঠনঃ ইয়াত জি-২০ ৰ প্ৰতিখন দেশৰ স্বাস্থ্যসেৱা বিশেষজ্ঞসকল থাকিব আৰু এই টীমক বিশ্বৰ যিকোনো প্ৰান্তত বিশ্ব স্বাস্থ্য প্ৰত্যাহ্বানৰে মোকাবিলা কৰিবলৈ নিয়োগ কৰিব পাৰিব।

৪ জি-২০ মুক্ত উপগ্ৰহ তথ্য অংশীদাৰিত্ব স্থাপনঃ এই কাৰ্য্যসূচীৰ জৰিয়তে জি-২০ ৰ মহাকাশ সংস্থাসমূহৰ পৰা উন্নয়নশীল দেশসমূহলৈ কৃষি, মীনপালন, দুৰ্য্যোগ ব্যৱস্থাপনা আদি কাৰ্য্যকলাপৰ বাবে উপগ্ৰহৰ তথ্য উপলব্ধ কৰা হ'ব।

৫ জি-২০ ক্ৰিটিকেল মিনাৰেলছ চাৰ্কুলাৰিটি ইনিচিয়েটিভঃ এই পদক্ষেপে পুনঃব্যৱহাৰ, নগৰীয়া খনন, ছেকেণ্ড-লাইফ বেটাৰী প্ৰকল্প আৰু ভিন্ন উদ্ভাৱনক প্ৰসাৰিত কৰিব। ই যোগান শৃংখলৰ সুৰক্ষা সুদৃঢ় কৰাত সহায় কৰিব আৰু উন্নয়নৰ স্বচ্ছ পথ বিকশিত কৰিব।

৬ ড্ৰাগছ সন্ত্ৰাসৰ সংযোগ প্ৰতিহত কৰিবলৈ জি-২০ ৰ পদক্ষেপ গ্ৰহণঃ ইয়াৰ জৰিয়তে ড্ৰাগছৰ সৰবৰাহক প্ৰতিৰোধ কৰা হ'ব আৰু ড্ৰাগছ-সন্ত্ৰাসৰ অৰ্থনীতি ভাঙি পেলোৱা হ'ব।





## বিশ্বৰ প্ৰতিষ্ঠানসমূহ একবিংশ শতিকাৰ বাস্তৱতাৰ পৰা বহু দূৰত বুলি সহমত আইবিএছএৰ

আইবিএছএ (ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকা) কেৱল তিনিখন দেশৰ এটা গোট নহয়; ই তিনিখন মহাদেশ, তিনি প্ৰধান গণতান্ত্ৰিক শক্তি আৰু তিনি বৃহৎ অৰ্থনীতিক সংযোগ কৰা এক গুৰুত্বপূৰ্ণ মঞ্চ। তিনিওখন দেশেই এই কথাত সহমত প্ৰকাশ কৰে যে বিশ্বৰ প্ৰতিষ্ঠানসমূহ একবিংশ শতিকাৰ বাস্তৱতাৰ পৰা বহু দূৰৈত। তিনিওখন দেশৰ কোনো এখনেই ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য নহয়। ইয়াৰ পৰা স্পষ্টকৈ বুজা যায় যে বিশ্ব প্ৰতিষ্ঠানসমূহে আজিৰ বিশ্বক প্ৰতিনিধিত্ব নকৰে। গতিকে আইবিএছএই সৰ্বসন্মতিক্ৰমে সমগ্ৰ বিশ্বলৈ এই বাৰ্তা প্ৰেৰণ কৰা উচিত যে প্ৰতিষ্ঠানিক সংস্কাৰ এতিয়া বিকল্প নহয়, বৰঞ্চ ইয়াৰ প্ৰয়োজন অধিক। এইবাৰ ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাছিঅ' লুলা দা ছিলভাই আইবিএছএৰ অধ্যক্ষতা কৰে। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে ভাৰতৰ অধ্যক্ষতাত আইবিএছএৰ ২০২১ চনত তিনিওখন দেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টাৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হৈছিল। ইয়াক শক্তিশালী কৰিবলৈ তিনিওখন দেশে নিৰাপত্তা সহযোগিতাক প্ৰতিষ্ঠানিকৰণ কৰিব পাৰে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে শক্তিশালী সমন্বয়ৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিওঁতে দ্বিধাবোধ থাকিব নালাগে। মানৱতাক মূলত লৈ উন্নয়ন নিশ্চিত কৰাত প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে তিনিওখন দেশৰ মাজত ইউপিআইৰ দৰে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, ক'ৱিন (CoW-IN)ৰ দৰে স্বাস্থ্য মঞ্চ, চাইবাৰ সুৰক্ষাৰ কাঠামো আৰু মহিলা নেতৃত্বাধীন প্ৰযুক্তিৰ পদক্ষেপসমূহ শ্বেয়াৰ কৰাত সহায় কৰিবলৈ আইবিএছএ ডিজিটেল উদ্ভাৱন মৈত্ৰী গঠনৰ প্ৰস্তাৱ আগবঢ়ায়।

# বিশ্বৰ নেতাৰ সৈতে দ্বিপাক্ষিক বৈঠক প্ৰধানমন্ত্ৰী মোদীৰ

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চাইৰিল ৰামাফোছা, কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নি, ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলোনি, জাপানৰ প্ৰধানমন্ত্ৰী ছানা টাকাইচি আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এণ্টনি আলবানিজৰ সৈতে বৈঠকত মিলিত হয়।*



### ভাৰত-দক্ষিণ আফ্ৰিকা

দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক পৰ্যালোচনা কৰি বাণিজ্য আৰু বিনিয়োগ, খাদ্য সুৰক্ষা, দক্ষতা বিকাশ, খনন, যুৱক-যুৱতী, জনসাধাৰণৰ সম্পৰ্ককে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ অগ্ৰগতিৰ ওপৰত সন্তুষ্টি প্ৰকাশ কৰে। কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আৰু গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ উপায়ৰ বিষয়ে আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দক্ষিণ আফ্ৰিকাৰ চিতা ভাৰতলৈ স্থানান্তৰিত কৰাৰ বাবে ৰাষ্ট্ৰপতি ৰামাফোছাক ধন্যবাদ জনাই ভাৰত নেতৃত্বাধীন আন্তঃৰাষ্ট্ৰীয় বিগ কেট এলায়েন্সত যোগদান কৰিবলৈ আমন্ত্ৰণ জনায়।

AI IMPACT SUMMIT भारत 2026 INDIA

*ভাৰতে ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত এআই ইমপেক্ট ছামিট অনুষ্ঠিত কৰিব, যাৰ বিষয়বস্তু হ'ব: সকলোৰে কল্যাণৰ বাবে, সকলোৰে মংগলৰ বাবে। ভাৰতে জি-২০ দেশসমূহক এই সন্মিলনত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনাইছে।*



## ভাৰত-কানাডা

দুয়োখন দেশৰ প্ৰধানমন্ত্ৰীয়ে বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, শিক্ষা, মহাকাশ, বিজ্ঞান আৰু প্ৰযুক্তি, শক্তিৰ ক্ষেত্ৰত সহযোগিতা সম্পৰ্কে আলোচনা কৰে। ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰতে আয়োজন কৰা এআই সন্মিলনৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰে প্ৰধানমন্ত্ৰী কাৰ্ণীয়ে। তেওঁলোকে ২০৩০ চনৰ ভিতৰত দুয়োখন দেশৰ মাজত বাণিজ্য দুগুণ কৰি ৫০ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ বাবে এক উচ্চ পৰ্যায়ৰ ব্যাপক অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি (চিইপিএ)ৰ আলোচনা আৰম্ভ কৰিবলৈ সন্মত হয়। দুয়োজন নেতাই নিয়মীয়াকৈ উচ্চ পৰ্যায়ৰ আলোচনাৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে।



## ভাৰত-জাপান

দুয়োগৰাকী নেতাই সভ্যতাকেন্দ্ৰিক সম্পৰ্ক, উমৈহতীয়া মূল্যবোধ, পাৰস্পৰিক সদিচ্ছা আৰু মুক্ত আৰু মুকলি ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি দায়বদ্ধ-তাৰ ওপৰত ভিত্তি কৰি ভাৰত-জাপান বিশেষ কৌশলগত আৰু গোলকীয় অংশীদাৰিত্বৰ গুৰুত্ব পুনৰ দৃঢ় কৰে। দুয়োগৰাকী নেতাই আঞ্চলিক আৰু বিশ্ব শান্তি, সমৃদ্ধি আৰু সুস্থিৰতাৰ বাবে ভাৰত-জাপানৰ অংশীদাৰিত্ব আৰু অধিক গভীৰ কৰাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুয়োগৰাকী নেতাই পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক সন্মিলনৰ সময়ত দ্বিপাক্ষিক সম্পৰ্কত অবিৰত অগ্ৰগতি স্বীকাৰ কৰে।



## ভাৰত-ইটালী

দুয়োখন দেশে 'সন্ত্ৰাসবাদৰ বিত্তীয় সাহায্যৰ বিৰুদ্ধে যুঁজিবলৈ ভাৰত-ইটালী যৌথ পদক্ষেপ' গ্ৰহণ কৰে। এই পদক্ষেপৰ লক্ষ্য হৈছে সন্ত্ৰাসবাদৰ বিৰুদ্ধে দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰা আৰু ফাইনেন্স একচন টাস্ক ফ'ৰ্চ (এফএটিএফ) আৰু গ্ল'বেল কাউণ্টাৰ টেৰৰিজম ফ'ৰাম (জিচিটিএফ)ৰ দৰে বহুপক্ষীয় মঞ্চত অংশীদাৰিত্ব বৃদ্ধি কৰা। দুয়োগৰাকী নেতাই বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, নিৰাপত্তা, মহাকাশ, বিজ্ঞান আৰু প্ৰযুক্তি, শিক্ষা আৰু জনসাধাৰণৰ মাজত যোগাযোগ আদি ক্ষেত্ৰত দ্বিপাক্ষিক কৌশলগত অংশীদাৰিত্বৰ অগ্ৰগতি পৰ্যালোচনা কৰে। লগতে দুয়োগৰাকী নেতাই যুটীয়া কৌশলগত কাৰ্য্য পৰিকল্পনা ২০২৫-২৯ৰ অগ্ৰগতিৰ সন্দৰ্ভতো সন্তুষ্টি প্ৰকাশ কৰে।



## ভাৰত-অষ্ট্ৰেলিয়া

ৰাজনৈতিক আৰু কৌশলগত বিষয়, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, বাণিজ্য আৰু বিনিয়োগ, শক্তি, গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থ, প্ৰযুক্তি, গতিশীলতা, শিক্ষা আৰু জনসাধাৰণৰ মাজত যোগাযোগকে ধৰি বহু ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতাক অধিক শক্তিশালী কৰাৰ বিষয়ে দুয়োগৰাকী নেতাই আলোচনা কৰে। লগতে পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু বিশ্বজনীন বিষয়ত মত বিনিময় কৰে। তেওঁলোকে ভাৰত-অষ্ট্ৰেলিয়া সৰ্বাংগীণ কৌশলগত অংশীদাৰিত্বক আৰু অধিক উচ্চতালৈ উন্নীত কৰাৰ প্ৰতিশ্ৰুতি দোঁহাৰে।

## জি-২০লৈ ভাৰতৰ বাৰ্তা

- বিকাশ বহনক্ষম হ'ব লাগিব
- বাণিজ্যক বিশ্বাস কৰিব লাগিব
- বিত্তীয় ব্যৱস্থা ন্যায্য হ'ব লাগিব
- প্ৰগতি সমাৱেশী হ'ব লাগিব

### তৃতীয় অধিৱেশন

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্মিলনৰ তৃতীয় অধিৱেশনত ভাষণ দিয়ে (বিষয়বস্তুঃ "সকলোৰে বাবে এক ন্যায্য আৰু ন্যায়সংগত ভৱিষ্যত— গুৰুত্বপূৰ্ণ খনিজ; মান্য কাম; কৃত্ৰিম বুদ্ধিমত্তা")। তেওঁ গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ প্ৰচাৰৰ ধৰণত টেকটনিক পৰিৱৰ্তনৰ আহ্বান জনায়। "বিত্তকেন্দ্ৰিক"তকৈ "মানৱকেন্দ্ৰিক", "ৰাষ্ট্ৰীয়"তকৈ "গোলকীয়" আৰু "একচেটিয়া আৰ্হি"ৰ পৰিৱৰ্তে" মুক্ত উৎস"ৰ ওপৰত ভিত্তি কৰি গঢ়ি তুলিব লাগে। এআই ব্যৱস্থাই মানৱ জীৱন, নিৰাপত্তা আৰু জনসাধাৰণৰ আস্থাত প্ৰভাৱ পেলায় আৰু সেয়েহে ইয়াক জবাবদিহি কৰিব লাগিব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এআইয়ে মানুহৰ সামৰ্থ্য বৃদ্ধি কৰিব লাগে, কিন্তু সিদ্ধান্ত গ্ৰহণৰ চূড়ান্ত দায়িত্ব সদায় মানুহৰ ওপৰত থাকিব লাগে। ●

*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ QR ক'ড স্কেন কৰক।*

ভাৰতৰ ৫৬ সংখ্যক চলচ্চিত্ৰ মহোৎসৱৰ সামৰণি

# চিনেমাৰ যাদু চিৰস্থায়ী হৈ ৰ'ব



গোৱাত অনুষ্ঠিত ভাৰতৰ ৫৬ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত উদ্ভাৱন আৰু সৰ্বাংগীণতাক প্ৰতিফলিত কৰা কেইবাটাও নতুন পদক্ষেপৰ সন্ধান দিয়া হয়। উদীয়মান চলচ্চিত্ৰ নিৰ্মাতাসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শনৰ বাবে এক মঞ্চ প্ৰদান কৰাৰ লক্ষ্যৰে এই মহোৎসৱৰ আয়োজন কৰা হয়। এই মহোৎসৱে যুৱ প্ৰতিভাসকলক তেওঁলোকৰ সৃষ্টিশীলতা প্ৰদৰ্শন, ধাৰণা বিনিময় আৰু আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভৰ সুযোগ প্ৰদান কৰে। ২৮ নৱেম্বৰত গোৱাৰ ডাঃ শ্যামা প্ৰসাদ মুখাৰ্জী ইনড'ৰ ষ্টেডিয়ামত সমাপ্ত হোৱা ৫৬ সংখ্যক আইএফএফআই অনুষ্ঠানৰ চিনেমাৰ উজ্জ্বলতা অনাগত যুগ যুগ ধৰি জিলিকি থাকিব...

২০২৫ চনৰ ২০ৰ পৰা ২৮ নৱেম্বৰলৈ গোৱাত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হয়। চলচ্চিত্ৰ নিৰ্মাণ আৰু চলচ্চিত্ৰ দৰ্শকৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ সৰ্ববৃহৎ দেশ। ভাৰতীয় চিনেমাই বিশ্বজুৰি শক্তিশালী প্ৰভাৱ পেলাইছে আৰু ভাৰতৰ ৫৬ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ এই প্ৰচেষ্টাৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। আইএফএফআইৰ ন দিনীয়া চলচ্চিত্ৰ মহোৎসৱৰ সময়ত শক্তিশালী কাহিনী আৰু স্পন্দনশীল অভিনয়ে ৰূপালী পৰ্দা আৰু মঞ্চ আলোকিত কৰি দৰ্শকক আকৰ্ষণ কৰিছিল আৰু গোলকীয় কলাৰ মনোভাৱ প্ৰদৰ্শন কৰিছিল। উদীয়মান শিল্পীসকলে ৰেড কাৰ্পেটত খোজ কাঢ়িছিল আৰু দৰ্শনীয় সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰাৰ লগতে প্ৰতিষ্ঠিত আৰু উদীয়মান চিনেমাৰ প্ৰতিভাক সন্মান জনোৱা হৈছিল।

আইএফএফআই ২০২৫ৰ সামৰণি অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ড০ এল মুৰুগানে কয় যে এইবাৰৰ আইএফএফআইত বিভিন্ন ৰাজ্য আৰু গোৱাভিত্তিক প্ৰডাকচন হাউছৰ প্ৰতীকপট আৰু সাংস্কৃতিক প্ৰদৰ্শনী প্ৰদৰ্শন কৰা হয়, য'ত ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰা হয়। এইবাৰৰ মহোৎসৱত গুৰু দত্ত, ৰাজ খোছলা, ঋত্বিক ঘটক, ভুপেন হাজৰিকা, পি. ভানুমতী, সলিল চৌধুৰী, কে বৈকুণ্ঠৰ দৰে চলচ্চিত্ৰ জগতৰ বিখ্যাত ব্যক্তিত্বৰ জন্ম শতবাৰ্ষিকী উদযাপন কৰা হয়। ৰেভছ ফিল্ম বজাৰে উদীয়মান চলচ্চিত্ৰ নিৰ্মাতাসকলৰ বাবে ১,০৫০



## এক স্বৰ্ণিম কাহিনী ঃ ৰজনীকান্তৰ ৫০ বছৰীয়া সু-উজ্জ্বল চলচ্চিত্ৰ কেৰিয়াৰ উদযাপন

আইএফএফআইৰ সামৰণি অনুষ্ঠানত ভাৰতীয় চিনেমাত ৫০ বছৰ সম্পূৰ্ণ কৰা কিংবদন্তি অভিনেতা ৰজনীকান্তক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই কৃতিত্বই দেশৰ চলচ্চিত্ৰ সংস্কৃতিত তেওঁৰ চিৰস্থায়ী প্ৰভাৱ প্ৰতিফলিত কৰে। ডেৰ শতিকা ধৰি ভাৰতীয় দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰখা স্বনামধন্য অভিনেতাগৰাকীয়ে এই সন্মানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। অভিনেতা ৰজনীকান্তই কয়, "যেতিয়া মই পিছলৈ ঘূৰি চাওঁ তেতিয়া এনে লাগে যেন সময় উৰি গৈছে কাৰণ মই চিনেমা আৰু অভিনয় ভাল পাওঁ। মই এজন অভিনেতা হিচাপে আৰু ৰজনীকান্ত হিচাপে এশটা জনম ল'ব বিচাৰিম। আপোনালোকৰ মৰম-স্নেহৰ বাবে বহুত বহুত ধন্যবাদ। এই সন্মান সমগ্ৰ চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত প্ৰযোজক, পৰিচালক, কাৰিকৰী, বিতৰক, প্ৰদৰ্শক আদি সকলোৰে।"

### পৰিচালনাৰ বাবে ছিলভাৰ পিকক বঁটা লাভ 'গোন্ধল'ৰ

- মাৰাঠী ছবি 'গোন্ধল'ৰ পৰিচালনাৰ বাবে সন্তোষ দাৱাখৰে ছিলভাৰ পিকক বঁটা লাভ কৰে।
- উবেইমাৰ ৰিঅ'ছে শ্ৰেষ্ঠ পুৰুষ অভিনেতাৰ ছিলভাৰ পিকক বঁটা আৰু জাৰা ছফিয়া অষ্টানে শ্ৰেষ্ঠ মহিলা অভিনেত্ৰীৰ ছিলভাৰ পিকক বঁটা লাভ কৰে।
- ইৰাণৰ চলচ্চিত্ৰ নিৰ্মাতা হেছাম ফাৰাহমাণ্ড আৰু ইষ্ট'নিয়াৰ চলচ্চিত্ৰ নিৰ্মাতা টনিছ পিলক ফিছাৰ ফিল্মৰ শ্ৰেষ্ঠ নৱাগত পৰিচালক বঁটা যুটীয়াভাৱে প্ৰদান কৰা হয়।
- এছলী মেফেয়াৰৰ পৰিচালনাত নিৰ্মিত 'স্কিন অৱ য়ুথ'-এ শ্ৰেষ্ঠ ফিছাৰ ফিল্মৰ সন্মানীয় 'গোল্ডেন পিকক' বঁটা লাভ কৰে।
- 'মাই ফাদাৰ্ছ শ্বেড'ৰ পৰিচালক আকিনোলা ডেভিছ জুনিয়ৰে লাভ কৰে বিশেষ জুৰী বঁটা।
- হিন্দী ছবি 'কেশৰী চেপ্টাৰ ২'ৰ পৰিচালক কৰণ সিং ত্যাগীয়ে ভাৰতীয় ফিছাৰ ফিল্মৰ শ্ৰেষ্ঠ নৱাগত পৰিচালকৰ সন্মান লাভ কৰে।
- বেণ্ডিছ বেণ্ডিটছ ছিজন চয়ে শ্ৰেষ্ঠ ৱেব ছিৰিজ (অ'টিটি) বঁটা লাভ কৰে।
- নৰৱেৰ 'ছেফ হাউচ' ছবিখনে লাভ কৰে সন্মানীয় আইচিএফটি-ইউনেস্কো গান্ধী পদক।

### ভাৰতৰ ৫৬ সংখ্যক চলচ্চিত্ৰ মহোৎসৱ



**৮১** খন দেশৰ ২৪০খনতকৈও অধিক ছবি প্ৰদৰ্শন কৰা হয়।

**১৬০** খন ছবি প্ৰদৰ্শন আন্তঃৰাষ্ট্ৰীয় এৰেনাত, ১৩টা ৱৰ্ল্ড প্ৰিমিয়াৰকে ধৰি।

**৮০** খনতকৈও অধিক বঁটা বিজয়ী ছবি আইএফএফআই ২০২৫ত প্ৰদৰ্শিত আৰু ২১খন চৰকাৰী অস্কাৰৰ বাবে মনোনীত ছবি।

- 'বিশ্বৰ চিনেমা' শিতানৰ অধীনত ৫৫খনতকৈও অধিক ছবি আৰু পূৰ্বে বিভিন্ন চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হোৱা ১৩৩খন আন্তঃৰাষ্ট্ৰীয় ছবি বিশেষভাৱে নিৰ্বাচন কৰা হয়।

কোটি টকাতকৈ অধিক ৰাজহ আহৰণ কৰাৰ বিপৰীতে ১২৫জন যুৱ প্ৰতিভাই চিএমঅ'টি কাৰ্যসূচীত অংশগ্ৰহণ কৰে, যিয়ে নতুন সৃষ্টিকৰ্তাক লালন-পালনৰ প্ৰতি আইএফএফআইৰ দায়বদ্ধতা প্ৰদৰ্শন কৰে। আইএফএফআইৰ ইতিহাসত প্ৰথমবাৰৰ বাবে মহিলাৰ দ্বাৰা পৰিচালনা কৰা ৫০খন ছবি প্ৰদৰ্শন কৰা হয়।

এই উপলক্ষে আগবঢ়োৱা ভাষণত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৱেভছ সন্মিলনত কৈছিল যে এয়া কমলা (অৰেঞ্জ) অৰ্থনীতিৰ উত্থানৰ সময়। জাজুৱে লগতে কয় যে আইএফএফআই ২০২৫-এ সেই দিশত এক সাহসী পদক্ষেপ গ্ৰহণ কৰিছে। ই সৃষ্টিকৰ্তাসকলৰ বাবে সুযোগ সৃষ্টি কৰাৰ লগতে বিশ্বৰ মঞ্চত ভাৰতীয় প্ৰতিভাক গৌৰৱেৰে প্ৰদৰ্শন কৰিছে। তেওঁ লগতে কয় যে ইণ্ডিয়ান ইনষ্টিটিউট অৱ ক্ৰিয়েটিভ টেকন'লজি (আইআইচিটি)য়ে সৃষ্টিকৰ্তাসকলক কেৱল তেওঁলোকৰ দক্ষতা আৰু কলাক নিখুঁত কৰাই নহয়, প্ৰযুক্তি শিকিবলৈও সহায় কৰিব, যিটো যিকোনো সৃষ্টিশীল উৎপাদনৰ অবিচ্ছেদ্য অংগ।




# ভাৰতৰ জেন জী...

## উদ্ভাৱনীমূলক সমাধান প্ৰদান কৰিবলৈ দক্ষতা আয়ত্ত কৰা

বিশ্বৰ উপগ্ৰহ উৎক্ষেপণ পৰিস্থিতিতন্ত্ৰৰ আগশাৰীৰ দেশ ভাৰতে বৰ্তমান মহাকাশ খণ্ডত কৌশলগত মহাশক্তি হিচাপে স্বীকৃতি লাভ কৰিছে। ব্যক্তিগত খণ্ডৰ বাবে স্থান মুকলি কৰাটোৱে যুৱক-যুৱতীসকলৰ বাবে অপৰিসীম সুযোগ প্ৰদান কৰিছে। ইফালে জেন জেদেও... প্ৰতিটো ক্ষেত্ৰতে উদ্ভাৱনীমূলক সমাধান আগবঢ়াইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৭ নৱেম্বৰত হায়দৰাবাদত স্কাইৰুট ইনফিনিটি কেম্পাছ উদ্বোধন কৰি ভাৰতৰ মহাকাশ যাত্ৰাক প্ৰতিফলিত কৰা ভাৰতৰ প্ৰথম কক্ষপথৰ ৰকেট বিক্ৰমৰ উন্মোচন কৰে।

মাত্ৰ যোৱা ৬-৭ বছৰত ভাৰতে নিজৰ মহাকাশ খণ্ডক মুকলি, সমবায় আৰু উদ্ভাৱন-চালিত পৰিস্থিতিতন্ত্ৰলৈ ৰূপান্তৰিত কৰিছে। মহাকাশ খণ্ডত ভাৰতৰ এনে সামৰ্থ্য আছে যি বিশ্বৰ কম সংখ্যক দেশৰ হাততহে আছে। দেশৰ যুৱক-যুৱতীসকলে নিজৰ উদ্ভাৱন, ক্ষতিশংকা বহন, উদ্যোগীকৰণৰ মনোভাৱেৰে প্ৰতিটো সমস্যাৰ সমাধান বিচাৰিছে। যেতিয়া চৰকাৰে মহাকাশ খণ্ড মুকলি কৰিলে তেতিয়া দেশৰ যুৱক-যুৱতী বিশেষকৈ জেন জী আগবাঢ়ি আহিল। আজি দেশৰ ৩০০ৰো অধিক মহাকাশ ষ্টাৰ্টআপে ভাৰতৰ মহাকাশ ভৱিষ্যতক নতুন আশাৰ সঞ্চাৰ কৰিছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে আজিৰ এই অনুষ্ঠানটোৱে ভৱিষ্যতে বিশ্বৰ উপগ্ৰহ উৎক্ষেপণৰ পৰিস্থিতিতন্ত্ৰত ভাৰত কেনেদৰে অগ্ৰণী ৰূপত আত্মপ্ৰকাশ কৰিব তাৰ প্ৰতিফলন কৰিছে। ভাৰতৰ মহাকাশ যাত্ৰা আৰম্ভ হৈছিল সীমিত সম্পদৰ পৰা। চাইকেলত ৰকেটৰ অংশ কঢ়িয়াই নিয়াৰ পৰা আৰম্ভ কৰি বিশ্বৰ আটাইতকৈ নিৰ্ভৰযোগ্য উৎক্ষেপণ বাহন গঢ়ি তোলালৈকে ভাৰতে প্ৰমাণ কৰিছে যে সপোন সম্পদৰ দ্বাৰা নহয়, দৃঢ়তাৰেহে নিৰ্ধাৰিত হয়। মহাকাশ খণ্ডৰ সম্প্ৰসাৰণ অতি প্ৰয়োজনীয়, কিয়নো ই যোগাযোগ, কৃষি, সামুদ্ৰিক নিৰীক্ষণ, নগৰ পৰিকল্পনা, বতৰৰ পূৰ্বাভাস আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ এক শক্তিশালী মাধ্যমত পৰিণত হৈছে। এই কাৰণেই ভাৰতৰ মহাকাশ খণ্ডত ঐতিহাসিক সংস্কাৰ কৰা হৈছিল। চৰকাৰে নতুন মহাকাশ নীতি প্ৰণয়ন কৰি ব্যক্তিগত উদ্ভাৱনৰ বাবে এই খণ্ডটো মুকলি কৰি দিলে। ষ্টাৰ্টআপসমূহক ইছৰোৰ সুবিধা আৰু প্ৰযুক্তি প্ৰদানৰ বাবে INSPACe স্থাপন কৰা হয়।

> ইছৰোৱে দশক দশক ধৰি ভাৰতৰ মহাকাশ যাত্ৰাক এক নতুন গতি প্ৰদান কৰিছে। বিশ্বাসযোগ্যতা, সক্ষমতা আৰু মূল্যবোধ... সকলো দিশতে ভাৰতে নিজকে বিশেষ কৰি ৰাখিছে।
>
> **নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী

### মূল দিশসমূহ

- স্কাইৰুট ইনফিনিটি কেম্পাছে প্ৰায় দুই লাখ বৰ্গফুট এলেকা সামৰি লৈছে। ই প্ৰতিমাহে এটা কক্ষপথৰ ৰকেট নিৰ্মাণ কৰিবলৈ সক্ষম, যাৰ দ্বাৰা একাধিক উৎক্ষেপণ বাহনৰ ডিজাইন, বিকাশ, একত্ৰীকৰণ আৰু পৰীক্ষণ কৰিব পাৰি।
- স্কাইৰুট হৈছে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ প্ৰাক্তন ছাত্ৰ তথা ইছৰোৰ প্ৰাক্তন বিজ্ঞানী পৱন চান্দনা আৰু ভৰত ঢাকাৰ দ্বাৰা প্ৰতিষ্ঠিত এটা ভাৰতীয় ব্যক্তিগত মহাকাশ কোম্পানী।
- ভাৰতে ব্যক্তিগত খণ্ডৰ বাবে পাৰমাণৱিক খণ্ড মুকলি কৰাৰ কথাও বিবেচনা কৰিছে।




*প্ৰধানমন্ত্ৰীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ QR ক'ড স্কেন কৰক।*

# ক্ৰীড়া ক্ষেত্ৰত ভাৰতৰ বাবে গৌৰৱ



২০২৫ৰ মহিলা কাবাডী বিশ্বকাপেই হওক বা দৃষ্টিহীনসকলৰ মহিলা টি-২০ বিশ্বকাপেই হওক, ভাৰতীয় মহিলা খেলুৱৈসকলে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিশ্ব বক্সিং কাপৰ ফাইনেলতো ভাৰতীয় খেলুৱৈসকলে দৰ্শনীয় প্ৰদৰ্শন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আকৰ্ষণীয় সাফল্যত সন্তোষ প্ৰকাশ কৰিছে। তেওঁ বিজয়ী ক্ৰিকেট দলৰ সৈতে বাৰ্তালাপো কৰে।

২০২৫ বৰ্ষৰ বিশ্ব বক্সিং কাপৰ ফাইনেলত উল্লেখনীয় সাফল্য অৰ্জন কৰিছে ভাৰতীয় দলটোৱে।

৯ স্বৰ্ণ | ৬ ৰূপ | ৫ ব্ৰঞ্জ

মুঠ ২০টা পদক লাভ কৰে।

নিজৰ কঠোৰ পৰিশ্ৰম, দায়বদ্ধতা আৰু দক্ষতাৰে ভাৰতীয় খেলুৱৈসকলে ক্ৰীড়াৰ জগতখনত দেশবাসীক গৌৰৱান্বিত কৰি তুলিছে, যিটো ভাৰতীয় প্ৰতিভা আৰু ক্ৰীড়াবিদ্যাৰ মনোভাৱৰ প্ৰমাণ। তদুপৰি, তেওঁলোকৰ সফলতাই আগ্ৰহী খেলুৱৈসকলক অনুপ্ৰাণিত কৰিছে।

২০২৫ চনৰ কাবাডী বিশ্বকাপ বিজয়ী ভাৰতীয় মহিলা কাবাডী দলক অভিনন্দন জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "ভাৰতলৈ গৌৰৱ কঢ়িয়াই অনা ভাৰতীয় মহিলা কাবাডী দলক আন্তৰিক অভিনন্দন জনাইছো। খেলুৱৈসকলে অবিশ্বাস্য আবেগ, দক্ষতা আৰু নিষ্ঠা প্ৰদৰ্শন কৰে। তেওঁলোকৰ এই বিজয়ে অগণন যুৱক-যুৱতীক কাবাডী খেলিবলৈ, বৃহৎ সপোন দেখিবলৈ আৰু উচ্চ লক্ষ্য প্ৰাপ্ত কৰিবলৈ অনুপ্ৰাণিত কৰিব। কেৱল ইমানেই নহয়, প্ৰধানমন্ত্ৰী মোদীয়ে ২০২৫ চনৰ বিশ্ব বক্সিং কাপৰ ফাইনেলত উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে ভাৰতীয় খেলুৱৈসকলক অভিনন্দন জনাই কয় যে বক্সাৰসকলৰ দৃঢ়তা আৰু সংকল্পৰ বাবে এয়া সম্ভৱ হৈছে।

## ২০৩০ বৰ্ষত চি ডব্লিউ চি আয়োজন কৰিব ভাৰতে

ভাৰতক ২০৩০ চনৰ কমনৱেলথ গেমছৰ আয়োজকৰ অধিকাৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হৈছে। আহমেদাবাদক আয়োজক চহৰ হিচাপে ঘোষণা কৰা হৈছে। প্ৰতি চাৰি বছৰৰ মূৰে মূৰে এই ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়, ২০ বছৰৰ পিছত ভাৰতক এই গেমছ আয়োজন কৰিবলৈ নিৰ্বাচিত কৰা হৈছে। এই ঘোষণাৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, '২০৩০ বৰ্ষৰ কমনৱেলথ গেমছৰ আয়োজন কৰাৰ অধিকাৰ ভাৰতে লাভ কৰাত মই অত্যন্ত সুখী হৈছো। ভাৰতৰ জনসাধাৰণ আৰু ক্ৰীড়া ব্যৱস্থাক অভিনন্দন জনাইছো। আমাৰ সামূহিক দায়বদ্ধতা আৰু ক্ৰীড়া মনোভাৱেই ভাৰতক বিশ্ব ক্ৰীড়াৰ মানচিত্ৰত দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিছে। 'বসুধৈৱ কুটুম্বকম'ৰ মনোভাৱেৰে আমি এই ঐতিহাসিক গেমছ উদযাপন কৰিবলৈ অতি উৎসাহেৰে সাজু হৈছো।"



"প্ৰথম দৃষ্টিহীন মহিলা টি-২০ বিশ্বকাপ জয় কৰি ইতিহাস ৰচনা কৰাৰ বাবে মহিলা ক্ৰিকেট দললৈ অভিনন্দন। তাতোকৈ প্ৰশংসনীয় কথাটো হ'ল গোটেই শৃংখলাটোত দলটো অপৰাজিত হৈ থাকিল। সঁচাকৈয়ে এয়া এক ঐতিহাসিক ক্ৰীড়া কৃতিত্ব।" এয়া কঠোৰ পৰিশ্ৰম, দলীয় কাম, সংকল্পৰ এক উজ্জ্বল নিদৰ্শন। প্ৰতিজন খেলুৱৈয়ে এগৰাকী চেম্পিয়ন। তেওঁলোকৰ ভৱিষ্যতৰ প্ৰচেষ্টাৰ বাবে মোৰ শুভেচ্ছা জনালোঁ। এই সফলতাই উঠি অহা প্ৰজন্মক অনুপ্ৰাণিত কৰিব।

**নৰেন্দ্ৰ মোদী,** প্ৰধানমন্ত্ৰী







অভিনেতা ধৰ্মেন্দ্ৰৰ দেহাৱসান

# ভাৰতৰ চিনেমাৰ এটা যুগৰ অন্ত

জন্ম ঃ ৮ ডিচেম্বৰ, ১৯৩৫। মৃত্যু ঃ ২৪ নৱেম্বৰ, ২০২৫

প্ৰথম ছবিঃ “দিল ভী তেৰা হম ভী তেৰে (১৯৬০)” সন্মান ঃ পদ্ম ভূষণ

**চলচ্চিত্ৰ জগতৰ “হি-মেন” হিচাপে পৰিচিত অভিনেতা ধৰ্মেন্দ্ৰ এতিয়া আমাৰ মাজত নাই। ২৪ নৱেম্বৰত তেওঁৰ দেহাৱসান হয়। ভাৰতে তেওঁৰ দয়া, সৰলতা আৰু চলচ্চিত্ৰৰ শক্তিশালী ৰূপক কেতিয়াও পাহৰিব নোৱাৰিব। দেশবাসীয়ে এই কিংবদন্তি শিল্পীগৰাকীলৈ বিনম্ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।**

ছয় দশক ধৰি নিজৰ ব্যতিক্ৰমী অভিনয়েৰে লাখ লাখ ভাৰতীয় নাগৰিকৰ হৃদয় চুই যোৱা ধৰ্মেন্দ্ৰৰ মৃত্যু ভাৰতীয় চিনেমাৰ বাবে এক অপূৰণীয় ক্ষতি। সাধাৰণ পটভূমিৰ পৰা আহি তেওঁ চলচ্চিত্ৰ জগতত এক অবিস্মৰণীয় চিন খোদিত কৰে। তেওঁ অভিনয় কৰা প্ৰতিটো চৰিত্ৰক জীৱন্ত কৰি তোলা সেই বিৰল অভিনেতাসকলৰ ভিতৰত অন্যতম আছিল। তেওঁ সকলো বয়সৰ লাখ লাখ দৰ্শকৰ হৃদয় জয় কৰিছিল। ভাৰতীয় চিনেমাৰ এজন উচ্চমানৰ ব্যক্তি হিচাপে তেওঁ এনে এক উত্তৰাধিকাৰ এৰি থৈ যায়, যিয়ে নতুন প্ৰজন্মৰ শিল্পীসকলক অনুপ্ৰাণিত কৰি থাকিব। তেওঁ নিজৰ অভিনয়ৰ জৰিয়তেও চিৰদিনৰ বাবে আমাৰ সৈতে থাকিব।

## ...যেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধৰ্মেন্দ্ৰক ফোন কৰিছিল

এবাৰ অভিনেতা ধৰ্মেন্দ্ৰ অসুস্থ হৈ পৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁক ফোন কৰিছিল। এই ফোনটোৰ পিছতে ধৰ্মেন্দ্ৰই এটা ভিডিঅ' যোগে কয়, “মই নাজানো কিয়, কিন্তু আপোনাৰ প্ৰতি মোৰ বহুত মৰম অনুভৱ হৈছে। কিছুদিন আগতে যেতিয়া মই অলপ অসুস্থ হৈ পৰিছিলো, তেতিয়া আপুনি মোৰ লগত ফোনত কথা পাতিছিল আৰু কৈছিল, ‘ধৰ্মেন্দ্ৰ, আপুনি শক্তিশালী; শক্তিশালী হৈ থাকক।' তেওঁ মোক বহু উৎসাহ যোগায়। মই শক্তি অনুভৱ কৰো আৰু মই যথেষ্ট হওঁ। আমাৰ দেশৰ প্ৰধানমন্ত্ৰীয়ে আমালৈ শুভেচ্ছা প্ৰেৰণ কৰিছে আৰু মোৰ স্বাস্থ্যৰ বিষয়ে সুধিলে। আপুনি ভাৰতক কেৱল ‘মা' বুলি কোৱা নাই, বৰঞ্চ আপুনি সঁচাকৈয়ে আপোনাৰ মাতৃ বুলি গণ্য কৰিছে। আপুনি আপোনাৰ মা ভাৰতীক ভাল পায়। আপুনি আমাৰ দেশক এক নম্বৰ কৰি তোলক।”



“ধৰ্মেন্দ্ৰ জীৰ মৃত্যুৰ লগে লগে ভাৰতীয় চিনেমাৰ এটা যুগৰ অন্ত পৰিল। তেওঁ চলচ্চিত্ৰ জগতৰ এগৰাকী প্ৰথিতযশা ব্যক্তিত্ব আছিল। এগৰাকী অসাধাৰণ অভিনেতা হিচাপে তেওঁ অভিনয় কৰা প্ৰতিটো ভূমিকাত আকৰ্ষণ আৰু গাম্ভীৰ্যতা ফুটি উঠিছিল। তেওঁ অভিনয় কৰা বিভিন্ন চৰিত্ৰই অগণন লোকৰ হৃদয় চুই গৈছিল। ধৰ্মেন্দ্ৰ জী তেওঁৰ সৰলতা, নম্ৰতা আৰু সৌহাৰ্দ্যতাৰ বাবে সমানে পৰিচিত আছিল। এই শোকাকুল মুহূৰ্তত মই পৰিয়াল, শুভাকাংক্ষী আৰু অগণন অনুৰাগীৰ প্ৰতি মোৰ সমবেদনা জ্ঞাপন কৰিলোঁ। ঔম শান্তি।”

নৰেন্দ্ৰ মোদী

প্ৰধানমন্ত্ৰী



Narendra Modi
@narendramodi

श्रमेव जयते!

आज मेरे श्रमिक भाई-बहनों के लिए एक ऐतिहासिक दिन है। हमारी सरकार ने चार लेबर कोड लागू कर दिए हैं। आजादी के बाद यह श्रमिकों के हित में किया गया सबसे बड़ा रिफॉर्म है। यह देश के कामगारों को बहुत सशक्त बनाने वाला है। इससे जहां नियमों का पालन करना बहुत आसान होगा, वहीं 'ईज ऑफ डूइंग बिजनेस' को बढ़ावा मिलेगा।

#श्रमेव_जयते #ShramevJayate



रक्षा मंत्री कार्यालय/ RMO India
@DefenceMinIndia

वर्ष 2047 तक, जब हमारा Viksit Bharat का लक्ष्य साकार होगा, तब तक भारत में कई महिलाएं Cabinet Secretaries भी बन चुकी होंगी। यह सारी चीज़ें बताती हैं कि हमारी नारी शक्ति भी इस देश की विकास यात्रा में अपना contribution देने के लिए तैयार हैं और मौका मिलने पर कोई ऐसा पद नहीं, जिसे वो हासिल न कर सकें: रक्षा मंत्री श्री @rajnathsingh



Amit Shah
@AmitShah

आज 'संविधान दिवस' पर बाबासाहेब डॉ. भीमराव अंबेडकर जी, डॉ. राजेंद्र प्रसाद जी सहित संविधान सभा के सभी महान सदस्यों को नमन और देशवासियों को इस दिवस की हार्दिक शुभकामनाएँ।

दुनिया के सबसे बड़े लोकतंत्र भारत का संविधान हर देशवासी को समान अवसर, सम्मानपूर्ण जीवन, राष्ट्रीय कर्त्तव्य और अधिकार प्रदान कर मजबूत राष्ट्र निर्माण का मार्ग प्रशस्त करता है।

प्रधानमंत्री श्री @narendramodi जी ने 'संविधान दिवस' की शुरुआत कर लोकतांत्रिक मूल्यों के प्रति देशवासियों को अधिक सजग बनाने का कार्य किया है।



Nitin Gadkari
@nitin_gadkari

🇮🇳 भारतीय संविधान हमारे लोकतंत्र की आत्मा है। संविधान दिवस के अवसर पर देश को प्रगतिशील संविधान देने वाले बाबासाहेब आंबेडकर जी और सभी देशभक्तों को नमन।🙏 सभी को भारतीय संविधान दिवस तथा 🇮🇳 राष्ट्रीय कानून दिवस की हार्दिक शुभकामनाएं।🪷🇮🇳

#संविधान_दिवस
#ConstitutionDay



Shivraj Singh Chouhan
@ChouhanShivraj

कुछ दिनों पहले मैं Natural Farming के एक विशाल सम्मेलन में हिस्सा लेने कोयंबटूर गया था। दक्षिण भारत में Natural Farming को लेकर हो रहे प्रयासों को देखकर मैं बहुत प्रभावित हुआ।

कितने ही युवा Highly Qualified Professional अब Natural Farming Field को अपना रहे हैं।



Piyush Goyal
@PiyushGoyal

संविधान दिवस के अवसर पर प्रधानमंत्री @NarendraModi जी द्वारा देशवासियों के नाम लिखा गया पत्र अत्यंत प्रेरणादायी है।

इस पत्र में हमारे संविधान की महानता, जीवन में मौलिक कर्तव्यों का महत्व और पहली बार मतदाता बनने को एक उत्सव की तरह मनाने का संदेश, बहुत सरल भाषा में समझाया गया है।

यह पत्र न केवल प्रेरणा देता है, बल्कि हमें अपने दायित्वों और लोकतांत्रिक मूल्यों को और गहराई से समझने की दिशा भी दिखाता है।



# DGP-IGP meet a great forum to share best practices, says Modi

# PM Modi unveils country's 1st pvt orbital rocket at Hyd event

# Constitution allowed someone like me to head govts: PM Modi

128TH 'MANN KI BAAT'

# Modi Urges People to Explore Winter Tourism Spots

**Our Political Bureau**

**New Delhi:** Prime Minister Narendra Modi on Friday underscored the great potential of winter tourism in the country and the growing interest among people in places located at high altitudes and almost inaccessible locations as he urged citizens to explore such hill stations.

In his 128th "Mann ki Baat" address, he said, "Winter has arrived and so has the season for winter tourism. Many countries have made winter tourism a major pillar of their economy and have the world's most successful winter festivals and winter sports models. These countries have made experiences like skiing, snowboarding, snow trekking, ice climbing and family snow parks part of their identity. They have also transformed their winter festivals into global attractions," Modi said, adding that India too has a huge potential and should tap it.

The PM underlined that India has not just mountains and hilly regions but also unique local cultures that are a big attraction.

Apart from these events in hilly states, there is also navy-related tourism in the country which offers a great learning experience, Modi said.

The Himalayas continue to attract tourists and adventure sports enthusi-

350TH MARTYRDOM ANNIVERSARY OF GURU TEGH BAHADUR

# Op Sindoor showed new India does not bow before terror: PM

# Nation must break free from British-era legacy of 'slave mentality': PM

# Centuries-old wounds healing, pain finding closure: Modi at Ram temple

## Hoists Flag To Mark Completion Of Shrine Work

Arvind Chauhan, Neha Lalchandani & Shalabh | TNN

**Ayodhya:** Hoisting a 'dharm dhwaj' (religious flag) atop the Ram temple to declare the completion of the shrine construction, PM Modi said on Tuesday that "centuries-old

PM Modi during the flag-hoisting ceremony at Ram temple in Ayodhya

"Ram is not a person but a value, a discipline and a direction. India must break free from the mentality of slavery and take pride in its civilisational identity... Macaulay sowed the seeds of separating India from its roots 190 years ago. We gained independence but not freedom from inferiority... Next 10 years should be dedicated to reversing this mindset — PM Modi

## Following brotherhood principle of Guru: PM

PM Modi paid glowing tribute to Guru Tegh Bahadur on his 350th martyrdom anniversary in Kurukshetra on Tuesday, saying the ninth Sikh Guru considered the protection of truth, justice and faith his dharma and sacrificed his life to defend it. "India has followed Guruji's principle of offering brotherhood to the world but not compromising with its

সু-শাসন দিৱস

## সু-শাসনৰ ধাৰণা প্ৰচাৰ

# সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস

সু-শাসনৰ অৰ্থ হ'ল জনকল্যাণ আৰু সাধাৰণ মানুহৰ জীৱন-যাত্ৰা উন্নত কৰাৰ সংস্কৃতিৰ প্ৰচাৰ কৰা। ই জীৱন সহজ কৰি তোলা ব্যৱস্থা আৰু সম্পদ গঢ় দিয়াৰ সৈতে জড়িত। প্ৰশাসন ক্ষমতা-কেন্দ্ৰিক বা কৰ্তৃত্ব-কেন্দ্ৰিক হ'ব হোৱা অনুচিত, বৰঞ্চ ই বিশ্বাসযোগ্য সেৱাৰ ওপৰত নিৰ্ভৰ কৰা উচিত। নীতিসমূহ স্পষ্ট উদ্দেশ্য আৰু সংবেদনশীলতাৰে প্ৰস্তুত কৰিব লাগে। সকলো যোগ্য ব্যক্তিয়ে কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ তেওঁলোকৰ সম্পূৰ্ণ অধিকাৰ লাভ কৰিব লাগে। সু-শাসনৰ এই নীতি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ পৰিচয় হৈ পৰিছে। ২০১৪ চনত চৰকাৰৰ দায়বদ্ধতা আৰু জনসচেতনতা বৃদ্ধিৰ বাবে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জন্মদিনত (২৫ ডিচেম্বৰ) প্ৰতিষ্ঠা কৰা সুশাসন দিৱস দেশৰ জনসাধাৰণৰ আস্থাৰ প্ৰতীক হৈ পৰিছে।





**আমাৰ চৰকাৰৰ বাবে সু-শাসনৰ অৰ্থ হ'ল-**

- সকলোৰে কথা শুনিব লাগে।
- সকলো নাগৰিকৰ বাবে সুবিধা থাকিব লাগে।
- প্ৰত্যেকজন ভাৰতীয়ই সুযোগৰ সদ্ব্যৱহাৰ কৰিব লাগে।
- সকলো নাগৰিকে নিৰাপত্তা লাভ কৰিব লাগে
- প্ৰতিটো ব্যৱস্থাই প্ৰৱেশযোগ্যতা নিশ্চিত কৰিব লাগিব

আমাৰ বাবে সু-শাসনৰ একমাত্ৰ মন্ত্ৰ হ'ল- 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস'

- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী


নিউ ইণ্ডিয়া সমাচাৰ পযেকীয়া

**RNI No. : DELASS/2020/78827, DECEMBER 16-30, 2025**

RNI Registered No DELASS/2020/78827, Delhi Postal License No DL(S)-1/3547/2023-25, WPP NO U(S)-95/2023-25, posting at BPC, Market Road, New Delhi-110001 on 13-17 advance Fortnightly (Publishing December 3, 2025, Pages-64)

**Editor in Chief**
**Dhirendra Ojha**
Principal Director General,
Press Information Bureau, New Delhi

**Published & Printed by:**
**Kanchan Prasad,**
Director General, on behalf of
**Central Bureau Of Communication**

**Published from:**
**Room No–278, Central Bureau Of Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at**
Chandu Press, 469, Patparganj Industrial Estate, Delhi 110 092

Assamese